# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৯/২/২০২৫ বুধবাৰ**

**ইংৰাজী ১৯-০২-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ৩০ বজাত আৰম্ভ হয় ।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১, শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ। মাননীয় মন্ত্ৰী।

**শ্ৰীকৌশিক ৰায়, (খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিখিনি উত্তৰ দিয়া আছে, উত্তৰ খিনি সম্পূৰ্ণৰূপে উল্লেখ কৰা হোৱা নাই আৰু মই বিচৰা মতে ইয়াত যিখিনি উত্তৰ আহিব লাগিছিল, সেইখিনি অহা নাই। মই ইয়াত প্ৰথম Supplementary হিচাপে এইখিনি ক'ব বিচাৰিছো, ইয়াত দেখুওৱা হৈছে যে চহৰ আৰু গাওঁ মিলি দুয়োখনতে পুনৰীক্ষণ কৰি এজনীয়া আৰু দুজনীয়া কাৰ্ড কটা হৈছিল। কিন্তু ইয়াত সৰহজনীয়া গাওঁত যিখিনি আমি পাইছো, সেইখিনিৰ হিচাপত তেনেকুৱা হোৱা নাই। বহু ঠাইত বহুধৰণৰ negligency কৰা হৈছে আৰু দুখীয়া মানুহক বাদ দিয়া হৈছে। মই এইখিনি ক'ব বিচাৰিছো এই এজনীয়া আৰু দুজনীয়া যিবোৰ কাৰ্ড কটা হ'ল সেই মানুহবিলাকক বেলেগ কোনোবা কাৰ্ডত অন্তৰ্ভুক্ত কৰা হ'ল নে নাই এইখিনি মোৰ প্ৰথম supplementary হিচাপে মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীকৌশিক ৰায়, (খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় বিধায়ক শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰে যি প্ৰশ্ন ৰাখিছে, আমি এজনীয়া আৰু দুজনীয়া কাৰ্ড যি আছিল, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কোৱাৰ দৰে ৰেচন কাৰ্ড যাৰ আছে, তেওঁলোকক আমি অৰুণোদয় দিম। এনেকৈ এটা ব্যৱস্থা কৰা হৈছে। আমি দেখা পাইছো যে বহু ঠাইত বহু beneficiary য়ে নিজৰ কাৰ্ড বিলাক ভাঙি অৰুণোদয়ৰ কাৰণে বহুতে apply কৰিছিল, Single, Double এনেকৈ apply কৰিছিল। আমাৰ supply Department এ ৰ পৰা, Supply Inspector তেওঁলোকৰ পৰা verification কৰাৰ পিছত আমি single আৰু double card য'ত genuine নহয় এইটো আচলতে cancel কৰা হৈছে, কিন্তু যদি এনেকৈ single card থকা মানুহ genuine হয়, ভৱিষ্যতে দিয়াৰ ব্যৱস্থা আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Next Supplementary.

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুই নম্বৰ Supplementary হিচাপে মই এটা কথা ক'ব বিচাৰিছো যিহেতু আজি আমি সদনত ১২৬ জন বিধায়কে সাধাৰণ জনতাৰ হৈ আমি কাম কৰি আছো আৰু সাধাৰণ জনতাৰ কাৰণে আমি এই বিধান সভাত সকলোৱে মাত মাতো , কিন্তু মই এটা বস্তু দেখা পাইছো মোৰ গোলকগঞ্জ সমষ্টিত বিশেষকৈ ধুবুৰী জিলাখনতে এনেকুৱা হৈছে আমাৰ সমাজ সেৱকৰ কাৰণে যিজন Guardian Minister

মনোনীত কৰিছে আমাৰ NFSA Card selection Committee ত তেওঁলোকৰ স্বজন তোষন আৰু অতপালিৰ কাৰণে নায্যপ্রাপ্ত বহু সাধাৰণ জনতাই কাৰ্ডৰ পৰা বঞ্চিত হৈছে। ইয়াৰ উপৰিও বিশেষভাৱে NFSA Department ৰ যিটো PDI Departement আছে, তাৰপৰা এনেকুৱা এটা নিৰ্দেশ যাব লাগে যিহেতু আমি দুখীয়া সকলৰ হৈ মাত মাতো, দুখীয়াৰ হৈ কথা কওঁ আৰু প্ৰতিটো ৰাজনৈতিক দলে দুখীয়া হৈ ৰাজনীতি কৰা নাই। সেই কাৰণে এনেকুৱা হ'ব নালাগে, সাধাৰণ জনতাৰ লগত ৰাজনীতি হ'ব নালাগে, আপুনি আমি সকলোৱে মিলি দল হিচাপে ৰাজনীতি কৰো, কিন্তু ৰাইজৰ হৈ। মোৰ গোলকগঞ্জ সমষ্টিৰ আৰু বৰপেটা জিলা আৰু গোটেই অসমত যিমান মানুহ আজিৰ দিনত নিয়মৰ আধাৰত ৰেচন পাব লাগে, সকলোতে ৰেচন কাৰ্ড দিয়াৰ কাৰণে নিশ্চিতি প্ৰদান কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীকৌশিক ৰায়, ( খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ গোলকগঞ্জ বিধান সভা সমষ্টিত ২০০৮ চনত ৰেচন কাৰ্ড দিছো, যাৰ জৰিয়তে আমি ১৫ হাজাৰ ৬১ গৰাকী হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিছো। যদি এনেকুৱা থাকে যে কোনোবাই ৰেচন কাৰ্ড পোৱা নাই, আমাৰ 1 আৰু 2 যাৰ ৰেচন কাৰ্ড আমি দিব পৰা নাই,ৰেচন কাৰ্ডখন দিয়া নাই, আমি verification ত দিছো, কিন্তু ৰেচনটো পাই আছে parent card ত original যিখন কাৰ্ড আছিল, তেওঁলোকে পাই আছে। যদি এনেকুৱা কিবা genuine মানুহে পোৱা নাই আমি ভৱিষ্যতে এইখিনি চাম আৰু আমাৰ যি দিবলগীয়া ব্যৱস্থা আছে, cabinet য়ে approve কৰিলে আমি এইখিনি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত কথাখিনি কৈছে। আমাৰ প্ৰশ্ন হ'ল যে গোটেই অসমত ৰেচন কাৰ্ড হৈ আছে, কিন্তু সুকীয়াকৈ বৰপেটা আৰু ধুবুৰী জিলাত ৰেচন কাৰ্ডৰ যিটো পৰিয়ালৰ মানুহৰ সংখ্যা ২ বা ৩ জন, সেয়া গোটেই ৰেচন কাৰ্ড কৰ্তন কৰিব দিছে। ইমানদিনে যিসকল পৰিয়ালে ৰেচন কাৰ্ডৰ জৰিয়তে বিভিন্ন সুবিধা লাভ কৰি আছিল তেওঁলোকৰ অজ্ঞাতে কি কাৰণে বিভাগে তেওঁলোকৰ ৰেচন কাৰ্ড কৰ্তন কৰিলে আৰু ৰেচন কাৰ্ড কৰ্তন কৰিবলৈ যাওঁতে এবাৰো পৰীক্ষা-নিৰীক্ষা নকৰিলে direct office ৰ পৰা delete কৰি দিলে। গতিকে এই ব্যৱস্থাই বহু পৰিয়ালক বিপদত পেলাইছে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম যে এই ২-৩ জনীয়া ৰেচন কাৰ্ডৰ কোনো ধৰণৰ তদন্ত নকৰাকৈ তেওঁলোকৰ নামবোৰ যে delete কৰি দিছে, পৰৱৰ্তী সময়খিনিত এই মানুহখিনিৰ ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিব আৰু আমাৰ দাবী এই মানুহখিনিয়েই ৰেচন কাৰ্ড পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীকৌশিক ৰায়, (খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে, সেই সম্পৰ্কত ক'ব বিচাৰিছো যে বৰপেটা জিলাত আমি ৬১৭৬ গৰাকী নতুন হিতাধিকাৰী আমি add কৰিছো। ধুবুৰী জিলাত আমি ৭৪,১৬৯ গৰাকী হিতাধিকাৰী add কৰিছো। আগতেই কৈছো যে যিবিলাক হিতাধিকাৰীয়ে apply কৰিছিল, single আৰু double card এনেকুৱা verification কৰা হৈছে। Verification ৰ পাছতে এইবিলাক delete কৰা হৈছে। কিন্তু পুনৰ ৰাইজে ৰেচনৰ পৰা

বঞ্চিত হোৱা নাই। যি original card আছে, তেওঁলোকে পাই আছে। বিধায়ক ডাঙৰীয়াৰ লগত কথা পাতি যদি এনেকুৱা genuine কিবা থাকে আমি এইখিনি সামৰি ল'ম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চামছুল হুদা।

**শ্ৰী চামছুল হুদা, বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিলাসীপাৰাৰ কথা ক'ম। বিলাসীপাৰাত ৰেচন কাৰ্ড দিওঁতে প্ৰথমতে মেম্বাৰ সকল আৰু অফিচাৰ সকলে কৰিলে কি, ৪-৫ জনকৈ মানুহ য'ত আছে, তেওঁলোকক কৰ্তন কৰি বেছিকৈ ৰেচন কাৰ্ড দিয়াৰ কাৰণে তেওঁলোকে ২-৩ জন কৰিলে। এনেকৈ তেওঁলোকে selection কৰিলে। তাৰপাছত দেখা গ'ল, উৰ্ধতম কৰ্তৃপক্ষৰ পৰা নিৰ্দেশ দিয়া হ'ল যে, দুজন বা তিনিজন বা এজন থাকিলে এইবিলাক কৰ্তন কৰিব লাগে আৰু তেতিয়া এই গোটেইখিনি কৰ্তন কৰি দিলে। তেওঁলোকে C Form ত fill up কৰা আছিল ৩-৪ জন, ৫ জন এনেকৈ fill up কৰা আছিল, তেনেহ'লে সেই genuine কিয় কৰ্তন কৰা হ'ল আৰু C form ৰ যোগেদি তেওঁলোকক কিয় দিয়া নহ'ল আৰু সেই genuine মানুহবিলাকে কেতিয়া পাব, পাব নে নাই আৰু এইটো কিয় কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীকৌশিক ৰায়, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে, genuine মানুহ যদি কোনোবা বঞ্চিত হৈ আছে, আমি তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিম আৰু মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত ক'ব বিচাৰিছো যে আমাৰ চৰকাৰে এবছৰত আমি ১৭ লাখ ৮৫ হাজাৰ ১৮১ নতুন হিতাধিকাৰী add কৰিছো আৰু আমি ৰাজহুৱাভাৱে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ১৫ ডিচেম্বৰত ৰেচন কাৰ্ড distribution ৰ কাম আৰম্ভ কৰিছিলে। Second phase ২২ ডিচেম্বৰ আৰু 3rd phase ২৮ ডিচেম্বৰত আমি কৰিছো আৰু আমি ৰাজহুৱাভাৱে এই গোটেই বস্তুখিনি কৰা হৈছে। বিলাসীপাৰা বিধান সভা সমষ্টিতো ২৩১১ নতুন ৰেচন কাৰ্ড দিয়া হৈছে যাৰ জৰিয়তে আমি ১৫,১৪৮ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিছো। যদি কোনো হিতাধিকাৰী genuinely বাদ পৰি থাকে, সেইখিনি আমি ভৱিষ্যতে ইয়াৰ লগত অন্তৰ্ভুক্ত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং - ২ , শ্ৰী জিৰণ বসুমতাৰী। Supplementary.

**শ্ৰী পীযুষ হাজৰিকা, জলসম্পদ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী জিৰণ বসুমতাৰী, গোসাই গাওঁ ঃ** বড়ো...সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াত যিটো reply দিছে, ইতিমধ্যে সোনকোষ নদীৰ বানপানী আৰু গড়াখহনীয়াই permanent solutionৰ কাৰণে যি work post ৰ দ্বাৰা যি DPR Prepare কৰা হৈছিল, ৩২৪.৬৯ কোটি টকাৰ ইতিমধ্যে DPR পোৱা হৈছে কিন্তু approval ৰ কাৰণে Central Worker Commission য়ে এইটো clearance দি নীতি আয়োগক এইটো অলপ পলম হ'ব পাৰে তাৰ কাৰণে মই supplementary question হিচাপে সন্মানীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিব বিচাৰিছো তাৰ উপৰিও ৪ খনমান ঠাইত যদি আমি এই বছৰতে গড়াখহনীয়াৰ প্ৰতিৰোধ কৰিবৰ কাৰণে বান্ধ নিৰ্মাণ কৰিব পাৰো, তেতিয়াহ'লে বহুত ভাল হ'ব। ঠাইখনৰ নাম উপেন্দ্ৰপুৰ, সুৰেন্দ্ৰপুৰ, কক্সাগৰীয়া আৰু বৰগোপা এই চাৰিখন ঠাইত বহুত বিপদজনক ভাৱে গড়াখহনীয়া হৈ আছে। তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো আপোনাৰ জৰিয়তে যাতে এইটো এইবছৰত হয়।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীয়ুষ হাজৰিকা, (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় আচলতে ব্ৰহ্মপুত্ৰ বৰ্ডে এই BPR টো বনাইছে। ব্ৰহ্মপুত্ৰ বৰ্ডে আমাৰ পৰা Technical Support লয়, কিন্তু আমাৰ actually Department দুটা State Governtment ৰ water Resources Department আৰু ব্ৰহ্মপুত্ৰ বোৰ্ড, এই sankosh নদীৰ যিটো DPR ৰ কথা তেখেতে কৈছে, সেইটো 324.69 কোটি টকাৰ। এইটো ব্ৰহ্মপুত্ৰ বোৰ্ডে বনাইছে। আমাৰ পৰা কেতিয়াবা Technical Support লয় আৰু আমাক জনায়। যি কি নহওঁক সন্মানীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টিৰ sankosh নদীৰ চাৰিটা point ৰ কথা কৈছে, এই বিষয়ে তেখেতৰ লগত মই আজিয়ে আলোচনা কৰিম। কিমানখিনি কৰি দিব পাৰো কৰিবলৈ মই চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৩। ড° অমিয় কুমাৰ ভূঞা, মাননীয় সদস্য।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**অধ্যক্ষ মহোদয়ঃ** Hon'ble Minister

**শ্ৰী কৌশিক ৰয়, (মন্ত্ৰী )ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, এজনীয়া পৰিয়ালক আমি ৰেচন কাৰ্ড দিয়া নহয় নেকি? কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এখন দোষমুক্ত সমাজ, দোষমুক্ত ভাৰত গঢ়িবৰ কাৰণে বাবে যি ৰেচন কাৰ্ড দি থকা হৈছে ইয়াৰ জৰিয়তে আমি ভাবো যে এজনীয়া পৰিয়ালকো ৰেচন কাৰ্ড দিয়া হওক। এইক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো।

**শ্ৰী কৌশিক ৰয়, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা নাই যে আমি এজনীয়া পৰিয়ালক ৰেচন কাৰ্ড দিব নোৱাৰো। আমাৰ এনেকুৱা বহুত ৰেচন কাৰ্ড দিয়া হৈছে। কিন্তু ,মই আগতে কোৱাৰ দৰে আমাৰ ফালৰ পৰা Verification কৰা হৈছে, তাৰ পিছতহে আমি দিছো। আমি বহুত ঠাইত দেখা পাইছো যে অৰুণোদয় পাব কাৰণে বহুত বেনিফিচাৰীৰ ৰেচন কাৰ্ড থাকিব লাগে। সেই কাৰণে বহুতে Apply কৰিছে। এইটো যদি এজনৰ পৰিয়ালত আছে genuine আছে, আমি তেওঁলোকক দিছো আৰু মাননীয় বিধায়ক ড° অমিয় কুমাৰ ভূঞা, সমষ্টি, বিহপুৰীয়াত আমি ১৪৬৮ খন নতুন ৰেচন কাৰ্ড দিছো, আৰু তাৰ মাজতে আমি ৭৩৫৫ খন নতুন beneficiary তাতে দিছো। যদি genuinely কিবা থাকে আমি অন্তৰ্ভূক্ত কৰিবলৈ চেষ্টা কৰিম।

**অধ্যক্ষ মহোদয়ঃ** ধন্যবাদ।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** ৩,৬৩৩ টা যি পৰিয়াল বিবেচনাধীন হৈ আছে ৰেচন কাৰ্ড দিবৰ বাবে অতি সোনকালে তেওঁলোকক ৰেচন কাৰ্ডৰ দিয়াৰ যাতে ব্যৱস্থা কৰে, তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী কৌশিক ৰয়, (মন্ত্ৰী )ঃ** এইটো আমি অহাদিনত বিচাৰ বিবেচনা কৰিম।

**অধ্যক্ষ মহোদয়ঃ** Question No 4 শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ বিকাশ আৰু উন্নতিৰ মূল বুলি কবলৈ গ'লে কৃষিত ব্যৱহিত বীজখিনিয়ে মূল বিষয়।আমি সঠিক ভাৱে, সঠিক সময়ত বীজ যোগান ধৰিব পাৰিলে কৃষি অধিক ফল প্ৰসু হ'ব, আৰু অসমৰ কৃষি খণ্ডত আগুৱাই যাব। আমি

আচলতে জানিব বিচাৰিছিলো যে অসমত কিমান পৰিমানৰ বীজ কৃষক সকলৰ পৰা সংগ্ৰহ কৰা হয়। ইয়াৰ তথ্যতো আমি পাইছো যে বাহিৰৰ পৰা ১০ শতাংশ আনে আৰু থলুৱাভাৱে ৯০ শতাংশ বীজ সংগ্ৰহ কৰা হয় ২৭১ কোটি টকাৰ বীজ যদি চৰকাৰে ক্ৰয় কৰে, তেতিয়াহ'লে প্ৰায় ২৪৫ কোটিত কৈ অধিক টকা এবছৰত বীজ ক্ৰয় কৰাত ব্যৱহাৰ হয়। কিন্তু বাস্তৱিকতে আমি দেখিছো যে আমাৰ গ্ৰাম্য অঞ্চলৰ কৃষক সকলে খেতি কৰে, বিশেষকৈ ধান খেতি কৰে কিন্তু ধানৰ বীজ চৰকাৰে কেতিয়াও কৃষসকলৰ পৰা সংগ্ৰহ কৰা দেখা নাই। আমি কৃষসকলৰ পৰা ধান ক্ৰয় কৰিছো। কিন্তু সম পৰিমানে থলুৱা প্ৰজাতিৰ ধান সমূহ সংৰক্ষনৰ বাবে তাৰ প্ৰচেষ্টা চলি আছে । আমি থলুৱা কৃষৰ পৰা অধীক পৰিমনে বীজ ক্ৰয় কৰিব লাগে আৰু তাৰ এটা বিজ্ঞানসন্মত প্ৰক্ৰিয়া থাকিব লাগে। কাৰণ আমি দেখিছো যে কেতিয়াবা বাদামৰ  বীজ আমাৰ কৃষি বিভাগলৈ আহে যিখিনি সদায় পৰিত্যক্ত হিচাপে  বস্তা ভিতৰত বস্তা থাকে। মই সুধিব বিচাৰিছো যে  ভৱিষ্যতৰ দিনত অসমৰ কৃষসকলৰ পৰা ব্যাপক হাৰত বীজ ক্ৰয় কৰি বাহিৰৰ পৰা বীজ ননাকৈ অসমতে আমি চয়ং সম্পূৰ্ণ হোৱাব পৰা কিবা আৰু ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**অধ্যক্ষ মহোদয়ঃ** Hon'ble Minister

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়  মই আপোনাৰ জৰিয়তে সদনৰ মজিয়াত জনাবলৈ পালে ভাল পাম, যে ২০১৫ চনলৈকে আমাৰ কৃষি বিভাগে ৯০ শতাংশ বীজ ৰাজ্যখনৰ বাহিৰ পৰা ক্ৰয় কৰিছিল। আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজে হৈছে কৃষক। আমাৰ চৰকাৰে জোৰ দিছে যে বাণিজ্যিক মূল্য থকা খেতি আমাৰ কৃষকে কৰিব লাগে। হাই ব্ৰিদৰ বহুত variety আছে বিভিন্ন বীজ আছে, সেইবিলাকৰ খেতি কৰিব লাগে আৰু সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয় মই সদনৰ মজিয়াত আপোনাৰ জৰিয়তে জনাবলৈ  পালে ভাল পাম ২০১৫ চনলৈকে ৯০ শতাংশ বীজ মই কোৱাৰ দৰে অসমৰ বাহিৰৰ পৰা ক্ৰয় কৰিছিল। কিন্তু ২০২৩-২৪ চনত আমি বাহিৰৰ পৰা ক্ৰয় কৰাৰ পৰিমান হৈছে ১০ শতাংশ। অৰ্থাৎ ৯০ শতাংশ হ্ৰাস হৈছে। আশা কৰিছো যে অনাগত দিনত ৰাজ্যত প্ৰয়োজনীয় যি বিলাক Certified seeds আছে আমি ৰাজ্যতে উৎপাদন কৰি আমাৰ কৃষকক যোগান ধৰিব পাৰিম। অধ্যক্ষ মহোদয় অসম seeds corporation ৰ ১২ খন ৰ্ফাম আছিল আৰু বিভাগে নিজৰ উৎপাদন বৃদ্ধি কৰিবৰ বাবে কৃষি সঞ্চালকৰ অধীনত থকা ৪০ খন ৰ্ফাম, ইতিমধ্যে অসম বীজ নিগমক হস্তান্তৰিত কৰিছে। আৰু এই বীজ সমূহৰ যি আন্তঃগাঁঠনি, এই আন্তঃগাঁঠনি অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ অনুদানেৰে পৰ্য্যায়ক্ৰমে উন্নিত কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। ইতিমধ্যে ৫২ খন যি বীজ ৰ্ফাম, এই বীজ ফাৰ্মৰ  ভিতৰত ২৮ খন বীজ ৰ্ফাম এই বীজ ৰ্ফামত প্ৰমানিত বীজ Certified বীজৰ উৎপাদন বৃদ্ধি কৰা হৈছে। অধ্যক্ষ মহোদয় আমাৰ ৰাজ্যখনত থকা কৃষি বিশ্ববিদ্যালয়কো আমি দায়িত্ব দিছো যে, কৃষি বিশ্ববিদ্যালয়ে যাতে আমাৰ ৰাজ্যখনত প্ৰয়োজনীয়, আমাৰ ইয়াত প্ৰাকৃতিক দূৰ্যোগ আছে আৰু সেইভাৱে Flood tolarent variety ও তেখেত সকলে উত্থাপন কৰিছে। কৃষি বিশ্ববিদ্যালয়ে ঠিক তেনেকৈ drop হ'বলৈ আৰম্ভ কৰিছে। Climate  change ও আমাৰ এটা ডাঙৰ প্ৰত্যাহ্বান তাৰ কাৰণেও কৃষি বিশ্ববিদ্যালয়ে চেষ্টা কৰিছে।  মই আশা কৰিছো অধ্যক্ষ মহোদয় আমাৰ কৃষক সকলে  নিজৰ বীজ ৰ্ফামত বীজ উৎপাদন কৰিব আৰু আমি ইয়াত প্ৰয়োগ কৰিব পাৰিম। ইতিমধ্যে আমাৰ ৰাজ্যখনৰ  বহুত কৃষকে চৰকাৰৰ সৰ্মথনত কিছুমান নিজাববীয়াকৈ বীজ উৎপাদন কৰি বহি ৰাজ্যলৈকে পঠিয়াইছে। আমি চেষ্টা কৰিছো যে কৃষকে বিচাৰাধৰনে সকলো খিনি দিব পাৰিম যে এনে কথা নহয়। আমি যিমান পাৰো কৃষকক দিবলৈ চেষ্টা কৰিছো। সেইখিনি

যাতে Self suficiant হয় আৰু তেখেত সকলে নিজৰ লাগতিয়ালখিনি উৎপাদন কৰাৰ উপৰিও ইয়াৰ পৰা যাতে বহি ৰাজ্যলৈ পঠিয়াই উপকৃত হ'ব পাৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আব্দুৰ ৰশিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)ঃ** মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই সংক্ষেপতে জানিব বিচাৰিছো যে গোৱালপাৰা জিলাত সকলোৰে যিহেতু নিৰ্ভৰশীল কৃষিৰ ওপৰত, গতিকে তাতে Cold Storage ৰ যিটো অভাৱ সেইটো পূৰন কৰাৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি? আৰু গোৱালপাৰা জিলাত উৎপাদিত কল, আনাৰাস এইবিলাক export ৰ বাবে ব্যৱস্থা কৰিব নেকি? কিছুদিন আগতে আনাৰাস মোৰ সমষ্টিৰ পৰা বিদেশলৈ ৰপ্তানি কৰা হৈছিল। কল, আনাৰাস আদি ৰপ্তানিৰ ক্ষেত্ৰত কি ব্যৱস্থা ল'ব আৰু cold Storage স্থাপনৰ কাৰণে কি ব্যৱস্থা ল'ব। Next, প্ৰত্যেকখন বজাৰত Apart ৰ অধীনত Market Construction ব্যৱস্থা কৰিবনে নাই?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে Hon'ble Minister .

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যখনৰ আমাৰ অন্যতম এখন জিলা হৈছে গোৱালপাৰা। এই জিলাখন কৃষি প্ৰাধান জিলা। এই সমষ্টিৰ সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে তাত যথেষ্ট কল উৎপাদন হয়। এচিয়াৰ ভিতৰত এখন সৰ্ব্ববৃহৎ বজাৰ তাত গঢ়লৈ উঠিছে আৰু এই বজাৰ খনৰ infrastructure গঢ়ি তুলিবৰ কাৰণে ইতিমধ্যে আমাৰ ৰাজ্যখনৰ কৃষি বিভাগে দায়িত্ব লৈছে। আমি দায়িত্ব দিছো Agriculture Marketing Board ক । ইতিমধ্যে তাত এখন সুন্দৰ বজাৰ নিৰ্মান কৰি থকা হৈছে। এই কল Export ৰ ক্ষেত্ৰত আমি যিমানখিনি Export বা বহি- ৰাজ্যলৈ প্ৰেৰণ কৰাই হওঁক, আমি যিমান পাৰো সৰ্মথন দিবলৈ চেষ্টা কৰিছো। মাননীয় সদস্য গৰাকীয়ে cold Storage ৰ কথা কৈছে, আমাৰ ৰাজ্যখনত প্ৰায় ৫২ টা মান Cold Storage আছে। কিছুমান private Sectore ত আছে। চৰকাৰৰো আছে, সকলো বিলাক ঠিকমতে ইয়াত চলি থকা নাই। কাৰণ Power ৰ কথা এটা আহি পৰিছে আমি সেই কাৰণে গুৰুত্ব দিছো Cold room ৰ ওপৰত আৰু ইতিমধ্যে ৰাজ্য চৰকাৰৰ Horticulture ৰ বিভাগৰ HAMNEH ৰ জড়িয়তে ৫০ শতাংশ Subsidy ত আমি ৰাজ্যখনৰ বিভিন্ন ঠাইত তেনেধৰনে cold Storage নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিছো। মই মাননীয় সদস্য গৰাকীয়ে যদি মোৰ ওচৰত আহে আমি যদি কথা পাতো তেতিয়া হ'লে নিশ্চিত্তভাৱে ৫০ শতাংশ Subsidy লাভ কৰিব পাৰে আৰু যদি ডাঙৰকৈ Cold Storage কৰিব খোজে, আমি কৰাৰ ব্যৱস্থা কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং- ৫।

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰু এটা Clarical mistake হৈছে। মই ইয়াৰ উত্তৰটো পিছত দিম। এতিয়া কেৱল কৈ থৈ দিছো।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটো ইতিমধ্যে বিতৰণ কৰা হৈছে।

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ ঃ**মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো ইতিমধ্যে বিতৰণ কৰা হ'ল নেকি? আমাৰ ৪৩৯ কিলোমিটাৰ হ'ব লাগিছিল। তাৰ সলনি ৪৮ কিলোমিটাৰ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি ইতিমধ্যে পাইছে আৰু বিতৰণ কৰিব দিয়া হৈছে। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰ জিলাৰ ব্ৰহ্মপুত্ৰ নদী, দিচাং, দিখৌ আৰু দৰিকা এই চাৰিখন নদী আৰু নতুনকৈ মই আমগুৰি সমষ্টিও পাইছো। তাৰ জাজী নদী আৰু মুঠতে এই পাঁচখন নদীত সাংঘাতিকভাৱে গড়াখহনীয়া হৈ থাকে। তাৰ কেইবাটাও সমস্যা ইতিমধ্যে বিভাগে প্ৰায় সমাধান কৰি দিছে। ১৯৫৪ চনৰ পৰা ১৯৬৫ চনৰ ভিতৰত চৰকাৰে সকলো মঠাউৰি নিৰ্মাণ কৰিছিল। দিখৌ নৈৰ মঠাউৰি সেই তেতিয়াই নিৰ্মাণ কৰা। মোৰ আৰু বৰ্তমানৰ মাননীয় মন্ত্ৰীৰ কাৰ্য্যকালত প্ৰথম বাৰৰ বাবে বিশ কিলোমিটাৰ মঠাউৰি আমি নতুনকৈ নিৰ্মাণ কৰি আছো। সেয়া হৈছে দিখৌ নদীৰ বিষয়। কিন্তু আমাৰ কিছুমান অসুবিধা আছে আৰু সেই অসুবিধা কেইটা সমাধান কৰাটো অতি দৰকাৰী। মোৰ সমষ্টিটো যিহেতু এতিয়া আমগুৰিলৈকে পৰিছে আৰু মোৰ সমষ্টিত ২৬ কিলোমিটাৰ ব্ৰহ্মপুত্ৰ নদীখন পৰিছে। মোৰ প্ৰথম সমস্যাটো হৈছে-তাৰে এঘাৰ কিলোমিটাৰত সাংঘাতিকধৰণে খহনীয়া হৈ আছে। তাৰ বাবে এছিয়ান ৱৰ্ল্ড বেংকৰ এটা প্ৰজেক্ট দাখিল কৰা হৈছে। সেই প্ৰজেক্টটো যদি নহয়, আমাৰ শিৱসাগৰখন আৰু বাছি নাথকিব। ইয়াৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে মই জানিব বিচাৰিছো। মোৰ দ্বিতীয় কথাটো হৈছে যে আমাৰ দৰিকা নদীখনে গোটেই শিৱসাগৰখনকে দুখীয়া কৰি দিছে। আপুনিও জানে আৰু আপুনি সেই সুবিধাটো দিছিল যে তিনিবাৰ দৰিকা নদীৰ ওপৰত আলোচনা কৰা হৈছিল আৰু আই আই টি গুৱাহাটীৰ বিশেষজ্ঞ কমিটি গঠন কৰা হ'ল আৰু এই কমিটিয়ে ইতিমধ্যে চাগৈ ড্ৰাফ্ট ৰিপোৰ্ট এটা দিছে। মই ইয়াৰ কপি এটা পাইছো। এই দৰিকা নদী বানপানী ৰোধ কৰাৰ বাবে কি পৰিকল্পনা লোৱা হৈছে। তৃতীয় কথাটো হ'ল-আমাৰ সকলো মঠাউৰিয়েই চাপৰ হৈ গৈছে। যোৱা দুবছৰত আমাৰ শিৱসাগৰত আটাইতকৈ বেছি বানপানী হৈছে। কাৰণ মঠাউৰি যদিও ভঙা নাই, মঠাউৰিৰ ওপৰেদি পানী বৈ গৈছে। মঠাউৰিৰ যদি ওখ নকৰে, সদায় বানপানী হৈ থাকিব। মই এই বিষয়ে প্ৰশ্নও কৰিছিলো। মোৰ আৰু এটা প্ৰশ্ন আছে যে পঞ্চদশ বিত্তীয় আয়োগত আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ অফলাৰ ওপৰত ন কোটি টকাৰ এটা প্ৰজেক্ট দিয়া হৈছে। সেইটো কি পৰ্য্যায়ত আছে?

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমগুৰি সমষ্টিৰ বিধায়ক মই ইয়াত বহি আছো। আমগুৰি সমষ্টিৰ আৰু এজন বিধায়ক ইয়াত কেনেকৈ হ'ল? এই কথাটো আপুনি স্পষ্ট কৰি দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে আপোনাৰ প্ৰতি সহানুভূতি দেখুৱাইছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ক'ব লাগে নে নালাগে নাজানো। কিন্তু তথাপিতো কৈছো আজি 'ভূতৰ মুখত ৰামনাম' হৈছে। সন্মানীয় সদস্য গৰাকীয়ে প্ৰত্যেক দিনাখনেই প্ৰেছমিট, ফেচবুক, টুইটাৰ আদিত কয় যে আমি লোন লৈ অসমখন ধ্বংস কৰিলো। কিন্তু তেখেতে আজি লোন ল'বলৈ আমাক পৰামৰ্শ দিলে। তেখেতক এছিয়ান ডেভেলপমেণ্ট বেংকৰ টকাৰে তেখেতৰ সমষ্টিৰ উন্নয়ণ লাগে বুলি কৈছে। আমাৰ লোন লোৱাৰ যিটো প্ৰক্ৰিয়া আমি কেন্দ্ৰীয় চৰকাৰৰ নিয়ম মতেহে লোন লওঁ। মই আগতেও কৈছো যে এছিয়ান ডেভেলপমেণ্ট বেংকৰ লোন কেন্দ্ৰীয় চৰকাৰে আমাক লৈ দিয়া লোন। বিশ শতাংশ আমি দিব লাগে আৰু আশী শতাংশ কেন্দ্ৰীয় চৰকাৰে দিয়ে। লোনৰ বাবে তেখেতে আজি ধন্যবাদ জনাইছে আৰু তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। মই আশা ৰাখিছো যে তেখেতে যাতে আজিৰ পৰা লোনৰ বিষয়ে জনসাধাৰণক বিপথে পৰিচালনা কৰিবলৈ প্ৰচেষ্টা নকৰে। এই

কথাখিনি আজি বিধান সভাত ৰেকৰ্ড হৈ থাকিব লাগে। মই ইয়াৰ বাবে তেখেতক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। তেখতেৰ সমষ্টিত মই যথেষ্টখিনি কাম কৰিছো। মই ইয়াৰ বাবেও তেখেতক ধন্যবাদ জনাইছো। তেখেতৰ সমষ্টিত আমি এছিয়ান ডেভলপমেণ্ট বেংকৰ দ্বিতীয় পৰ্য্যায়ত তিনিশ আঠ চল্লিশ কোটি টকাৰ কাম কৰিবলৈ প্ৰচেষ্টা চলাই আছো আৰু আশা ৰাখিছো যে অহা ডিচেম্বৰ মাহত সেইখিনি কাম আৰম্ভ কৰিবলৈ সক্ষম হ'ম। আপুনি এবাৰ ক'ব নেকি যে লোন লোৱাত আপুনি নায্যতা প্ৰদান কৰিছে। প্ৰত্যেক পোন্ধৰ দিনৰ পিছে পিছে আমি FREMAA ৰ অফিচত বহো আৰু যিখন জিলাৰ এছিয়ান ডেভলপমেণ্ট বেংকৰ কাম চলি আছে তাৰে অভিযন্তা সকলক মাতো। যোৱা পোন্ধৰ তাৰিখে বহিছিলো আৰু তাৰ আগতে জানুৱাৰীৰ সাতাইশ তাৰিখে বহিছিলো। আকৌ এক মাৰ্চত বহিম। আমি সকলো ঠিকাদৰক মাতি আনি ক'ত কি সমস্যা হৈছে óûÉËu ±äÂ±ßÂË1±Õ±1ņ¸Âù Õ±ðÃÕ±ðÂüþðÅåÃ¼Õ±÷ ûðÃÛ¸åÂþ ËëÂÂ ÂË÷°l×ËÃÑßÂ ৬.৫০ কোটি টকাৰ এই বছৰ খৰচ কৰিব পাৰো, তেতিয়া আমি দ্বিতীয় পৰ্য্যায়ৰ টকা পাম। দ্বিতীয় পৰ্য্যায়ত এছিয়ান ডেভলপমেণ্ট বেংকৰ প্ৰায় ২ হেজাৰৰ পৰা ২১ শ কোটি টকা অহা বিত্তীয় বৰ্ষত পাবলৈ সক্ষম হ'ম। আমি অতি তৎপৰতাৰে চৰজমীন তদন্ত কৰি আছো আৰু FREMAA ৰ অফিচলৈ অভিযন্তা আৰু ঠিকাদাৰ সকলক মাতি আলোচনা কৰিছো। কাম যদি হোৱা নাই, বিল যদি পোৱা নাই, তাকো পৰ্য্যালোচনা কৰিছো। এছিয়ান ডেভলপমেণ্ট বেংক, ৱৰ্ল্ড বেংকৰ কথাটো এনেকুৱা যে অৰ্ডাৰ দিলে নহ'ব, ঠিকাদাৰে পেমেণ্ট পাব লাগিব। তেতিয়াহে তেওঁলোকে পৰৱৰ্তী পৰ্য্যায়ৰ কামৰ অনুমোদন দিয়ে। মই পুনৰ কৈছো যে এই বছৰ যদি আমি এছিয়ান ডেভলপমেণ্ট বেংকত ৬.৫০ কোটি টকা খৰচ কৰিব পাৰো দ্বিতীয় পৰ্য্যায়ত এছিয়ান ডেভলপমেণ্ট বেংকৰ প্ৰায় ২ হেজাৰৰ পৰা ২১ শ কোটি টকা অহা বিত্তীয় বৰ্ষত পাবলৈ সক্ষম হ'ম। এইখিনি কৰিবলৈ আমি তীব্ৰতাৰে প্ৰচেষ্টা চলাই আছো আৰু আমি যদি সক্ষম হওঁ, তেতিয়া নিশ্চয়কৈ শিৱসাগৰ জিলাত চাৰি শ আঠ চল্লিশ কোটি টকা, গোলাঘাট জিলাত চাৰি শ তেসষ্ঠি কোটি টকা, যোৰহাট জিলাত চাৰি শ চৌৰাল্লিশ কোটি টকা, ধেমাজি জিলাত তিনি শ ঊনাশী কোটি টকা মুঠ যোল্ল শ বিয়াল্লিশ কোটি টকা আমি অহা বিত্তীয় বৰ্ষত পাবলৈ সক্ষম হ'ম আৰু এইখিনি পাবলৈ সক্ষম হ'লে অহা নৱেম্বৰ বা ডিচেম্বৰ মাহত ইয়াৰ কাম আৰম্ভ হ'ব। ঠিক তেনেকৈ ৱৰ্ল্ড বেংকৰো কাম আমি চলাই আছো আৰু তাতো প্ৰায় পাঁচ শ কোটি টকা আমি পাবলৈ সক্ষম হ'ম। দৰিকাৰ বিষয়ে আমি চাই আছো। আপুনি লোন ল'বও নিদিয়ে ......Interruption.............

**মাননীয় অধ্যক্ষ ঃ** এতিয়া লোন ল'বলৈ দিব। ............... Interruption.............

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যদি লোন ল'বলৈ দিয়ে মই এইখিনি কৰাই দিম। তেওঁৰ এছিয়ান ডেভলমেণ্ট বেংকৰ নায্যতা প্ৰদান কৰিলে আৰু তাৰ পৰা লোন লৈ কাম কৰিবলৈ দিছে। দৰিকাৰ কাৰণে লোন ল'বলৈ দিব নে নাই সেই বিষয়ে জানিব বিচাৰিছো। পৰ্য্যায়ক্ৰমে তেখেতৰ সমষ্টিত কাম কৰি আছো আৰু কেতিয়াবা কেতিয়াবা তেখেতৰ অনুৰোধ মৰ্ম্মে আগতীয়াকৈ কাম কৰি দিম। মুঠতে কেৱল তেখতেৰ সমষ্টি বুলিয়েই নহয় সকলোতে কাম কৰিম আৰু এই সদনত কথা দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সঁচাকৈয়ে মাননীয় জলসম্পদ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ কাৰণে চাৰি শ আঠ চল্লিশ কোটি টকাৰ প্ৰজেক্ট দিছে। এই প্ৰজেক্টটোত তেখেত আৰু মই খুব Closely কাম কৰি

আছো। ইয়াত মিছা কৈ লাভ নাই। তেখেতে এইটো কৰি দিম বুলি কথা দিছে। ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াক লৈ মই বাৰে বাৰে এওঁলোকৰ অভিযন্তা, মাননীয় মন্ত্ৰী সকলৰ লগত বৈঠকত বহিছো। যাতে এই কামটো সঁচাকৈয়ে হয়। ইয়াৰোপৰি চাপৰ মঠাউৰি খিনি ওখ কৰি দিয়াৰ বাবে ব্যৱস্থা ল'ব লাগে। দৰিকাৰ ৰিপোৰ্টটো আহিছে চাগৈ। আপুনি পালে নে নাই নাজানো। সেই ৰিপোৰ্টৰ ভিত্তিত কামখিনি কৰিব লাগে। মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে- গোটেই অসমৰ বাবে। গোটেই ভাৰতবৰ্ষত দুই ধৰণে কাম কৰা হয়। এটা হ'ল Structural measure and another is Non-Structural measure. এতিয়া আমি Structural measureৰ ভিতৰত দুটা কামেই কৰি আছো, এটা হৈছে-মঠাউৰি নিৰ্মাণ কৰা আৰু আনটো হৈছে-খহনীয়া ৰোধ কৰা। Structural measureৰ অন্য বহু বস্তু থাকে। সঁচাকৈয়ে যদি বান মুক্ত অসম গঠন কৰিব লাগে, কেৱল মঠাউৰি নিৰ্মাণৰ জৰিয়তে সম্ভৱ নহয়। সেইটো কৰিবলৈ হ'লে আমি Reservoir Create কৰা, Natural Depression Suitable improve and regulated কৰিব লাগিব। নদীৰ কোনোবা এটা অংশ ডাইভাৰ্ট কৰি অন্য এটা অংশত লগাই দিব লাগিব। কৰোবাত টাউন এখনক বচাবলৈ পেৰেলেল সৰু এখন নদী বনাই দিব লাগিব। এনেকুৱা ধৰণৰ বহু পদ্ধতিৰ জৰিয়তে বানপানী সমস্যাৰ স্থায়ী সমাধান সম্ভৱ হয়। কিন্তু, অসমত পৰম্পৰাগতভাৱে অকল মথাউৰি নিৰ্মাণ কৰাৰ কথাহে চিন্তা কৰি থকা হৈছে। যিহেতু এই বিভাগে খুব অগ্ৰণী ধৰণে কষ্ট কৰি কাম কৰি আছে আৰু মইও এই বিভাগটোৰ ক্ষেত্ৰত সদায় এই গোটেই বস্তুবিলাকলৈ ইঞ্জিনীয়াৰসকলৰ লগত বাৰম্বাৰ বহি কামখিনি আগবঢ়াবলৈ চেষ্টা কৰি আছো.........Interruptions....

**মাননীয় অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো কি?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মোৰ প্ৰশ্নটো হ'ল যে অকল structural measures, মথাউৰি বনোৱাৰ বাহিৰে আৰু কি কি ব্যৱস্থাৰে অসমৰ বানপানী সমস্যাৰ, বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীৰ বানপানী আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ কাৰণে ব্যৱস্থা ল'ব খুজিছে এই কথা মন্ত্ৰী ডাঙৰীয়াই জনালে ভাল হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি কেন্দ্ৰীয় চৰকাৰক এই বছৰ ৬৯২ কোটি টকাৰ project জমা দিছো। তাতে, ১৫ টা Water Reservoir বনোৱাৰ বাবে প্ৰস্তাৱ দিছো। কেন্দ্ৰীয় গৃহ মন্ত্ৰী সন্মানীয় অমিত শ্বাহ ডাঙৰীয়াই কৈছিল যে অসমত পুখুৰী বনোৱা হ'ব আৰু অসমৰ বানপানী প্ৰতিৰোধ কৰা হ'ব। তেতিয়া বহু ব্যক্তিয়ে পুখুৰী বনোৱাটোক লৈ তাচ্ছিল্য কৰিছিল। অখিল গগৈ ডাঙৰীয়াই তাচ্ছিল্য কৰিছিল নে নাই নাজানো কিন্তু বহুত ব্যক্তিয়ে কৰিছিল। আজি তেখেতেই ক'লে যে Reservoir বনাব লাগে। আচলতে, গৃহ মন্ত্ৰী ডাঙৰীয়াই হিন্দীত কৈছিল পুখুৰী বুলি আৰু আপুনি, মই ইংৰাজীত Reservoir বুলি কঁলো। পাৰ্থক্য এইটোৱেই। অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আমাক কথা দিছে যে অতি সোনকালে অসম চৰকাৰক প্ৰায় ৬০০-৬৫০ কোটি টকা দিব আৰু আমি ইতিমধ্যে ১৫ টা Reservoir বনাবলৈ DPR বনাই কেন্দ্ৰীয় চৰকাৰক জমা দিছো। আমি কেন্দ্ৰীয় চৰকাৰৰ ওপৰত গভীৰভাৱে আশাবাদী যে ধনৰ আৱণ্টন পাম আৰু এই Reservoir সমূহ পৰ্যায়ক্ৰমে আৰম্ভ কৰিম। ১৫ টা Reservoir ৰে অসমৰ বানপানীৰ সমস্যা সম্পূৰ্ণ সমাধান হ'ব বুলি নকওঁ। কিন্তু, এটা কথা ঠিক যে আমি যিখিনি structural কাম কৰিছো তাত যথেষ্ট বানপানীৰ সমস্যা সমাধান হৈছে। অধ্যক্ষ মহোদয়, আপুনি যদি আজি ধেমাজি জিলাত চায়, তাত ৭০% বানপানী নাইকিয়া হৈছে। মৰিগাওঁ জিলাতো ৭০% বানপানী নাইকিয়া হৈছে। তেখেতৰ সমষ্টিতে মথাউৰি

বনাব লাগে বুলি কোৱাত মথাউৰি বনাই দিছো। গতিকে তেখেতৰ সমষ্টিতো নিশ্চয়কৈ বানপানী কম হৈছে। মাজুলী, লখিমপুৰত বানপানী সমস্যাৰ সমাধান নিশ্চয়কৈ ৭০%লৈকে হৈছে বুলি মই দৃঢ়তাৰে কওঁ। অধ্যক্ষ মহোদয়, বি.টি.চি.ত আপোনাৰ সমষ্টিত আমি শুক্লাই নদীত কেনেকৈ কি কাম কৰিছো আৰু তাৰ কেনেকুৱা সুফল পাইছো আপুনি নিশয়কৈ জানে। সেয়েহে মই আকৌ কৈছো, এনেকৈ World Bankৰ কাম আমি বৰপেটা, গোৱালপাৰা, লাহৰীঘাট আদিকে ধৰি অসমৰ প্ৰত্যেকটো সমষ্টিতে পুঁজি সাপেক্ষে কৰিবলৈ চেষ্টা কৰিছো। আমি অকল structural কাম কৰিয়েই অৰ্থাৎ মথাউৰি বনাই বানপানীৰ সমস্যা সমাধান কৰিবলৈ বিচৰা নাই। অন্য কামবিলাকো কৰিছো। এই ক্ষেত্ৰত আমি আগবাঢ়িছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই আগতেও মোৰ এটা সমস্যাৰ বিষয়ে অৱগত কৰিছিলো। তেওঁ ইতিমধ্যে ADB ৰ জৰিয়তে মোৰ সমষ্টিত ভালেখিনি কাম কৰিছে। তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। ADB ৰ দ্বাৰা তেওঁ যিখিনি কাম কৰিলে, তাৰ মাজে মাজে কিছুমান পুৰণা মথাউৰি বেয়া হৈ আছে। মই বিভাগীয় মন্ত্ৰীৰ লগতে অফিচাৰসকলকো জনাইছো যে ADB ৰ কাম চলি থকা অৱস্থাত, মাজৰ যিখিনি কাম অলপ অলপ বেয়া হৈ আছে, সেইখিনি যদি একেবাৰে কৰি নাযায় তেতিয়াহ'লে ADB ৰ কামখিনি পুনৰ বেয়া হোৱাৰ সম্ভাৱনা আছে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো যে এইখিনি কাম কৰি দিব নেকি? লগতে, মন্দিৰা Nc অঞ্চলৰ খহনীয়া সম্পৰ্কত মই যোৱাবাৰ বিধান সভাত উত্থাপন কৰিছিলো, মন্ত্ৰী মহোদয়ে কৰিম বুলি কৈছিল কিন্তু, কিছু পুঁজিৰ অসুবিধা থকা বুলিও কৈছিল। গতিকে, মই অনুৰোধ কৰিছো যে মন্দিৰা Nc ৰ যিখিনি খহনীয়া যিটো জলজলী নদীৰ দ্বাৰা হৈ আছে, এইখিনি কাম এইবাৰ কৰি দিব নেকি?

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি মই কংগ্ৰেছ দলৰ সদস্যা গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো। অখিল গগৈ ডাঙৰীয়াক ইতিমধ্যে ধন্যবাদ জ্ঞাপন কৰিলো। আমি যে লোন লওঁ, সেই বিষয়ে বাহিৰত তেওঁলোকে লোন ল'ব নালাগে বুলি কয় আৰু বিধান সভাত লোন লাগে বুলি কয়। অৰ্থাৎ তেখেত সকলে লোন লোৱাৰ ক্ষেত্ৰত ন্যায্যতা প্ৰদান কৰিছে .....Interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি অদৰকাৰী কথা বিলাক কৈ নাথাকি মূল কথালৈ আহক না। কিয় অনবৰতে অদৰকাৰী কথা কৈ থাকে?.....Interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** লোন লোৱা কথাবিলাক আপোনালোকে ইমান আস্ফালন কৰে .....Interruptions....

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়, উত্তৰটো দিয়ক ...........Interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** চাৰ, অকণমান সময় দিয়ক। এতিয়া যিহেতু Parliamentary Affairs মন্ত্ৰী নহয়, কথা ক'বলৈ বেছি সময় নাপাম। সেয়েহে ক'বলৈ অলপ সময় দিয়ক। চাৰ, কথাটো এনেকুৱা যে তেওঁলোকে বাহিৰতে গৈ TV ত কৈ দিব যে হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ অসমখন শেষ কৰিলে....Interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি আচল কথাটোলৈ আহক। বাইদেউয়ে যিটো সুধিছে, তৰ উত্তৰ দিয়ক.....Interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মই একো অদৰকাৰী কথা কোৱা

নাই। আপোনালোকে বাহিৰত অদৰকাৰী কথা কয়.....Interruptions....

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** উত্তৰটো বিচাৰিছো চাৰ।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মই উত্তৰটো দিম বাইদেউ.....Interruptions....

**মাননীয় অধ্যক্ষঃ** উত্তৰতে আপোনাৰ আঁচনিৰ কথা কৈ যাব...Interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** বাইদেউৰ কামটো কৰি দিয়ক। বেলেগ কথা বাদ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মই ক'ম বুলি কৈছো নহয়। বাইদেউয়ে দেখোন ক'লে তেওঁৰ তাত ADB ৰ কাম হৈ আছে। মই মাত্ৰ কৈছো যে ADB ৰ পৰা লোন লোৱাটোক আপোনালোকে ন্যায্যতা প্ৰদান কৰিলে। এই কথাটো মই বাৰে বাৰে ক'ম আৰু আপোনালোকে স্বীকাৰ কৰক। ডৰিকা নদীৰ project টোও লোন লৈ কাম আৰম্ভ কৰা হৈছিল। বিধান সভাত আহি কয়, লোন লৈ হ'লেও কাম কৰি দিয়ক আৰু বাহিৰত গৈ কয় যে লোন লৈ লৈ হিমন্ত বিশ্ব শৰ্মাই অসমখন শেষ কৰিলে। বাহিৰত ইমান ৰাজনীতি কিয় কৰিব লাগে? গতিকে, মই অনুৰোধ কৰিছো যে এনেধৰণৰ কথাবোৰ যাতে বাহিৰত নকয়।

মাননীয় সদস্যাগৰাকীৰ সমষ্টিত আমি ইতিমধ্যে কেইবাটাও আঁচনি লৈছো। তাত SOPD, ADBৰো আঁচনি লৈছো। তেখেতৰ সমষ্টিত ৰাস্তা, মথাউৰি পকীকৰণো কৰিছো। আৰু কেইটামান কাম আছে। তেখেতৰ লগত মাজে মাজে মোৰ কথা হয়। সেইকেইটা কাম কৰিবলৈ চেষ্টা কৰিম। ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতিঃ** চাৰ, অকল লোনৰ কথাই নহয়, মিতব্যয়িতাৰ কথাও আছে। সেই ক্ষেত্ৰতো চৰকাৰে যাতে মনোযোগ দিয়ে। কাৰণ CAG Report তো আছে আৰু Supreme Court য়েও কিছুমান আঁচনি কমাবলৈ কৈছে। গতিকে, চৰকাৰে এইখিনিও ল'ব লাগে। অকল লোনৰ ওপৰতেই নহয়।

**মাননীয় অধ্যক্ষঃ** ৰফিকুল ইছলাম.......Interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** আঁচনি কমাব লাগে যদি তেওঁলোকৰ সমষ্টিত কাম দিয়া নহ'ব। আঁচনি কমাব লাগিলে আপোনালোকে আঁচনি নাপাব ।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়া, মথাউৰিৰ কথা চলি আছে। বেকী নদীতো World Bank ৰ কাম চলি আছে। মাননীয় মন্ত্ৰী মহোদয়ে দুবছৰ আগত তালৈ গৈছিল। কিন্তু, এই বেকী দলঙৰ ২০০ মিঃ এনেকুৱা গৰাখহনীয়া হৈছে যে ধুবুৰীৰ পৰা আমিনগাওঁ হৈ মুখ্যমন্ত্ৰীৰ সমষ্টিৰ মাজেৰে গুৱাহাটীলৈ অহা এই State Highway ত দুবছৰৰ পৰা গধূৰ যান-বাহনৰ চলাচল বন্ধ হৈ আছে। ই বৰ দুখৰ কথা। ১ কোটি ৭২ লাখ টকা আৱন্টন হৈ আছে কিন্তু Guide Plan নথকাৰ বাবে কাম কৰিব পৰা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে PWD ৰ লগত আলোচনা কৰি মাত্ৰ ৪/৫ কোটি মান টকা আৱন্টন দিলে হৈ যাব। অখিল গগৈ ডাঙৰীয়াৰ লগত নতুনবন্ধুত্ব হোৱাৰ বাবে তেওঁক কেইবা কোটি টকা দি দিলে। আমি বেয়া পোৱা নাই। মাত্ৰ আমাৰ ক্ষেত্ৰত এইখিনি কৰি দিলে ভাল হয়। শেষত, সৰু কথা এটা ক'ম। World Bank- ৰ অধীনত বেকী দলঙৰ প্ৰায় ডেৰ কিঃমিঃ আছিল। তাৰ ১০০ মিঃ খহাই লৈ গ'ল। যোৱা বছৰ কাম চলি থাকোতে তাত খহনীয়া হৈ মাজতো ৫০মিঃ খহালে। কিন্তু এইবাৰ খৰালিত তেওঁলোকে কাম কৰা নাই। গতিকে, World Bank ৰ ongoing scheme যিবোৰ খহনীয়াত খহাই নিলে তাৰ কাম কৰিব লাগে। কলাইবাটা, কাউৰজাহি, খাৰবাল্লি এইবোৰতো

আঁচনি আছে। এতিয়া খৰালিৰ সময় গৈ আছে। সেয়েহে সোনকালে কামখিনি আৰম্ভ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** অখিল গগৈ ডাঙৰীয়াৰ সমষ্টিত কাম দিছো কাৰণে তেখেতৰ গা পুৰিছে। এনেকুৱা হ'ব নালাগে। কাৰণ World Bank ৰ আঁচনি তেওঁৰ সমষ্টিৰ বেকী নদীতে প্ৰথম আৰম্ভ কৰিছিলো। ADB ৰ অধীনত অখিল গগৈৰ সমষ্টিত কাম আৰম্ভ হ'বহে। আপোনাৰ তাত কাম সম্পূৰ্ণ হ'ল। আমি কাকো discrimination কৰা নাই সেয়া মই দৃঢ়তাৰে ক'ম। য'ত বানপানী হৈছে তাত মই পুঁজি দিবলৈ চেষ্টা কৰিছো। মাননীয় সদস্য গৰাকীয়ে অখিল গগৈ ডাঙৰীয়াক indirectly কটাক্ষ কৰিলে। আচলতে .....Interruptions....

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** আপোনাকো মই ধন্যবাদ দিছো। মই Guide Plan টোৰ বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** তাত সৰু issue এটা আছে। মই আপোনাৰ কথাটো মানি লৈছো। আচলতে সেইটো PWD ৰ ৰাস্তা। আমি PWD ৰ লগত আলোচনা কৰিম। যেতিয়া গৰাখহনীয়া হয় তেতিয়া আমি কৰিম নে গড়কাপ্তানী বিভাগে কৰিব, তাত confusion হয়। তাৰ বাবে ই ৰৈ আছে। গতিকে, এইটো আলোচনা কৰি কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং-০৬। শ্ৰী আফতাব উদ্দিল মল্লাহ।

মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আফতাব উদ্দিল মল্লাহ (জলেশ্বৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা প্ৰশ্ন দিছিলো। প্ৰথমটোৰ উত্তৰত দিছে যে জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বুঢ়াবুঢ়ী থানৰ গৰাখহনীয়াৰ প্ৰতিৰোধ অলপ হৈছে, কিন্তু ৰক্ষা পৰিছে। কিন্তু, ৰক্ষা মুঠেও পৰা নাই। থানখনৰ মাত্ৰ অলপমান হে আছে। থানৰ মূল পথচোৰা, যিটো পথেৰে মানুহ গৈ মন্দিৰত সোমায়, সেই পথটো শেষ হৈ গৈছিল, যোৱাবাৰ মই LAD ৰ টকাৰে এটা বান্ধ দিছিলো। অহা বাৰিষাত সেইটো আকৌ ছিগি যাব। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে সেই ফাগুটোত যোৱা যিটো মূল পথ, সেই পথটো ৰক্ষা কৰিবলৈ আৰু বুঢ়া-বুঢ়ী থানখন ৰক্ষা কৰাৰ বাবে আপুনি কিবা ব্যৱস্থা লওঁক। সেইটো হ'ল মোৰ প্ৰথম প্ৰশ্ন। এইটোৰ উত্তৰ দিয়ক দ্বিতীয়টো আৰু ক'ম।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতৰ সমষ্টিত আমি ২০২২-২৩ চনত আঠ কোটি ১১ লাখ টকাৰ এখন আঁচনি দিছিলো, তাৰ কাম চলি আছে। তেখেতৰ যিকেইটা কাম আছে মই নোট কৰি ল'ম। Temporary measures ত কিমানখিনি কৰিব পাৰো, তাৰ কাৰণে মই seriously প্ৰচেষ্টা চলাম আৰু তেখেতৰ সমষ্টিত আমি কেইবাটাও আঁচনি হাতত লৈছো। আমি DPR বনাই আছো, কিন্তু পুঁজি সাপেক্ষে অধ্যক্ষ ডাঙৰীয়া সেই কামখিনি সোনকালে কৰি দিবলৈ চেষ্টা কৰিম। অধ্যক্ষ ডাঙৰীয়া তাৰে এটা হ'ল Forest protection measures to Burha-Bhuri Than US and DS reach on left bank of river Brahmaputra. তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া ২৬ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰিছো, পুঁজি সাপেক্ষে সেই কামখিনি সোনকালে কৰিবলৈ যত্ন কৰিম। এইটোৰে আৰু পিছৰ প্ৰশ্নটো পিছত দিম।

**অধ্যক্ষ মহোদয়ঃ** next.

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ ঃ** ভালে হ'ব।

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, Temporary measures ৰ বাবে আমাৰ কোনো ধৰণৰ সমস্যা নাই। আমাৰ সকলো সদস্যই ১২৬ গৰাকী মোক বাদ দি ১২৫ গৰাকী সকলোকে জনাব খুজিছো যে Temporary measures ত যদি কিবা Geo-bag, porcupines লাগে,আমি যিমানখিনি লাগে সিমানখিনি দিম। মুঠৰ ওপৰত অধ্যক্ষ ডাঙৰীয়া, মই আগতেও কেইবাবাৰো কৈছো, আমি generally কি কৰো নৱেম্বৰ মাহৰ পৰা মে' মাহলৈকে permanent protection ৰ কৰো। আকৌ মে' মাহৰ শেষৰ পৰা october মাহলৈকে Temporary measures ত কাম কৰো। কোনোবা কোনোবাই কেতিয়াবা কয় যে এই বিভাগটোৱে অকল বানপানীৰ সময়তহে কাম কৰে। আচলতে এইটো নহয়। বানপানীৰ সময়ত কাম কৰিবই লাগিব। কিন্তু বানপানীৰ কামখিনি Temporary measures লৈকেহে। কিন্তু অধ্যক্ষ ডাঙৰীয়া তাৰ কাৰণে আমি আজিকালি Geo-bag হওঁক বা porcupines হওঁক উপলব্ধ ৰাখো। মই বানপানীৰ সময়ত বহুত সদস্যৰ লগত কথা পাতিয়ে থাকো। বহুত সদস্যই মোক অনুৰোধ কৰে। আমি লগে লগে Geo-bag, porcupines দি দিওঁ আৰু subsidiary থকা প্ৰত্যেকখন জিলাত ৫০ হাজাৰৰ পৰা ১ কোটি টকা প্ৰত্যেক বছৰে দিওঁ। গতিকে আমি Temporary measures ৰ কামখিনি খুব ভালকৈ কৰো। অধ্যক্ষ মহোদয় আমি যদি ক'ৰবাত মথাউৰি ভাঙিছে, এবাৰ আমাৰ অখিল গগৈ ডাঙৰীয়াৰ প্ৰশ্নত আমি উত্তৰ দিছিলো। ৮টা মঠাউৰি ভাঙিছে, আমি প্ৰত্যেকটো মথাউৰি ১৫ ৰ পৰা ৫০ দিনৰ ভিতৰত মেৰামতি কৰিছিলো। আগতে যিহেতু mechanism নাছিল, গতিকে আমি খুব তৎপৰতাৰে, আন্তৰিকতাৰে কৰিবলৈ চেষ্টা কৰিছিলো। কেতিয়াবা কেতিয়াবা এনেকুৱা নহয় যে অকল অসম চৰকাৰৰ বাজেটৰ গোটেইখিনি টকা water resource তে দি দিব এনেকুৱা নহয়। আমাৰ টকাৰ সীমাবদ্ধতা আছে। গতিকে সকলোখিনি কাম মন থাকিলেও কৰিব নোৱাৰো। কিন্তু মন নাই বুলি কেতিয়াও নকওঁ আৰু কাম কৰিবলৈ চেষ্টা নকৰা বুলি আপোনালোকে কেতিয়াও নাভাবিব, কাম কৰিবলৈ নিশ্চয়কৈ চেষ্টা কৰিম।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ ঃ** মহাশয়, মোৰ দ্বিতীয়টো প্ৰশ্ন আছিল, জলেশ্বৰ বিধানসভাৰ তুলসীবাৰীৰ পৰা ফকিৰগঞ্জলৈকে প্ৰায় ৪০ কিঃমিঃ ত কেইটামান vulnerable পইন্ট আছে, সেইকেইটাৰ কাম কৰিবই লাগিব। কিবা এটা কৰি হ'লেও Temporary measures কৰি হ'লেও যেনেকুৱা তুলসীবাৰী, মোৱামাৰী, ৰৌৰভিতা, জলেশ্বৰ বিল, জলেশ্বৰ লংকা, কাকীমাৰি, নিচানপুৰ, বুঢ়া-বুঢ়ী থান, মন্দিয়া, সুন্দৰপাৰ আদি অঞ্চল। এই যিকেইটা অঞ্চলৰ কথা ক'লো, এই অঞ্চল কেইটা খুবেই প্ৰয়োজন। কেনেকুৱা গৰাখহনীয়া হয়, অৱস্থা নাই আৰু কিমান ঘৰ-বাৰী গৈ আছে। মই প্ৰত্যেকবাৰে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছিলো। এনেকুৱা নহয় যে কাম হোৱা নাই, কাম হৈছে অলপ-চলপ। আপুনি kindly এই যিকেইটা vulnerable পইন্ট আছে, সেইকেইটাৰ কাম কৰি আমাৰ অঞ্চলকেইটা ৰক্ষা কৰক।

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ জনাম যে তেখেতে আজিয়েই আমাৰ chief Engineer গৰাকীক লগ ধৰিব আৰু Temporary measures ৰ কামখিনি খুব strongly কৰিবলৈ প্ৰচেষ্টা চলাম।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ৭। শ্ৰী ৰাজেদ আলী চৌধুৰী।

**শ্ৰী ৰাজেদ আলী চৌধুৰী,দক্ষিণ শালমৰা ঃ** চাৰ, বুঢ়া-বুঢ়ী থান জলেশ্বৰ সমষ্টিৰ আছিল। কিন্তু বৰ্তমান এইটো ব্ৰিচিংজোৰোৱা সমষ্টিত আহিছে। গতিকে মোৰো প্ৰশ্ন আছিল কিন্তু প্ৰশ্নটো

writtenত গুচি গৈছে। যি কি নহওঁক বুঢ়া-বুঢ়ী থানটো এখন ঐতিহাসিক থান। প্ৰতি বছৰে তাত এখন মেলা হয়। গতিকে এইটো ৰক্ষা কৰাৰ বাবে আমাৰ জলেশ্বৰ সমষ্টিৰ বিধায়কেও কৈছে, মই ও request কৰো যে যেনে তেনে তাত এখন আঁচনি ধৰিব লাগে আৰু বুঢ়া-বুঢ়ী থানৰ পৰা ফকিৰগঞ্জলৈকে, ইতিমধ্যে আমাৰ মন্ত্ৰী মহোদয়ে ফকিৰগঞ্জ এৰিয়াৰ ডেৰ কিঃমিঃ protectionৰ বাবে প্ৰতিশ্ৰুতি দিছে আৰু লগতে কামো আৰম্ভ হৈছে আৰু তাৰ কাৰণে ধন্যবাদ জনাইছো। কিন্তু এৰিয়াটো আছিল ৪ কিঃমিঃ। একেবাৰে vulnerable এৰিয়া। ৪ কিঃমিঃ, ডেৰ কিঃমিঃ এইবাৰ হৈ যাব। কিন্তু আঢ়ৈ কিঃমিঃ বাকী থাকিব। এই খিনি কিবা এটা ব্যৱস্থা নকৰিলে তেতিয়া আমি ফকিৰগঞ্জো ৰাখিব নোৱাৰো। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে আমাৰ এই আঢ়ৈ কিঃমিঃত যিকোনো উপায়ে protectionৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে আমাৰ দক্ষিণ শালমাৰাৰ প্ৰশ্নটোৰ উত্তৰৰ বাবে এটা ADP ৰ আঁচনি প্ৰস্তুত কৰা হৈছে আৰু আগৰ বিধান সভাত মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল যে এইটো 2nd phase ত কামটো হ'ব। গতিকে ADPৰ কামটো 2nd phase ত হ'বনেকি, এইটো জানিব বিচাৰিম।

**অধ্যক্ষ মহোদয়ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, ADP আঁচনিৰ কামটো 2nd phaseত নহ'ব, 3rd phase লৈকে যাব। কিন্তু তাৰ কাৰণে প্ৰস্তুতি আৰম্ভ কৰিছে। ফকিৰগঞ্জত তেখেতৰ লগতে মই গৈছিলো। সচাঁকৈ ফকিৰগঞ্জ টাউন খনৰ অৱস্থা খুব বেয়া। তৎক্ষণাত আমি প্ৰায় ২ কিঃমিঃৰ কাম আৰম্ভ কৰিছো। অধ্যক্ষ ডাঙৰীয়া ভৱিষ্যৎ সময়তো আমি সেইখিনি কাম কৰিবলগীয়া হ'ব।**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে । ধন্যবাদ।

**অধ্যক্ষ মহোদয়ঃ** প্ৰশ্ন নং ৭। শ্ৰী আবুল কালাম ৰশিদ আলম।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূৰ) সদস্যঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ সময়ত উত্তৰ ভালদৰে স্পষ্টকৈ পোৱা নাই।

**অধ্যক্ষ মহোদয়ঃ** আপুনি সেইবাবে supplementary কৰক।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূৰ) সদস্যঃ** অধ্যক্ষ মহোদয়, মোৰ পোনপটীয়া প্ৰশ্ন APART Scheme চলি আছে আৰু APART ৰ দ্বাৰা লোৱা আঁচনি সমূহত কাম সম্পূৰ্ণ হৈছে নেকি আৰু যিবিলাক কাম সম্পূৰ্ণ হৈছে এতিয়ালৈ তেওঁলোকে ঠিকাদাৰ সকলক payment দিয়া হোৱা নাই কিয়? মই আৰু প্ৰশ্ন কৰিছিলো বীজৰ। বীজৰ supplyবিলাক কোনে দিয়ে? বীজ বিলাক যেতিয়া supply দিয়ে , সেই বীজ বিতৰণ কৰাৰ কিবা নিয়ম আছে নেকি? কেনেকৈ বিতৰণ কৰা হয় তাৰ কিবা guideline আছে নেকি?

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূৰ) সদস্যঃ** অধ্যক্ষ মহোদয়, এইখিনি কথা স্পষ্টকৈ জনাবলৈ বীজ যেতিয়া দিয়া হয়, দিয়া পিছত তাতে খেতিয়ক আহে নে বেপাৰী আহে নাজানো। কাক দিয়ে আমি গম নাপাওঁ।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী মহোদয়। Next supplementary পিছত কৰিব।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূৰ) সদস্যঃ** অধ্যক্ষ মহোদয়, ৬টা supplementary বাকী আছে।

**অধ্যক্ষ মহোদয়ঃ** নাই নাই, এতিয়া বহুত দেৰি হৈ যাব।

**শ্ৰী আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূব) সদস্যঃ** অধ্যক্ষ মহোদয়, মই একেবাৰে কৈ যাওঁ। মই যিকেইটা প্ৰশ্ন কৰিম, উত্তৰ দিব পাৰিলে দিব, নোৱাৰিলে মই দিব নোৱাৰিম বুলি ক'ব। তাৰ পিছত বীজ লৈ গ'ল, আমি যে ধান ক্ৰয় কৰো, ক্ৰয় কৰি FCI ক দিওঁ। FCI ৰ পৰা আকৌ PDH licence থকা মিল বিলাকত milling কৰিবলৈ দিওঁ আকৌ আমি FCI ক দিওঁ। তাৰ পিছত আমি চাউল টো লওঁ। মোৰ প্ৰশ্ন যে FCI ক নিদি এই ধন খিনি direct যিহেতু মিল বিলাকত PDH ৰ licence আছে, direct আমি mill বিলাকক দি সেই চাউলখিনি নিব নোৱাৰো নেকি ? মাজত FCI ক কিয় টানি আনিব লাগে, মোৰ এইটো পোনপটীয়া প্ৰশ্ন। বাকীখিনি আৰু ক'ম। গতিকে মই যিখিনি ক'লো আৰু APART ৰ দ্বাৰা যিখিনি মই ক'লো payment পোৱা নাই, কিছু কাম আধৰুৱা হৈ আছে, কৈছে সম্পূৰ্ণ হৈছে কিন্তু সম্পূৰ্ণ হোৱা নাই। এতিয়া market set লোৱা হৈছে যেনেকুৱা নাবাং market set চোতালৰাৰা market set আৰু শিঙাবাৰী market set কাম কেতিয়াবাই সম্পূৰ্ণ। payment কিয় এতিয়ালৈকে হোৱা নাই আৰু আধৰুৱা কাম যেনেকৈ ৰাস্তা লোৱা হৈছে যেনেকৈ মামাৰবাৰী, চিলাৰপাৰা আৰু পাহাৰচিংপাৰা তেনেকুৱা বহুত ৰাস্তা লোৱা হৈছে। ঠিকাদাৰে পইচা নোপোৱাৰ বাবে আধৰুৱাকৈ ৰাখিছে। ইয়াৰ উত্তৰ স্পষ্ট হ'ব লাগে।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদস্য গৰাকীক এইটো কথা জনাব বিচাৰিছো, আপোনালোকে জানে যে APART য়ে আমাৰ ৰাজ্যখনত অকল কৃষিখণ্ডতে নহয়, বিভিন্ন sector ত ইতিমধ্যে বহুখিনি কাম কৰিছে। আচলতে APART instrumental,APART য়ে Agriculture landscape transforming ৰ ক্ষেত্ৰত যিখিনি কাম কৰিছে বা ৰাজ্যখনত APART ৰ জৰিয়তে যিখিনি কাম হৈ আছে তাৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিছিলো। তেখেতে কৈছে যে কাম কৰিছিলো কিন্তু payment পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, World Bank ৰ কিছুমান নিৰ্দিষ্ট criteria আছে আৰু তেওঁলোকে বহু কেইটা দিশ চায়। গতিকে তেওঁ payment ৰ কথা যিটো কৈছে সেইটো নহয়, World Bank য়ে systematic manner ত payment টো কৰি আছে আৰু যিসকলে পাবলৈ আছে তেওঁলোকে নিশ্চয় পাব। APART টো আচলতে এতিয়া closing লৈ গৈ আছে। সেইকাৰণে আমি বহুখিনি নতুন পৰিকল্পনা কৰিছিলো যদিও সেইখিনি এতিয়া APART ৰ জৰিয়তে কৰা সম্ভৱ নহ'বগৈ। অন্যান্য বিভাগৰ জৰিয়তে সেই কামখিনি কৰা হ'ব। তথাপিও আমি APART ৰ জৰিয়তে বহুখিনি কাম কৰিছো। ইতিমধ্যে আমি ৰাজ্যখনত ADO ৰ কাৰ্য্যালয়, road upgradation,common facility centre, 35 টা warehouse আৰু তেনেধৰণৰ বহুত কেইটা কাম আমি APART ৰ জৰিয়তে কৰিছো।

সন্মানীয় সদস্য গৰাকীয়ে যি বীজ বিতৰণৰ কথা কৈছে, মই কৈছো যে এটা সময় আছিল যেতিয়া ৯০ শতাংশ বীজ বহিঃৰাজ্যৰ পৰা ক্ৰয় কৰা হৈছিল। আমি যোৱা দিনবিলাকত self sufficient হ'ব পৰাকৈ আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ guidance ত নিজাবৰীয়াকৈ ২৮ খন seed village ত seed production কৰাকে ধৰি অন্যান্য যিখিনি support কৃষকসকলক দিছে, তাৰ পৰা বীজ উৎপাদন হৈছে। বীজ বিতৰণৰ ক্ষেত্ৰত সন্মানীয় সদস্যসকলে জানে যে তাৰবাবে এটা বিভাগ আছে। District Agriculture office আছে, Sub-division বিলাকত SDO বা অন্যান্য অফিচাৰ আছে। তেওঁলোকৰ জৰিয়তে বীজবিলাক

বিতৰণ কৰা হয়। এইক্ষেত্রত মই ভাৰো নিজৰ নিজৰ সমষ্টিত সন্মানীয় সদস্যসকলে যদি ভালদৰে লক্ষ্য ৰাখে তেনেহ'লে প্রকৃত কৃষকসকলে নিশ্চয় লাভ কৰিব। কিছুমান জিলাত বহুত খেলিমেলি আছে। খেতি নোহোৱা মানুহবিলাকে বীজবিলাক নিব বিচাৰে। এনেবোৰ কাৰণত বহু ঠাইত মাজে মাজে বহুত খেলিমেলি হয় আৰু তেনে অভিযোগ পালে আমি তৎকালে ব্যৱস্থা লওঁ।

FCI ৰ ওপৰত মাননীয় সদস্য গৰাকীয়ে যিটো প্রশ্ন কৰিছে, মই FCI ৰ পৰা তথ্য আনি তেখেতক উত্তৰটো দিছো। তথাপি যদি তেখেত সন্তুষ্ট নহয়, তেনেহ'লে সন্মানীয় Food & Civil Supplies and Consumer Affairs বিভাগ আছে আৰু তাৰ মন্ত্রী ডাঙৰীয়াও আছে, তেখেতক যদি পোনপটীয়াকৈ প্রশ্ন কৰে তেনেহ'লে নিশ্চয় মাননীয় সদস্য গৰাকীয়ে তেখেতৰ প্রশ্নৰ উত্তৰ পাব। মোৰ ফালৰ পৰা যিখিনি সম্ভৱ সেইখিনি মই সদনত দাখিল কৰিছো।

**শ্রী আবুল কালাম ৰশিদ আলম, পুৱ গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী ডাঙৰীয়া হয়তো ভালদৰে জ্ঞাত নহয়। মই বাৰে বাৰে তেখেতক পোনপটীয়া উত্তৰটো সুধিছো। কিন্তু তেখেতে দিব পৰা নাই। মই কৈছো যে Administrative Approval(AA) ওলোৱাৰ পাছত তাৰ payment টো কিয় পোৱা নাই? APART ৰ guideline মতে কাম সম্পূর্ণ হৈছে।

**শ্রী অতুল বৰা, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জনামতে তেখেতৰ সমষ্টিত তেখেতে বিচৰা ধৰণে কিছুমান কাম APART ৰ জৰিয়তে হৈছে। ----interruption----

**শ্রী আবুল কালাম ৰশিদ আলম, পুৱ গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে আধৰুৱা কামবিলাক হ'বনে নাই?

**মাননীয় অধ্যক্ষ ঃ** সেইকাৰণে মই কৈছো যে আপুনি প্রশ্নবিলাক to the point কৰক। ইয়াত debate নহয়। -------interruption----

**শ্রী আবুল কালাম ৰশিদ আলম, পুৱ গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই কৈছো যে যদি এই আধৰুৱা কামবোৰ APART ৰ জৰিয়তে নহয় তেতিয়াহ'লে বেলেগ আঁচনিৰ জৰিয়তে সম্পূর্ণ কৰিব নে নাই?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। No arguments please. মাননীয় মন্ত্রী ডাঙৰীয়া।

**শ্রী অতুল বৰা, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সুধিব লাগিছিল যে কামটো কেতিয়া হ'ব কিন্তু তেখেতে সুধিছে যে পইচাটো কেতিয়া পাব? এই প্রশ্নটো ঠিকাদাৰৰহে হ'ব লাগে। সন্মানীয় সদস্যগৰাকীয়ে প্রশ্নটো সুধাৰ কাৰণ কি?

**মাননীয় অধ্যক্ষ ঃ** শ্রী আশ্রাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ADO কাৰ্য্যালয় হওক বা knowledge centre হওঁক,এইবিলাক যদিও RIDF ত sanction পাব লাগিছিল। কিন্তু sanction নোপোৱাকৈ তেওঁলোকে advertise কৰিলে যে RIDF ত sanction পাইছে। গতিকে payment হোৱা নাই আৰু কাম pending হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যাতে এইটো payment clear কৰি দিয়ক, কাম-কাজ সকলো শেষ হৈ যাওঁক। মোৰ দুই নম্বৰ কথাটো হৈছে যে এই যি ADO কাৰ্য্যালিয় আৰু knowledge centre বনালে, সেইবিলাক কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইবিলাক বৰ্তমান ভূতবাংলা হৈ আছে। তাৰবাবে কি ব্যৱস্থা আছে মন্ত্ৰী মহোদয়ে জনাব লাগে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই ইতিমধ্যে সদনৰ মজিয়াত কৈছো যে ৯৩ টা ADO কাৰ্য্যালয় নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল। যিখিনি ADO কাৰ্য্যালয় নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে সেইখিনিৰ বহুখিনিয়ে কাৰ্য্যক্ষম হৈছে আৰু যদি কৰবাত বাকী আছে মাননীয় সদস্যগৰাকীয়ে মোক আঙুলিয়াই দিলে মই নিশ্চিতভাৱে সেই আধৰুৱা কামবোৰ কৰিবলৈ চেষ্টা কৰিম। সন্মানীয় সদস্য গৰাকীয়ে মোক details কথাখিনি যদি ব্যক্তিগতভাৱেও জনাই দিয়ে তেখেতে যিখিনি issue আনিছে সেইখিনি মই resolve কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, APART ৰ জৰিয়তে ৰাজ্যখনৰ বজাৰেই হওঁক বা ৰাস্তা-ঘাটেই হওঁক সেয়া যথেষ্ট উন্নত কৰাৰ আমাৰ সুযোগ আছিল। কিন্তু এই বিভাগৰ দুৰ্বলতাৰ কাৰণে বা অমনোযোগীতাৰ কাৰণে আমি বহুত সুযোগ হেৰুৱাইছো। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়া লৈ মোৰ প্ৰশ্ন যে পৰবৰ্তী সময়ত এনেকুৱা ধৰণৰ কিবা আঁচনি আহিলে বিধায়ক সকলৰ লগত জড়িত কৰি বিভাগৰ লগত এখন মিটিং কৰাব লাগে। তেতিয়া এই বিভাগ যথেষ্ট উপকৃত হ'ব আৰু মন্ত্ৰী ডাঙৰীয়াৰো নাম হ'ব। কিন্তু বিধায়ক সকলক আঁওতাৰ বাহিৰত ৰাখি কামখিনি কৰিবলৈ যাওঁতে APART ৰ পৰা বহু অসমীয়া বঞ্চিত হ'বলগীয়া হৈছে। বহুখিনি উন্নয়নৰ কাম কৰিব পৰা নাই। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়া লৈ মোৰ প্ৰশ্ন যে APART ৰ নিচিনা যদি আন আঁচনি আহে তাত বিধায়কসকলক জড়িত কৰিব নে নাই?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে জানে যে ভাৰতবৰ্ষৰ বহু কেইটা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আৰু ৰাজ্য চৰকাৰৰ বহুকেইটা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত District Level Selection Committee থাকে, য'ত বিধায়ক সকলো সেই কমিটিৰ সদস্য হয় বা তেখেতসকলৰো প্ৰতিনিধি থাকে। আমাৰ প্ৰায় বিলাক চিলেকশ্যনেই, আমি ট্ৰেক্টৰেই দিওঁ বা পাৱাৰ টিলাৰেই দিওঁ অন্য তেনেধৰণৰ কিবা বেনিফিচাৰী ৰিলেটেড যদি তেনেকুৱা কিবা তালিকা বনাব লগীয়া থাকে আমি বিধায়ক সকলক জড়িত কৰো। তেনেধৰণে কিবা যদি পোৱা

নাই সেইখিনি আঙুলিয়াই দিলে মই নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টাৰ সময় শেষ হ'ল।

**শ্ৰী মানৱ ডেকা, বিধায়ক, লখিমপুৰ ঃ** মাননীয় অধ্যক্ষ, তিনিদিন আগত বিপ্লৱ শৰ্মাৰ কমিটিৰ ৰিপোৰ্ট সদনত দাখিল হৈছে। গতিকে আমি বিচাৰো যে তাৰ ওপৰত আলোচনা হ'ব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাৱৰ ওপৰত আলোচনা কৰাৰ সুযোগ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Please silent. সভা স্থগিত প্ৰস্তাৱ মই পাইছো আৰু সভা স্থগিত প্ৰস্তাৱৰ ক্ষেত্ৰত আমাৰ এটা traditional কথা কৈ থাকে যে admissibility ওপৰত কোৱাৰ সুযোগ দিব লাগে। গতিকে এই কাৰণে শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া আপুনি দুই মিনিটত কথাখিনি কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, বিধায়ক, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ...........

.....................................সদনত হুলস্থুল.....................................

চিণ্ডিকেটৰ ওপৰত আলোচনা হব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো admissibility ৰ ওপৰত। সভা স্থগিত প্ৰস্তাৱ যিখিনি পাইছিল, গোটেই বিষয় বিলাক গুৰুত্বপূৰ্ণ। কিন্তু এইটো আমি বেলেগ শিতানত আলোচনা কৰিব পাৰো আৰু সেইবাবে আজি মই আজি যি চাৰিখন সভা স্থগিত প্ৰস্তাৱ পাইছিলো সেইটো মই নাকচ কৰি দিছো। আজি সভা স্থগিত প্ৰস্তাৱৰ ওপৰত কোনো আলোচনা নহ'ব। আজি আমাৰ সদন নৰমেলী চলিব। গতিকে এতিয়া শূন্যকালীন ঘন্টা।

....................................সদনত হুলস্থুল.......................................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল এই বিষয়টো আমি বেলেগ শিতানত আলোচনা কৰিব পাৰিম। সকলো বিষয়েই গুৰুত্বপূৰ্ণ। কিন্তু এতিয়া আমাৰ আজিৰ গোটেই বিষয়টোৰেই গুৰুত্বপূৰ্ণ। গতিকে আজি সেইটো নালাগে। আজি আমাৰ Governor's Address ৰ ওপৰত motion of thanks ৰ ওপৰত আলোচনা আছে। আজি সাধাৰণতে সভা স্থগিত নহয়। কাৰণ Governor Address ৰ ক্ষেত্ৰত সভা স্থগিত প্ৰস্তাৱ আনিব নালাগে। আমাৰ Kaul and Shakdher ৰ Practice and Procedure ত উল্লেখ কৰিছে যে Adjournment Motion are normally not allowed during the Budget discussion and during the discussion on the Motion of Thanks of Governor's Address. As members have sufficient opportunity for this discussion.

..............................................সদনত হুলস্থুল...................................................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই ১০ মিনিটৰ কাৰণে House adjourned কৰিলো।

(Hon'ble Deputy Speaker on the Chair)

**মাননীয় উপাধ্যক্ষ ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ **২৩০** ৰ অধীনত যোৱা **১৭** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখে বিয়লি **৩-১০** বজাত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা মাননীয় ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ ওপৰত হ'বলগীয়া ধন্যবাদ সূচক প্ৰস্তাৱৰ বিতৰ্কৰ সময় বিধায়িনী দল সমূহক আৱণ্টন দিয়াৰ বিষয়ে আলোচনা কৰিবলৈ আৰু **২০২৪-২০২৫** চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ ওপৰত ভোটদান তথা অগ্ৰাধিকাৰ ভিত্তিত বিভাগ সমূহ আলোচনা আৰু সময় আৱণ্টনৰ বাবে বি টি চি (কোকৰাঝাৰ)

বিধান সভাৰ কক্ষৰ অধ্যক্ষৰ অস্থায়ী কাৰ্য্যালয়ত অনুষ্ঠিত কৰা হৈছিল ।

সভাই চলিত অধিৱেশনৰ দিনপঞ্জীখন কিছু সালসলনি কৰি এদিনৰ কৰ্মদিন বৃদ্ধি কৰি অহা **২১** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখ **২০২৪-২০২৫** চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ ওপৰত ভোটদান আৰু আলোচনাৰ উপৰিও মঞ্জুৰী সমূহৰ বাকী থকা পৰিপূৰক দাবী সমূহ সদনত ভোটদানৰ বাবে দাখিল কৰা তথা **২০২৫** বৰ্ষৰ অসম বিনিয়োজন (নং - I) বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত লয় ।

অহা **১৯** আৰু **২০** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ উপৰিও শূন্যকালীন ঘণ্টা, নিয়ম-**৫৪** , বিশেষ প্ৰসঙ্গ (নিয়ম-**৩০১**) ইত্যাদি সদনৰ কাৰ্য্যসূচীত ৰখাৰ সিদ্ধান্ত সভাই গ্ৰহণ কৰে

সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত হ'বলগীয়া ধন্যবাদ সূচক প্ৰস্তাৱৰ বিতৰ্কৰ সময় তলত উল্লেখ কৰা ধৰণে আৱণ্টন দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ঃ

মুঠ সময় ঃ ৫ ঘণ্টা (৩০০ মিনিট)

| | | |
|---|---|---|
| (১) | ভাৰতীয় জনতা পাৰ্টি | ঃ ১৫৩ মিনিট (মুখ্যমন্ত্ৰীৰ উত্তৰসহ) |
| (২) | ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ ৬২ মিনিট |
| (৩) | অসম গণ পৰিষদ | ঃ ২২ মিনিট |
| (৪) | সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ ৩৬ মিনিট |
| (৫) | ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ ১৭ মিনিট |
| (৬) | বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ ৮ মিনিট |
| (৭) | কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ ৩ মিনিট |
| (৮) | নিৰ্দ্দলীয় | ঃ ৩ মিনিট |

সভাত দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদ ভাৱে আলোচনা হোৱাৰ পিছত সমিতিয়ে সৰ্বসন্মতিক্ৰমে অগ্ৰাধিকাৰ ভিত্তিত দাবী মঞ্জুৰীৰ বাবে নিম্নোল্লেখিত দাবী সমূহ সদনত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ।

| ক্ৰমিক নং | মঞ্জুৰী নং | দাবীৰ নাম | অগ্ৰাধিকাৰ ভিত্তিত নিৰ্দ্ধাৰিত নং |
|---|---|---|---|
| **১।** | **৬** | ভূমি ৰাজহ | **১** |
| **২।** | **৪১** | প্ৰাকৃতিক দুৰ্যোগ | |
| **৩।** | **৬৪** | লোক নিৰ্মাণ (পথ) | **২** |

**২১ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে দাবী মঞ্জুৰী আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰ ঃ-**

মুঠ সময় ঃ **৩** ঘণ্টা **৩০** মিনিট

| | | |
|---|---|---|
| (১) | ভাৰতীয় জনতা পাৰ্টি | ঃ ১০৭ মিনিট (মন্ত্ৰীৰ উত্তৰসহ) |
| (২) | ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ ৪৩ মিনিট |
| (৩) | অসম গণ পৰিষদ | ঃ ১৫ মিনিট |
| (৪) | সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ ২৫ মিনিট |
| (৫) | ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ ১২মিনিট |
| (৬) | বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ **৫** মিনিট |
| (৭) | কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ ২ মিনিট |
| (৮) | নিৰ্দ্দলীয় | ঃ ২ মিনিট |

এতিয়া Rule -301 ৰ ওপৰত আলোচনা হ'ব।

**শ্ৰী মানৱ ডেকা, (লখিমপুৰ) ঃ** উপাধ্যক্ষ মহোদয় আমি বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ওপৰত আলোচনা কৰিব বিচাৰিছো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদনত অলপ আগতে যি উমৰাংছুৰ কয়লাখনিৰ দুৰ্ঘটনা আৰু ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ ওপৰত আলোচনাৰ ওপৰত দাবী উত্থাপন হৈছিল, আপুনি যি ধৰণে পাৰে এই দুয়োটা বিষয়ৰ কাৰণে সময় নিৰ্দ্ধাৰণ কৰিব আৰু আমি উত্তৰ দিবৰ বাবে বা আলোচনা কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা সাজু আছো। দ্বিতীয়তে কোকৰাঝাৰত মই মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াক প্ৰতিশ্ৰুতি দিছিলো যে বিজেপি দলৰপৰা আমি ১০ মিনিট সময় তেখেতক দিম যাতে তেখেতে কোকৰাঝাৰত ক'ব বিচৰা কথাখিনি ক'ব পাৰে। সেই কাৰণে দাবী মঞ্জুৰীয়েই হওঁক, ৰাজ্যপালৰ ভাষণেই হওঁক বা বাজেটৰ সময়তেই হওঁক, আপুনি ১০ মিনিট সময় যেনেকে পাৰে তেখেতক আমাৰ পৰা দি দিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**আমিনুল ইছলাম (জ্যেষ্ঠ), ধিং :** উপাধ্যক্ষ মহোদয়, ইয়াত আমাৰো এটা adjournment Motion আছিল। সেইখিনিও আলোচনাত আনিলে ভাল হয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ issue টো আৰু শাসকপক্ষৰ issue, দুয়োটা issue আলোচনা কৰা হ'ব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** আমাৰ issue টো ছিন্দিকেটৰ ওপৰত আছিল। গতিকে আলোচনাত আনিলে ভাল হয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু সম্পূৰ্ণ এটা বাজেট অধিৱেশন অনুষ্ঠিত হ'ব এমাহৰ বাবে, গতিকে উমৰাংছুৰ কয়লাখনি , ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ ওপৰত আলোচনা, ছিন্দিকেটৰ ওপৰত আলোচনা, Detention Camp ৰ উপৰিও আৰু যদি কিবা আলোচনাৰ বিষয় থাকে তেন্তে এই সকলোবোৰ বিষয়েই আমি আলোচনা কৰিম। আজি সদন

স্থগিত হোৱা কাৰ নে যিহেতু শূন্যকালীন ঘন্টাৰ সময় উকলি গ'ল গতিকে কাইলৈ যিহেতু ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্তৰ দিব লাগিব গতিকে শূন্যকালীন ঘন্টাৰ যিখিনি বিষয় এই এমাহৰ বাজেট অধিৱেশনৰ ভিতৰত কোনোবা এটা দিনত দি দিলে হ'ব।

**মাননীয় উপাধ্যক্ষঃ** আমি এইটো আলোচনা কৰি সময়টো নিৰ্দ্ধাৰণ কৰি আপোনালোকক জনাম। এতিয়া কাৰ্য্যসূচী নং - ৪ Under Rule 301. মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (গুৱাহাটী পশ্চিম) ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি মই গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হ'ল "দক্ষিণ - পূৰ পানী যোগান আঁচনি ক্ষিপ্ৰ গতিত কৰিবলৈ দাবী"। ৰাজ্য চৰকাৰে বৃহত্তৰ গুৱাহাটীৰ পৰিয়াল সমূহক বিশুদ্ধ পানী যোগানৰ বাবে তিনিটা বৃহৎ পানী যোগান আঁচনি গ্ৰহণ কৰিছিল। সেই তিনিটা হ'ল- দক্ষিণ - মধ্য গুৱাহাটী পানী যোগান আঁচনি, দক্ষিণ- পূৰ গুৱাহাটী পানী যোগান আঁচনি আৰু এটা হৈছে দক্ষিণ- পশ্চিম গুৱাহাটী পানী যোগান আঁচনি। ইতিমধ্যে দক্ষিণ - মধ্য গুৱাহাটী পানী যোগান আঁচনিৰ কাম ভাল ধৰণেই হৈছে আৰু এই আঁচনিৰ জৰিয়তে যিখিনি অংশ বাকী আছে মই আশা ৰাখিছো নিশ্চয় মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ ব্যৱস্থা লৈ নিৰ্দিষ্ট সময়ৰ ভিতৰত এই কামখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব। ঠিক তেনেকৈ দক্ষিণ- পশ্চিম গুৱাহাটী পানী যোগান আঁচনিৰ কাম ২০০৮ চনতেই আৰম্ভ কৰা হৈছিল, প্ৰথম অৱস্থাত Gammon ক প্ৰায় ৩৯০ কোটি টকা অনুদানেৰে এই কামটোৰ দায়িত্ব দিয়া হৈছিল, কিন্তু পৰৱৰ্ত্তী সময়ত মাননীয় মুখ্যমন্ত্ৰীৰ হস্তক্ষেপত Gammon ক অব্যাহতি দি L&T Corporation ক দায়িত্ব দিয়া হৈছে। ইতিমধ্যে L&T Corporation এ এই কাম হাতত লৈছে কিন্তু দক্ষিণ- পশ্চিম যিটো পানী যোগান আঁচনিৰ বাবে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী বোধহয় ২৮৩ কোটি টকা এটা অতিৰিক্ত আগবঢ়াইছে, মই মাননীয় মন্ত্ৰীক এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে L&P ক দিয়াৰ পাছত এই কামটো ক্ষীপ্ৰতাৰে আগবাঢ়িছে যদিও কিছু অসুবিধাৰও সৃষ্টি হৈছে। সেই অসুবিধাটো হৈছে যেNational Highway ৰে NOC লাগে ।গতিকে ইতিমধ্যে আমাৰ জল বোৰ্ডে আবেদনো কৰিছে। যদি মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অলপ যোগাযোগ কৰি NOC যদি তৎকালিন ভাবে উলিয়াব পাৰে, তেতিয়া হ'লে কামটো তীব্ৰগতিত আৰম্ভ হ'ব আৰু এই পানী যোগান আঁচনি আমাৰ জালুকবাৰীৰ পৰা গড়চুক, গড়চুকৰ পৰা ফটাশিল আৰু লগতে পাহাৰ অঞ্চল, অৱশ্যে আজাৰাৰলৈকে বৃষ্টিত সেইখিনিৰ সমস্যা হোৱা নাই। বাকী এইখিনিৰ এটা ডাঙৰ সমস্যা হৈছে যে আমাৰ যিহেতু জালুকবাৰীৰ পৰা গড়চুক হৈ গনেশ পাৰা ইতিমধ্যে De-limitation ত এইটো জালুকবাৰীৰ সমষ্টিত অৰ্ন্তভুক্ত হৈছে,আৰু Central Guwahati যিটো মোৰ বৰ্তমান সমষ্টি সেইটোত আকৌ আমাৰ যিটো শান্তিপুৰ দূৰ্গাসৰোবৰ পাহাৰ অঞ্চল, এই অঞ্চলখিনিৰ কাম যি ভাবে হ'ব লাগিছিল হোৱা নাই। মই আশা ৰাখিছো যে এই কামখিনি কৰাৰ ক্ষেত্ৰত যদিহে মাননীয় মন্ত্ৰীয়ে এটা ভাল ভাবে নিৰীক্ষণ কৰে কামখিনি কৰাৰ ক্ষেত্ৰত L&P ক প্ৰেচাৰ দিয়ে তেতিয়া হ'লে মই ভাবো যে এই কামখিনিও নিশ্চয় সোনকালে হ'ব। এটা বিশেষ ভাবে অসুবিধা হৈছে, যে যি তিনিটা বৃহৎ প্ৰকল্পৰ কাম চলি আছে, এই প্ৰকল্প কেইটাৰ যিবিলাক পথেৰে আমাৰ গাত খান্দি, যিবিলাক পাইপ পুতি থকা হৈছে, যিখিনি ৰাস্তাৰ কাম, সেই ৰাস্তাৰ কামখিনি মানে সাময়িক ভাবে কৰা হৈছে। গাতখিনি পুতিছে আমি আগতে এই ৰাস্তা বিলাক মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক টকা দিছিল, তেনেধৰণে আমি সুন্দৰ ভাবে ৰাস্তাবিলাক কৰিছিলো।

কিন্তু যি ভাবে ৰাস্তাখিনি পুনৰ নিৰ্মাণ কৰিব লাগে তেনে ধৰণে পুনৰ নিৰ্মাণ কৰা হোৱা নাই। গতিকে মই ভাবো যে এই ৰাস্তাৰ কামখিনি যদি লোক নিৰ্মাণ বিভাগক দায়িত্ব দিয়া হয়, যদি লোক নিৰ্মাণ বিভাগে পুনৰ মেৰামতিৰ ক্ষেত্ৰত ব্যৱস্থা লয় তেতিয়া হ'লে ৰাস্তাখিনি আগৰ নিচিনা অৱস্থালৈ আহিব আৰু তেতিয়া সেই ৰাস্তাখিনি যাতায়তৰ যথেষ্টখিনি সূচল হ'ব। ঠিক তেনেকৈ আমাৰ যিটো দক্ষিণ পূৱ পানীযোগান আঁচনি এইটো ইতিমধ্যে বাতৰি কাকতটো প্ৰকাশ কৰিছে যে দক্ষিণ পূৱ যিটো পানীযোগান আঁচনিটো ADB য়ে এই কামটো ফাণ্ডিং কৰিছিল। কিন্তু যিমান খিনি পুঁজি দিছিল, মই জনাত পুঁজিখিনি শেষ হৈছে। এতিয়া NBB ৰ লগত বোধহয় আলোচনা হৈছে NBB ৰ লগত এগ্ৰিমেন্ট হৈছে। এইটো ২০১৩ চনতেই আৰম্ভ হৈছিল গতিকে ইয়াত ৰাইজে ইতিমধ্যে অসন্তুষ্টিও প্ৰকাশ কৰিছে। মই ভাবো যে দক্ষিণ পূৱ পানীযোগান আঁচনিৰ কামটো যাতে যদি NBBৰ লগত বুজাবুজি হৈছে বা তেনেধৰণে ফাণ্ড দিয়াৰ ব্যৱস্থা লৈছে, তৎকালীন ভাবে সেই খিনি কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লয় তাৰ বাবে মই বিশেষ ভাবে অনুৰোধ ৰাখিছো, আৰু এই কামখিনি যাতে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত মই আশা ৰখিছো যে আপোনালোকে সময় সীমা এটা বান্ধি দিয়ক যে অহা ডিচেম্বৰৰ ভিতৰত যাতে এই কামখিনি সম্পূৰ্ণ কৰিব পাৰে। যদি আমাৰ লাচিত বৰফুকনে এটা নিশাৰ ভিতৰতে যদি মোমাই কটা গড় নিৰ্মাণ কৰিব পাৰে। মই এটা নিশাৰ ভিতৰত কৰিব দিয়া নাই, অহা ডিচেম্বৰৰ ভিতৰত যাতে এই কামখিনি সম্পুৰ্ণ কৰিব পাৰে, তাৰ বাবে ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাইছো। মই জানো আমাক নতুনকৈ মাননীয় মন্ত্ৰীক দায়িত্ব দিছে, দক্ষ মন্ত্ৰী। গতিকে দক্ষ মন্ত্ৰী হিচাবে কথাৰে নহয় যাতে কামেৰে তেওঁৰ দক্ষতাটো প্ৰকাশ কৰে, ৰাইজে যাতে তেওঁৰ দক্ষতাটো স্বীকাৰ কৰি লয়, তাৰ কাৰণে ডিচেম্বৰৰ ভিতৰত এই পানী যোগান আঁচনিৰ কাম সম্পুৰ্ণ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী জয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাদেৱে ৩০১ ৰ জৰিয়তে যিটো প্ৰশ্ন আনিছে গুৱাহাটী মহানগৰৰ পানী যোগানৰ, ইয়াত দুটা sector ৰ কথা কৈছে, এটা দক্ষিণ পশ্চিম আৰু এটা দক্ষিণ পূৱ গুৱাহাটী । দক্ষিণ পশ্চিম গুৱাহাটীৰ যিটো পানীযোগান আঁচনি আছিল, সেইটো ১০৭ MLDৰ , ১০৭ MLDৰ দক্ষিণ পশ্চিম গুৱাহাটীৰ পানীযোগান আঁচনিটো ২০০৮ চনত JNNURMৰ ভিতৰত জৱাহৰলাল নেহেৰু গ্ৰাম্য নগৰ অভিযানৰ জৰিয়তে এই কামটো আৰম্ভ কৰা হৈছিল আৰু এইটো ২০০৮ চনৰ পাছত ২০১১ চনৰ পৰা তাৰ কাম আৰম্ভ হৈছিল। সেই সময়ত এই গোটেই কামটো গেমনক দিয়া হৈছিল আৰু ৩০ হাজাৰ পৰিয়ালক পানী যোগান দিবৰ কাৰণে এই আঁচনিটো কৰা হৈছিল। কিন্তু দুৰ্ভাগ্যবশত গেমনৰ কামৰ অতি লেহেমীয়া গতি বা কাম একেবাৰে কৰিব নোৱাৰাৰ কাৰণে আমাৰ চৰকাৰ অহাৰ পাছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০২২ চনত তেওঁলোকক কামৰ পৰা আতৰাই এতিয়া নতুনকৈ L&P আৰু B.K. Associates দুটা নতুন পাৰ্টীক দিয়া হৈছে আৰু ইয়াৰ জৰিয়তে কামাখ্যা অঞ্চলৰ যিটো এৰিয়া আছে তাত এতিয়াও ১৫ শ মানুহে পানী পাই আছে। ৩০ হাজাৰ পৰিয়ালে পানী পোৱাৰ কথা আছিল আৰু L&P ৰ যিটো পাৰ্ট আছিল সেইটো ২৪ হাজাৰ পৰিয়ালক পানী দিয়াৰ কাৰণে আৰু B.K. Associates ৰ পাৰ্টটোৰ পৰা ৬ হাজাৰ পৰিয়ালক পানী দিয়াৰ ব্যৱস্থা আছিল। তাত ১৫শ পৰিয়ালে পানী পাই আছে। এই যিটো ২৪ হাজাৰ পৰিয়ালৰ কাৰণে L&P য়ে কাম কৰি আছে, মোটামুটিকৈ ভাল গতিত কাম চলি আছে। National Highway ইত্যাদিৰ লগত যিখিনি অসুবিধা আছে, আমি সেইখিনিও যোগাযোগ কৰি আছো আৰু মই আশা

কৰো যে ২০২৫ চনৰ ডিচেম্বৰ মাহৰ পৰা পৰ্য্যাক্রমে পানী দিয়া আৰম্ভ হ'ব আৰু ২০২৬ চনৰ ভিতৰত আমি শেষ কৰিব পাৰিম বুলি এটা লক্ষ্য আগত ৰাখি আগবাঢ়িছো। গতিকে ৩০ হাজাৰ পৰিয়ালৰ ২৪ হাজাৰ পৰিয়ালক আমি ২০২৫ চনৰ ডিচেম্বৰৰ পৰা আৰম্ভ কৰিম আৰু ২০২৬ চনৰ বছৰটোৰ ভিতৰত আমি শেষ কৰিব পাৰিম বুলি আমাৰ লক্ষ্য আছে, বা সেই ধৰণে আমি কাম কৰিব বিচাৰিছো আৰু কাম্যাখ্যা বা এই অঞ্চলৰ যিটো আছে, তাত ১৫ শ মানুহে পানী পাই আছে। ইতিমধ্যে আমি কাম্যাখ্যালৈ যিটো transmission line সেইটোৰ কামো আৰম্ভ কৰিবলৈ লৈছো আৰু মই ভাবো যে এইটো আমি অহা বছৰৰ ভিতৰত সম্পুৰ্ণ কৰিব পাৰিম। ঠিক তেনেদৰে আমাৰ যিটো দক্ষিণ পূৱ গুৱাহাটীৰ পানী যোগান আঁচনি আছিল এই দক্ষিণ পূৱ গুৱাহাটীৰ পানী যোগান আঁচনিটো মুঠ ৬৭৩২৫ টা পৰিয়ালক পানী দিবৰ কাৰণে ইয়াত কাম আৰম্ভ কৰা হৈছিল আৰু এইটো প্ৰথমতে ADB ৰ পৰা কৰা হৈছিল, ADBৰ যেতিয়া কাম কৰা হৈছিল, তেতিয়া তাত প্ৰথম ২০১৩ চনৰ পৰা কাম আৰম্ভ হৈছিল যদিও ২০১১ চনত কাম বিলাক হৈছিল কিন্তু ২০১৩ চনৰ পৰা কাম আৰম্ভ হৈছিল কিন্তু তাৰ যিটো প্ৰতিষ্ঠান আছিল তাতো IVRCL নামৰ এটা প্ৰতিষ্ঠানৰ মানদণ্ড বা কামৰ খুব খেলিমেলি হোৱাৰ কাৰণে তেওঁলোকক ২০১৫ চনত কামৰ পৰা অব্যাহতি দিয়া হয়। তাৰ পাছত শিভম প্ৰাঃ লিঃ কাম দিয়া হয় আৰু তেওঁলোকৰ জৰিয়তে ৩৭ কোটি টকাৰ মুল পৰিবাহী পাইপ লাইন আৰু অন্যান্য তথা ৩টা TP ত ঠাইত Reserver North Jyoti Nagar , গোপাল নগৰ আৰু কেন্দুগুৰিৰ ৰিজাৰ্ভাৰ কেইটাৰ কাম সম্পুৰ্ণ হৈছে আৰু বাকী যিখিনি কাম আছে, এতিয়া আমি নতুনকৈ NDBৰ পৰা আমি চুক্তি স্বাক্ষৰ কৰি বা NDBৰ কামখিনি আগবাঢ়ি গৈ আছে। মই ভাবো যে NDBৰ যিখিনি আছে, NDBৰ পৰা আমি ৮৮২.৬৭ কোটি টকা ঋণ হিচাপে লৈ দক্ষিণ পূৱ গুৱাহাটীৰ পানীযোগান আঁচনিটো সম্পুৰ্ণ কৰাৰ লক্ষ্য ৰখা হৈছে আৰু ২য় পৰ্যায়ত এই কাম সমূহ এতিয়া প্ৰথম পৰ্য্যায়ৰ কাম ইতিমধ্যে শেষ হ'ল, সেইখিনিত মাত্ৰ ৩ টা ৰিজাৰ্ভাৰ হৈছে আৰু কিছু লাইন আৰু ৰাস্তাৰ কাম হৈছিল। বাকীখিনি কাম আমি NDBৰ লগত ইতিমধ্যে যিহেতু চুক্তি স্বাক্ষৰিত হৈছে, গতিকে মই ভাবো যে প্ৰথম কোৱাটাৰত NDBৰ কামখিনি হৈ ২য় কোৱাটাৰৰ পাছত আমি ধৰি লৈছো যে আগষ্ট মাহৰ পাছৰ পৰা NDBৰ কাম কণ্ট্ৰেকটৰৰ পৰ্য্যায়লৈ যাব, টেণ্ডাৰ হ'ব কণ্ট্ৰেকটৰৰ পৰ্য্যায়লৈ গৈ কামখিনি আগবাঢ়িব। ঠিক তেনেদৰে গুৱাহাটীৰ যিটো মধ্য, সেইটোৰ কাম খুব সুন্দৰ ভাবে চলি আছে। তাত কিছু ব্যৱস্থা আপোনালোকেও দেখিছে যে কেতিয়াবা ক'ৰবাত পাইপ লাইন ফুটিছে বা এনেকুৱা কিছুমান কাম হৈছিল যিটো আগৰ ঠিকাদাৰে কৰি যোৱা বহুত খেলি মেলিৰ কাৰণে, **আমি সেই পৰ্য্যায়টো এতিয়ালৈকে সঠিক কৰি আনিব পৰা নাই কিন্তু আমি আই আই টি গুৱাহাটীৰ পৰা পোৱা পৰামৰ্শ মতে কাম আৰম্ভ কৰিছো । আপোনালোকে সকলোৱে জানে যে, ইতিমধ্যে ট্ৰেন্সমিশ্যন লাইনত ৰব'টিক চাৰ্ভে পৰ্য্যন্ত আমি আৰম্ভ কৰিছো যাতে ৰ'ব'টিক চাৰ্ভেৰ সহায়ত ক'ত ক'ত জইনত খেলিমেলি হৈছে , ক'ত কেনেধৰনৰ লিকেজ আছে বা হ'ব পাৰে সেইক্ষেত্ৰত ৱেল্ডিঙৰ যিখিনি কাম কৰা হৈছে তাৰে ৰিপোৰ্টসমূহ আমি আনিছো । ইতিমধ্যে প্ৰথম পৰ্য্যায়ৰ ৰ'ব'টিক চাৰ্ভেটো হৈ গ'ল তাত ১২ টা জইনত ডিফিক্ট ধৰা পৰিছে আৰু জইনবিলাক যিখিনি দূৰ্ব্বল হৈ আছে তাত আমি মেৰামতিৰ কাম বিলাক আৰম্ভ দিছো ।**

**শ্ৰীঅখিল গগৈ , শিৱসাগৰ ঃ** ছাৰ, এই ডিপাৰ্টমেন্টটো ফেল মাৰিছে । এতিয়ালৈকে ভালকৈ পানী দিব পৰা নাই । এই বিভাগটোৱে কেৱল লুণ্ঠন চলাইছে ।

**সদনত হুলস্থূল**

**মাননীয় উপাধ্যক্ষ ঃ** প্লিছ বহক , নাথিং উইল গো ইন ৰেকৰ্ড- আপুনি ৰুল জানে প্লিছ চিট ডাউন । অখিল গগৈ ডাঙৰীয়াৰ কোনো কথাই ৰেকৰ্ডত নাযায়।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, বিধায়ক অখিল গগৈ ডাঙৰীয়াৰ বিভাগৰ ওপৰত কোনো জ্ঞান নাই । মই উত্তৰ দি আছো গুৱাহাটী ডেভল'মেন্টৰ ওপৰত । আপুনি বিভাগটোৰ বিষয়ে জানি লওক ।

**শ্ৰীঅখিল গগৈ , শিৱসাগৰ ঃ** ছাৰ, এই ডিপাৰ্টমেন্টটো ফেল মাৰিছে । পি ইইচ ই ডিপাৰ্টমেন্টৰ ওপৰত এনকোৱাৰী দিব লাগে । এই বিভাগটোৱে টকা আত্মসাৎ কৰি শেষ কৰিছে । জল জীৱন মিশ্যন আঁচনি ফেল মাৰিছে । তদন্ত হ'ব লাগে ।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিছ আপুনি বহক । এইটো আপোনাৰ টপিক নহয় । আপুনি বাৰে বাৰে মাজত কিয় অসুবিধা দি আছে ? আপুনি এই বিষয়টো ৩০১ ত আনিব পাৰিব। Please seat down otherwise you will be suspended. please be seated.

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, তেখেতক বিভাগটোৰ ওপৰত অলপ চালিজাৰি চাবলৈ কওক । তেখেতৰ সমষ্টিত কিমান শতাংশ মানুহে জলজীৱন মিশ্যনৰ পানী পাইছে সেইটো তেওঁ নিজেই খবৰ লওক , মই নাম নকও ।

সদনত হুলস্থূল

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ প্লিছ কনক্লুড ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, তেখেতে নিজে বিপ্লৱ শৰ্মাৰ পৰা তিনি লাখ টকা লৈছে ।

সদনত হুলস্থূল

**শ্ৰীঅখিল গগৈ , শিৱসাগৰ ঃ** পি এইচ ই ডিপাৰ্টমেন্ট ফেল কৰিছে । বিভাগে টকা আত্মসাৎ কৰিছে, ইয়াৰ ওপৰত তদন্ত দিব লাগে ।

সদনত হুলস্থূল

**মাননীয় উপাধ্যক্ষ ঃ** বিধায়ক অখিল গগৈ ডাঙৰীয়াক ১০ মিনিটৰ বাবে সদনৰ পৰা চাচপেণ্ড কৰা হ'ল ।

( সদনৰ মাৰ্চেলে বিধায়ক ডাঙৰীয়াক সদনৰ পৰা উলিয়াই লৈ যায় )

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, ৰাকেশ পালৰ পৰা টকা লোৱাৰ উত্তৰ সদনত দিব লাগিব ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ, প্লিছ এড্ৰেছ দ্য চেয়াৰ - আপুনি চিনিওৰ মোষ্ট- আপুনি ৰুল জানে ।

**শ্ৰীশ্বেৰমান আলি, বাঘবৰ ঃ** উপাধ্যক্ষ মহোদয়, পি এইচ ই ডিপাৰ্টমেন্টৰ যিটো কথা উল্লেখ হৈছে সেইটো সত্য ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, পশ্চিম গুৱাহাটী ঃ** উপাধ্যক্ষ মহোদয়, সদনত হস্তক্ষেপ কৰাটো বন্ধ কৰিব লাগে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী( অসম) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতাই এটা প্ৰশ্ন শুধিছে - জয়ন্ত মল্ল বৰুৱাই উত্তৰ দিছে আৰু অখিল গগৈয়ে সেইটো হাইজেক কৰিছে । এইটোৱে সকলোকে ক্ষতি কৰে । তেখেতক ক'বৰ বাবে এটা নিৰ্দিষ্ট সময় দিয়ক। এক ঘন্টামান দি দিয়ক, তেওঁৰ যিখিনি ক'বলগীয়া আছে সেইখিনি গোটেইখিনি কৈ ল'ব

। গোটেই অসমৰ কথাও ক'ব পাৰিব যাতে আন বিধায়কে কোৱাৰ সময়ত অসুবিধা নকৰে । মোৰ তেখেতৰ কথা শুনাত কোনো আপত্তি নাই ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যেটো প্ৰশ্ন কৰিছে সেইটো আমাৰ পশ্চিম দিশত যিটো আছে সেইটো ২০২৫ চনত ডিচেম্বৰ মাহৰ পৰা পানী পাই থাকিব । আৰু ২০২৬ চনত গোটেইখিনি সম্পূৰ্ণ হ'ব । যিটো পূব দিশত আছে সেইটো এডিবি ৰ লগত আমাৰ লোনৰ সংক্ৰান্তত কথা বতৰা হৈছে তাৰ এগ্ৰিমেন্টটো হ'লে আমি টেণ্ডাৰ কৰিব পাৰিম । টেণ্ডাৰৰ এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে কাম সম্পূৰ্ণ হ'ব গতিকে মই আজিতেই ক'ব খোজা নাই কিন্তু আমি আগষ্ট মাহৰ ভিতৰত টেণ্ডাৰ এলোট কৰা পৰ্য্যায়লৈ গুছি যাম ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ, এতিয়া আইটেম নং ৫ - মোশ্যন অৱ থেংকচ অন গৰ্ভনৰ এড্ৰেছ। আমাৰ ৭ টা মোশ্যন আছিল তাৰ ভিতৰত দেৱব্ৰত শইকীয়া আৰু ....... ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, সৰুক্ষেত্ৰী ঃ** ছাৰ, আমাৰ ৩০১ আছিল ।

**মাননীয় উপাধ্যক্ষ ঃ** নাই , এতিয়া সময় শেষ হ'ল - মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অন্য দিনত আনিব পাৰিব।

এতিয়া সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি ৩০১ৰ বাকীখিনি ২৫ মাৰ্চৰ ভিতৰত দিম ।

শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ ছাৰ, আমাৰ ৩০১ এটাহে দিছে, আৰু এটা দিব লাগিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াৰ সময়টো এনেকৈয়ে মিলোৱা হৈছে । আপোনালোকে এনেকৈ কৰিলে সময় নহ'ব । তেখেতৰ প্ৰথমে আছিল বাবে দিয়া হৈছে । তাত আমি কোনো সালসলনি কৰা নাই । এতিয়া দেবব্ৰত শইকীয়া আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়া আৰু তেখেতসকলৰ সতীৰ্থ নৰুল হুদা , শ্বেৰমান আলি আহমেদ , অখিল গগৈ , আশ্ৰাফুল হুচেইন, মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া আপোনালোকৰ এমেণ্ডমেন্টটো উথাপন কৰক । ডিচকাশ্যন নহয় , ইয়াৰ পিচত ডিচকাশ্যনৰ বাবে সময় দিব তেতিয়া আপোনালোকে কৰিব ।

**শ্ৰীদেবব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইংৰাজী ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে মাননীয় ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ ওপৰত আগবঢ়োৱা সংশোধনী প্ৰস্তাৱটো আগবঢ়াইছো ।

মাননীয় উপাধ্যক্ষ ঃ শ্ৰীআব্দুৰ ৰছিদ মণ্ডল

শ্ৰীআব্দুৰ ৰছিদ মণ্ডল , গোৱালপাৰা( পূব ) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইংৰাজী ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে মাননীয় ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ ওপৰত আগবঢ়োৱা সংশোধনী প্ৰস্তাৱসমূহ মই উপস্থাপন কৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলি আহমেদ ।

শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ অনাৰেবল ডেপুটী স্পীকাৰ ছাৰ, I will here by move that a prevent of the motion the following the added namely but regret there is no mentioned in this address about all round development of minorities in the State . After Failure of the government in containing reverberation and appointment of adequate teachers in the educational institutions of the State .

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল মেম্বাৰ আশ্ৰাফুল হুছেইন ।

**শ্ৰীআশ্ৰাফুল হুছেইন , ছেঙা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইংৰাজী ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে মাননীয় ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণত চৰ অঞ্চলৰ মাটিৰ পট্টাৰ বিষয়ে , গড়াখহনীয়া প্ৰতিৰোধ, ডিটেইনশ্যন কেম্পত বন্দী হৈ থকা বন্দীসকলৰ বিষয়ে , সংখ্যালঘু কল্যাণৰ বিষয়ে আৰু চৰ অঞ্চলৰ দূৰ্গম অঞ্চলৰ শিক্ষা ক্ষেত্ৰৰ বিষয়ে উল্লেখ নথকাৰ বাবে সংশোধনী প্ৰস্তাৱ আগবঢ়ালো ।**

**মাননীয় উপাধ্যক্ষ ঃ** মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইংৰাজী ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে মাননীয় ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণত আগবঢ়োৱা সংশোধনী সমূহ এনেদৰে মই উত্থাপন কৰিব**

**বিচাৰিছো যে ভাষণত বিটিআৰ চুক্তি সম্পৰ্কে কোনো উল্লেখ নাই । এডভান্টেজ আসাম ১.০ যোগে অসমলৈ**

**কিমান পুঁজি আহিল তাৰ কোনো উল্লেখ নাই । আন এটা হৈছে যে, ৰাজহুৱা খণ্ডত কিমান উদ্যোগ বন্ধ হৈ আছে সেই সমূহৰো কোনো উল্লেখ নাই । এই সংশোধনী কেইটা মই সদনত উত্থাপন কৰিছো ।**

**মাননীয় উপাধ্যক্ষ ঃ শ্ৰীঅখিল গগৈ অনুপস্থিত ।** এতিয়া মাননীয় বিধায়ক শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়া।

**শ্ৰী ৰূপক শৰ্মা , (নগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ইংৰাজী ১৭ ফেব্ৰুৱাৰী তাৰিখে কোকৰাঝাৰত হোৱা চলিত বিধান সভা প্ৰথম দিনত কাৰ্য্য সূচীত মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষনৰ ওপৰত এটি ধন্যবাদ সূচক প্ৰস্তাৱ এই পবিত্ৰ সদনত মাননীয় সদস্যৰ সৰ্মথনৰ কাৰণে দাঙি ধৰিছিলো । উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনত চৰকাৰ খনে কৰা যোৱা বছৰ আৰু এই বছৰৰ কামৰ এক সুন্দৰ প্ৰতিচ্ছৱ ফুটি উঠিছে। এই ক্ষেত্ৰত মই এটা কথা ক'ব লাগিব যে এইবাৰৰ বাজেট অধিবেশনৰ প্ৰথমটো দিন আমাৰ প্ৰত্যেক গৰাকী সদস্য/সদস্যৰ কাৰণে এক ঐতিহাসিক দিন আছিল কাৰণ এইবাৰ পোন প্ৰথম বাৰৰ বাবে দিশপুৰৰ সলনি কোকৰাঝাৰত অসম বিধান সভাৰ প্ৰথমটো দিন অনুষ্ঠিত হৈছিল। আৰু এই ক্ষেত্ৰত আমি প্ৰত্যেক গৰাকী সদস্য/সদস্যই গৌৰৱ অনুভৱ কৰিছিলো যে যি কোকৰাঝাৰ এক সময়ত অশান্ত জৰ্জৰ হৈ আছিল আৰু তাত থকা বড়ো লোক সকলে নিজৰ অধিকাৰ সাব্যস্ত কৰিবৰ কাৰণে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰিছিল আৰু সেই কোকৰাঝাৰত আমি আজি বিধান সভাৰ অধিবেশেন অনুষ্ঠিত কৰিব পাৰিছো। মোৰ দৃষ্টিত কোকৰাঝাৰ অধিৰেশন দুটা বিশেষ দিশত গুৰুত্বপূৰ্ণ আছিল। প্ৰথম টো হ'ল আজি অসমৰ প্ৰতিটো ঠাইত শান্তি বিৰাজ কৰিছে। অসম আজি অশান্ত নহয়, অসম আজি প্ৰগতিৰ পথত- উন্নতিৰ পথত। এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ যি সৱল নেতৃত্ব তাৰ ফলত অসম আজি প্ৰগতিৰ পথত। আৰু আন এটা কথা হ'ল এই কোকৰাঝাৰ অধিবেশনত আমি এটা কথা লক্ষ্য কৰিলো যে আমাৰ চৰকাৰৰ ফালৰ পৰা অসমৰ সকলো ঠাইত সমউন্নয়ন বিৰাজমান আৰু সকলো জাতি জনগোষ্ঠিৰ মাজত সম্প্ৰীতি বিৰাজমান। আৰু লগতে গণতান্ত্ৰিক প্ৰমূল্যবোধ প্ৰতিস্থা হৈছে। অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰভূক্ত যি বোৰ স্থান আছে সেইবোৰ BTR ৰে হওঁক বা ডিমাহাছাওঁ আৰু কাৰ্বি আংলং হওঁক সেই সকলো ঠাইত উন্নয়ন বিৰাজমান হৈছে আৰু লগতে সেই ঠাইবোৰ পৰ্য্যটকৰ আকৰ্ষণ স্থলিলৈ পৰিগণিত হৈছিল। উপাধ্যক্ষ মহোদয়, এতিয়া মই

ৰাজ্যপাল মহোদয়ৰ ভাষনলৈ আহিছো। ৰাজ্য পালৰ ভাষনত চৰকাৰৰ উন্নয়নৰ বিষয়ে যি খিনি উল্লেখ কৰা হৈছে সেইখিনি আংশিকহে ইয়াৰ উপৰিও চৰকাৰে বহুখিনি কাম এতিয়ালৈকে কৰিছে। আৰু এই সময়চোৱাত অসমৰ প্ৰত্যেকটো বিভাগ যেনে জলসিঞ্চন, লোক নিৰ্মান, কৃষি আৰু PHED ইত্যাদি বিভাগে হওঁক এই প্ৰতিটো বিভাগত কাম কৰাৰ এটা সুন্দৰ পৰিৱেশ দেখা পোৱা গৈছে। লোক নিৰ্মান বিভাগৰ ক্ষেত্ৰত তেখেত সকলে কৰা ৰাষ্টা- ঘাটৰ উন্নয়নৰ সুন্দৰ ছবি এখন দেখা পোৱা গৈছে য'ত তেখেত সকলে অসম মালাৰ নিছিনা এক অভিলাখী আঁচনি গ্ৰহণ কৰিছে। ইয়াৰোপৰি জলসম্পদ উন্নয়ন মন্ত্ৰীৰ প্ৰচেষ্টাত অসমত বানপানীৰ সমস্য দূৰ কৰাৰ ক্ষেত্ৰত যেনে মথাউৰি নিৰ্মানে হওঁক যাৰ জৰিয়তে অসমে বানপানীৰ সমস্যাৰ পৰা বহুখিনি সকাহ পাইছে। অসমৰ কলা কৃষ্টি অসমৰ ঐতিহ্য ৰক্ষা কৰাৰ লগতে ইয়াৰ উন্নয়নৰ বাবে অসম চৰকাৰে অবিৰত প্ৰচেষ্টা হাতত ৰাখিছে। আমি যদি লক্ষ্য কৰো মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী যুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ লগতে অসমৰ জনপ্ৰিয় মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম আজি এখন উন্নত ৰাজ্যলৈ ৰূপান্তৰিত হৈছে, বহুত গুৰুত্ব পূৰ্ণ কাম সমাধান হৈছে। এতিয়া অসম ঔদ্যোগিক বিপ্লবৰ দিশত Semi conductor ৰ জৰিয়তে অসম আজি গুজৰাট আৰু মহাৰাষ্ট্ৰৰ দৰে এখন ঔদ্যোগিক ৰাজ্য হিচাপে পৰিগণিত হৈছে। অহা ২৪ আৰু ২৫ ফেব্ৰৱাৰী ২০২৫ তাৰিখে হ'ব লগীয়া Advantage Assam 2.0 জৰিয়তে আমি আশা কৰিছো যে অসমে বিদেশী বিনিয়োগকাৰী সকলক আকৰ্ষিত কৰিবৰ বাবে যি প্ৰচেষ্ঠা লোৱা হৈছে সেইটো সঁচা কৈ আকৰ্ষনীয় হ'ব।ˉ আমি বিভিন্ন ধৰণে এই যে Advantage Assam যোগেদি বিভিন্ন ক্ষেত্ৰত ঔদ্যোগিক সকলে ইয়াত তেওঁলোকৰ যি Invesment কৰাৰ কাৰণে এটা সুন্দৰ পৰিৱেশ হ'ব আৰু ঔদ্যোগিক ক্ষেত্ৰখনত অসম আগুৱাই যাব ।আজি এই চৰকাৰখনে কম সময়ৰ ভিতৰত প্ৰতিশ্ৰুতি দিছিলে ১ লাখ চাকৰী দিয়াৰ বাবে কিন্তু এতিয়া লৈকে প্ৰায় ১.৫ লাখ চাকৰি হ'বলৈ গৈ আছে, আৰু এই সকলোবোৰ চাকৰি সম্পুৰ্ন নিকা আৰু স্বচ্চ ভাবে হৈছে। কিন্তু ইয়াৰ আগৰ চৰকাৰৰ দিনত চাকৰিৰ ক্ষেত্ৰত কি হৈছিল, সেইহে আজি বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন বিধান সভাত দাখিল হোৱাৰ পিছত আজি প্ৰতিবাদ হৈছে পৃষ্ঠা পৃষ্ঠাই কিয় ক'ত কাৰ নাম আছে। আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত APSC কে ধৰি সকলো বোৰ চাকৰিৰ ক্ষেত্ৰত দূৰ্নীতি হৈছিল আৰু এই APSC কেলেংকাৰীত জড়িত বহুতো ব্যক্তিয়ে বৰ্তমানো জেলৰ ভিতৰত আছে। কিন্তু বৰ্তমান চৰকাৰৰ দিনত বিশেষকৈ যোৱা ৪ টা বছৰ ধৰি কোনো এজন ব্যক্তিয়ে ক'ব নোৱাৰে যে কোনোবাই ৰাজনৈতিক হস্তক্ষেপ বা টকাৰ লেন দেনৰ জৰিয়তে চাকৰি পাইছে। মই আশা কৰিছো যে আগন্তুক Advantage Assam 2.0 জৰিয়তে আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ লগতে অন্যান্য কেবিনেট মন্ত্ৰী সকলেও বহুতো উচ্চস্তৰীয় সভা সমিতি কৰিলে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত যাৰ ফলত আজি দক্ষিন কোৰিয়া, জাপান, বৃটেইন আৰু থাইলেণ্ড ইত্যাদি দেশৰ পৰা বিনিয়োগকাৰী সকল আহিব আৰু আমাৰ ইয়াত বিনিয়োগ কৰিব। ভৰতৰ প্ৰধান মন্ত্ৰী, আমাৰ কেবিনেট মন্ত্ৰী ভাৰত বৰ্ষৰ উদ্যোগপতি আছে তেওঁলোকে আহি অসমত তেওঁলোকৰ মত বিনিময় কৰিব।আমি যদি অসমত উদ্যোগ বুলি ক'ব লাগে তেতিয়া হ'লে অসমৰ প্ৰথম উদ্যোগ হৈছে চাহ উদ্যোগ।আৰু আমাৰ এই চাহ বাগান বিলাকৰ এটা বিশেষ নৃত্য হৈছে ঝুমুৰ নৃত্য। অহা ফেব্ৰুৱাৰী মাহৰ ২৪ তাৰিখে অসমৰ চাহ বাগান বিলাকৰ ৮ হাজাৰ যুৱক-যুৱতী সকলে এই নৃত্য প্ৰদৰ্শন কৰিব সৰুসজাই Stadium ত। আৰু আমি এই ক্ষেত্ৰত আশা কৰিছো যে বিগত সময়ত যি ধৰণে বিহু নৃত্যক ১১ হাজাৰ অসমীয়া যুৱক যুৱতীৰ দ্বাৰ প্ৰদৰ্শিত কৰি Guinness Book of World Record ত অৰ্ন্তভূক্ত কৰিছো ঠিক সেই

ধৰণে ঝুমুৰ নত্ৃ্যকো একে ধৰণে আশা কৰিছো যে এই নৃত্যয়ো বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত হ'ব। উপাধ্যক্ষ মহোদয়, ২০২৪-২৫ বৰ্ষতো অসমৰ কাৰণে এক ঐতিহাসিক সময় কাৰণ এই সময়তে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পালে আৰু এইটো আমাৰ প্ৰতি গৰাকী অসমীয়াৰ বাবে আনন্দৰ ক্ষণ যেতিয়াই এই অসমীয়া ভাষাই ধ্ৰুপদী ভাষালৈ স্বীকৃতি পালে অসমৰ চুকে কোনে অসমৰ প্ৰত্যেক গৰাকী ব্যক্তিয়ে এক আনন্দ উদ্‌জাপন কৰিছিল। এটা সময়ত অসমৰ প্ৰত্যেক গৰাকী ব্যক্তিয়ে চিন্তা কৰিছিল যে এই অসমীয়া ভাষাটো নাইকীয়া হৈ যাব নেকি! আজি এইখন চৰকাৰে অসমীয়া ভাষাক অকল ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াই নহয়, অসমৰ প্ৰতিখন স্কুলত অষ্টম মান শ্ৰেণী লৈকে ইয়াক বাধ্যতামূলক কৰিছে। অকল এইয়াই নহয় চৰাইদেউ মৈদামক UNESCO য় বিশ্ব প্ৰসিদ্ধ অঞ্চল হিচাপে স্বীকৃতি দিছে। ইয়াৰোপৰি মাধৱদেবৰ জন্মস্থান লক্ষীমপুৰ জিলাৰ নাৰায়নপুৰ এতিয়া এক সামাজিক- সাংস্কৃতিক স্থলী হিচাপে বিবেচিত হৈছে। মই য'ত বাস কৰো তাৰ ওচৰতে অৱস্থিত বটদ্ৰৱা থান শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান আৰু এই বটদ্ৰৱা থানত ১৮৪ কোটি টকাৰে এক বৃহৎ প্ৰকল্পৰ কাম আৰম্ভ হৈছে আৰু মই ভাৱো অতি কম দিনৰ ভিতৰতে এই প্ৰকল্পটো সম্পূৰ্ন হ'ব। কিন্তু আগৰ কোনো চৰকাৰে এই বটদ্ৰৱাৰ নিচিনা পৰ্য্যটকৰ আকৰ্ষন স্থলী বিষয়ে কোনো ধৰণৰ চিন্তা কৰা নাছিল। আজি শিৱসাগৰৰ ৰংঘৰে হওঁক বা মা কামাখ্যা মন্দিৰৰ প্ৰৱেশ দ্বাৰৰ কাম বিলাক এই বছৰত নিৰ্মাণ হ'বলৈ গৈ আছে। আৰু মই আশা কৰো ২০২৬ চনৰ ভিতৰতে এই প্ৰকল্প সমূহৰ কামবোৰ সম্পৰ্ূন হ'ব। আজি চাহ জনগোষ্ঠীৰ ৫০০ খন চাহ বাগিচাত জগন্নাথ সামুহিক আৰু দক্ষ্য-দাৰ্শনিক প্ৰকল্পৰ কাম চলি আছে। ইয়াৰ লগতে লাচিত বৰফুকনৰ লহদৈগড় নিৰ্মান হ'ল আমি আশা কৰো তাৰ লগতে লাচিত বৰফুকনৰ নামত সগ্ৰহালয় নিৰ্মান হৈ গ'ল আৰু তাৰ লগতে তেখেতৰ নামত প্ৰেক্ষাগৃহ নিৰ্মানৰ কাম চলি আছে। এই ক্ষেত্ৰত মই এটা ক'বই লাগিব লাচিত বৰফুকনৰ বিশ্ব দৰবাৰত প্ৰতিস্থা ক্ষেত্ৰত কোনো ধৰণৰ পদক্ষেপ লোৱা নাছিল। কিন্তু এই চৰকাৰৰ খনে এই ক্ষেত্ৰত বহুদূৰ আগবাঢ়ি গৈছে যাতে লাচিত বৰফুকনক বিশ্ব বাসিয়ে প্ৰতিটো ক্ষেত্ৰত জানিব পাৰি আৰু আমাৰ যুৱপ্ৰজন্মই যাতে লাচিত বৰফুকনৰ বিষয়ে প্ৰতিটো কথাই জানিব পাৰে।ডেৰ লাখ চাকৰি নিযুক্তি হ'ল কেৱল মেধাৰ ভিত্তিত। কিন্তু সকলোকে চাকৰি দিয়াটো সম্ভৱপৰ নহয়, যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰচেষ্টা হাতত লৈছে উদ্যোগীকৰণ কৰি নিৱনুৱাক সংস্থাপিত কৰিবৰ কাৰণে। কিন্তু তাৰ বাহিৰে মুখ্যমন্ত্ৰীৰ উদ্যোগিতা আঁচনি (CMAAA) ৰযোগেদি, সৰু সৰু ব্যৱসায়ৰ যোগেদি যুৱক-যুৱতিসকলক সংস্থাপিত কৰিব পাৰি, ক'ৰবাত এখন মূৰ্গীৰ ফাৰ্মেই হওঁক, এখন চাহ দোকানে হওঁক, তথা এখন বিউতি পাৰ্লাৰেই হওঁক, তাৰ কাৰণে ২ লাখ টকাকৈ যুৱক - যুৱতী দিয়াৰ কাৰণে প্ৰচেষ্টা হাতত লৈছে, যাতে তেওঁলোক স্বাৱলম্বী হ'ব পাৰে।

আজি যদি আমি চাওঁ, অৰুণোদয় আঁচনি, যিখন আঁচনি ভাৰতবৰ্ষৰ ভিতৰতে অত্যন্ত এখন সুন্দৰ আঁচনি। এই আঁচনিখন বেলেগ ৰাজ্যই আজি অনুসৰণ কৰিছে। আগতে এই আঁচনিখনত ২৪ লাখ মহিলা অন্তৰ্ভূক্ত হৈছে, আগন্তুক দিনত প্ৰায় ৩৭ লাখলৈকে এই আঁচনিখনত মহিলাসকল অন্তৰ্ভূক্ত হ'ব, য'ত মাহে মাহে তেওঁলোকৰ মেডিচিনেই হওঁক বা নিত্য ব্যৱহাৰ কৰা সামগ্ৰীয়ে হওঁক ১২৫০ টকাকৈ তেওঁলোকে পাবলৈ সক্ষম হ'ব।

অসমৰ প্ৰত্যেকটো সমষ্টিৰ যাতে সম উন্নয়ন হয়, সকলো ফালৰ পৰা যাতে বিকাশ হয়, তাৰ কাৰণে আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে সম-জিলা। সম-জিলা মানে প্ৰত্যেকটো সমষ্টিৰ সম-অধিকাৰ, এই প্ৰচেষ্টাটো হাতত লৈছে যাতে অসমখন যাতে সমানে আগুৱাই যাব পাৰে।

মিছ্ন বসুন্ধৰাৰ এক এটা অভিলাসী আঁচনি। মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে নিজৰ মাটিৰ অধিকাৰ সাব্যস্ত কৰিবৰ কাৰণে বিভিন্ন সময়ত ব্যক্তিসকলে চাৰ্কোল অফিচত যোৱা আদিৰ ক্ষেত্ৰত কিছুমান অসুবিধা হৈছিল। এতিয়া ঘৰত বহি বসুন্ধৰাৰ যোগেদি নিজৰ মাটি নিজৰ নামলৈ আনিবলৈ সক্ষম হৈছে। বসুন্ধৰা ৩.১ ৰ পৰা এতিয়া বসুন্ধৰা ৩.৪ ৰ জৰিয়তে বৃহৎ সংখ্যক মানুহে নিজৰ নিজৰ নামত আনিবলৈ সম্ভৱপৰ হৈছে।

আজি বিভিন্ন ক্ষেত্ৰত ব্যক্তিসকলৰ যি ব্যতিক্ৰমী অৱদান, এই অৱদানক সন্মান জনাই অসম চৰকাৰে অসামৰিক বঁটা ঘোষণা কৰিছে। অসম বৈভৱ, অসম গৌৰৱৰ নিচিনা বঁটাই আজি ব্যক্তিসকলক কাম কৰিবলৈ অনুপ্ৰাণিত কৰিছে।

আজি অসমৰ স্বভিমান বিহু, এই বিহু পাতিবৰ কাৰণে হওঁক বা ৰাসৰ কাৰণে হওঁক বা দুৰ্গা পূঁজা হওঁক, এই অনুষ্ঠানসমূহ পাতিবৰ কাৰণে চৰকাৰে যোৱা বিহু সমিতিসমূহক ডেৰ লাখ টকাকৈ, ৰাস সমিতি সমূহক ২৫ হাজাৰ টকাকৈ, দুৰ্গা পূঁজা সমিতিক ১০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰিছে।

উপাধ্যক্ষ মহোদয়, আমাৰ বহুত প্ৰতিভা আছে, যিসমূহ প্ৰতিভাই স্থান নাপায়। খেলো ইণ্ডিয়াৰ যোগেদি আমি হিমা দাস পালো, লাভলিনা বুঢ়াগোহাই পালো। আজি খেল মহাৰণৰ যোগেদি অসমৰ চুকে কোনে লুকাই থকা যিবিলাক প্ৰতিভা, যিয়ে এখন মঞ্চ পোৱা নাছিল, যিয়ে তেওঁলোকৰ প্ৰতিভা বিকাশত সুবিধা পোৱা নাছিল, আজি মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত খেল মহাৰণৰ যোগেদি এই প্ৰতিভাসমূহ উলিয়াই আনিবলৈ সক্ষম হৈছে।

দ্বিতীয়তে, খেল মহাৰণৰ দৰে আমাৰ যি সাংস্কৃতিক মহাখণ্ড একে কথা। যিবিলাক সাংস্কৃতিক প্ৰতিভা আছে, তেওঁলোকৰ কাৰণে এখন মঞ্চ হৈছে সাংস্কৃতিক মহাখণ্ড।

শেষত মাননীয় উপাধ্যক্ষ মহোদয়, অলপ আগতে এজন বিধায়কে নগাঁওৰ DOHUA ৰ বিষয়ে কলে, DOHUA জৰিয়তে কিমান কাম হৈছে, এটা উদাহৰণ আপোনাক দিবলৈ বিচাৰিছো। আজি নগাওঁত DOHUA জৰিয়তে ভূপেন হাজৰিকা কলাক্ষেত্ৰ নিৰ্মাণ হৈছে। DOHUA জৰিয়তে কলংঙৰ দুয়োকাষে সুন্দৰকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মৰিকলংৰ নিচিনা এখন মৰা বিলৰ সৌন্দৰ্য্যবৰ্ধন কৰিছো DOHUA জৰিয়তে। Swiming pool নিৰ্মাণ হৈ আছে DOHUA জৰিয়তে।

অমৃত আঁচনিৰ জৰিয়তে প্ৰতিখন চহৰত নগাওঁ হওঁক, শিলচৰ হওঁক, ডিব্ৰুগড় হওঁক, ঘৰে ঘৰে বিশুদ্ধ খোৱা পানীৰ পোৱাৰ ব্যৱস্থা হৈছে। আজি গুৱাহাটীতো খোৱা পানী ব্যৱস্থা চৰকাৰে কৰিবলৈ সক্ষম হৈছে।

গতিকে মই এইখিনি কথা আপোনাক কলো আৰু এইখিনি কোৱাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই, মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰীতেৰছ গোৱালা, দুলিয়াজান** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৭ ফ্ৰেব্ৰুৱাৰী তাৰিখে BTR Assembly ত অসম বিধান সভাৰ বাজেট অধিবেশনত অসমৰ মহামহিম ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য ৰূপক শৰ্মাই আগবঢ়োৱা কৃতজ্ঞতা সূচক প্ৰস্তাৱৰ সমৰ্থনত মই কিছু কথা কবলৈ বিচাৰিছো।

মই গৌৰৱ অনুভৱ কৰিছো যে এই ঐতিহাসিক ক্ষণৰ বাবে আমি ১২৬ গৰাকী বিধায়ক সাক্ষী হৈ ৰ'লো। আমি উজনি অসমৰ পৰা আহো আৰু উজনি অসমৰ বিগত দিন বিলাকত যেতিয়া

প্ৰচাৰ মাধ্যমত গম পাইছিলো যে বড়োলেণ্ড, BTR এনেকুৰা এখন ঠাই যে যাব নোৱাৰি। কিন্তু যোৱা ১৭ ফ্ৰেব্ৰুৱাৰী ২০২৫ তাৰিখে এইটো প্ৰমান হ'ল যে মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ পৰিকল্পনা আৰু পৰামৰ্শ মৰ্মে শান্তি, প্ৰগতি আৰু সমন্বয়নৰ বাৰ্তা লৈ আমি ১২৬ টা বিধান সভা সমষ্টিৰ বিধায়ককে ধৰি সকলো বিষয়া কৰ্মচাৰী একেলগে যাত্ৰা কৰি এনে এটা বাৰ্তা দিয়া হ'ল, যি বাৰ্তাই সমগ্ৰ অসমত আজি চৰ্চাৰ বিষয় হৈ পৰিছে।

বড়োলেণ্ডত যোৱাৰ আগত, আমাৰ উজনি অসমৰ পৰা বহুতো টেলিফোন আহিছে যে বড়োলেণ্ড এনেকুৰা, কিয় গৈ আছে? এনেকুৰা কিছুমান কথা ওলাইছিল। কিন্তু আমি তাত গৈ যিখিনি আদৰ-সাদৰ, অভ্যৰ্থনা পালো, তাৰ কাৰণে মই বি টি আৰ প্ৰশাসনক প্ৰথমে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপালৰ ভাষণত বহু উন্নয়নমূলক কথা আৰু উল্লেখিত হ'ব লাগিছিল, হোৱা নাই যিহেতু বহুত দীঘলীয়া হ'ব। কিন্তু মই ভাৱো মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বি টি আৰ নেতৃত্বাধীন অসমৰ NDA চৰকাৰে বিগত দিনত যিধৰণে উন্নয়নমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিছে বা ৰূপায়ন কৰিছে, সেই বিলাক কথা আমি নিশ্চয় সকলোৰে গম পাইছো আৰু অসমৰ ৰাইজেও উপকৃত হৈছে। আমি ইয়াত আজি থিয় হৈছো। যদি সমাজত নাৰী নাথাকিলে হেঁতেন, হয়তো এইখন পৃথিৱী সৃষ্টি নহ'লহেতেন। আজি মাতৃ বা মহিলাসকলৰ যি শাৰিৰীক অৱস্থা, শাৰিৰীক দুৰ্বলতা, এই কথাখিনি NDA চৰকাৰে খুব সুন্দৰভাৱে হৃদয়ংগম কৰিছে, বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে পৰ্য্যালোচনা কৰিছে আৰু যাৰ কাৰণে কৰ্ম আঁচনি গ্ৰহণ কৰিছে। World Health Organization য়ে দিয়া report মতে অসমৰ মাতৃ সমাজত অকাল মৃত্যু, গৰ্ভাৱতী মহিলাৰ অকাল মৃত্যু আৰু শিশুৰ মৃত্যু এই গোটেই কথাখিনি আলোচনা আৰু পৰ্য্যালোচনা কৰিয়ে হয়তো চৰকাৰে আজি ঐতিহাসিক ভাৱে অৰুণোদয়ৰ দৰে আঁচনি গ্ৰহণ কৰিছে। অৰুণোদয় ১ ত ৮০০ টকাৰ পৰা মহিলা সকলক দিবলৈ আৰম্ভ কৰিলো। আজি অৰুণোদয় ২ ত ইতিমধ্যে ১২৫০ টকা দিয়াৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ গ্ৰহণ কৰিছে। এই ১২৫০ টকা কি কি শিতানত পাই, সেই কথাবিলাক তেওঁলোকে জনা নাই, আমি জনাব লাগিব। মহামান্য ৰাজ্যপালৰ বক্তব্যত এই গোটেই কথাখিনি ওলাইছে যে আমি অসমত প্ৰায় ৩৭ লাখ মহিলাক ১২৫০ টকাকৈ আৰ্থিক সাহাৰ্য্য আগবঢ়াই আছো। তাত মাহ জাতীয় শস্য কিনিবৰ কাৰণে, চেনি কিনিবৰ কাৰণে অত্যাৰশ্যকীয় ফল-মুল, শাক-পাচলি কিনিবৰ বাবে - এই বোৰ শিতানত খৰছ কৰিবৰ বাবে এই দুখীয়া মহিলা সকলক এই ধৰণৰ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাতৃৰ প্ৰতি সমৰ্পিত, সমাজৰ প্ৰতি দায়বদ্ধতাৰ এইটো এটা উত্তম নিদৰ্শণ।

সভাপতি মহোদয়, আমি যেতিয়া Employment Exchange ৰ পৰা অসমৰ নিৱনুৱা সকলৰ registration ৰ report লওঁ, তাত আমি দেখিবলৈ পাওঁ যে বহু লাখ লাখ নিৱনুৱাৰ নাম তাত সোমাই আছে। অসম চৰকাৰে সিদ্ধান্ত লৈ ইতিমধ্যে ১ লাখ চাকৰি দিছে, ১ লাখ অতিক্ৰম কৰিছে। কিন্তু ১ লাখ চাকৰি দিলেই জানো নিৱনুৱা সমস্যা সমাধান হ'ব? মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উদ্যোগ বিভাগৰ জৰিয়তে শিক্ষিত আৰু অশিক্ষিত নিৱনুৱা সকলক সংস্থাপন দিবৰ বাবে কৰ্ম আঁচনি গ্ৰহণ কৰিবলৈ উদ্যোগ বিভাগক দায়িত্ব দিছে। তাৰ উদাহৰণ হিচাপে আমি যদি CMAAA (মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অভিযান) ৰ কথা কওঁ, ইতিমধ্যে কথাৰে নহয়, কামেৰে মুখ্যমন্ত্ৰী

ডাঙৰীয়াই প্ৰমান কৰি দেখুৱাইছে যে প্ৰথম পৰ্য্যায়ত প্ৰত্যেক সমষ্টিত প্ৰায় ২৩৪ গৰাকী শিক্ষিত নিৰনুৱাক আমি ১ লাখ টকাকৈ চেক দিবলৈ সমৰ্থ হৈছো আৰু প্ৰায় ৬০০ ৰ পৰা ৭০০ আবেদন আমি লাভ কৰিছো, তাৰ প্ৰক্ৰিয়া চলি আছে। এই প্ৰক্ৰিয়া শেষ হোৱাৰ পিছতে আমি এই আঁচনিৰ জৰিয়তে প্ৰথম পৰ্য্যায়ত ১ লাখ টকাকৈ দিম। এই ১ লাখ টকা যদি নিৰনুৱা জনে ভালকৈ ব্যৱহাৰ কৰে আৰু উদ্যোগ বিভাগে যদি ভাল observation লয় যে তেওঁ ভাল ব্যৱসায় কৰিছে, তেতিয়া পৰবৰ্তী সময়ত আকৌ ১ লাখ টকাকৈ তেওঁলোকে লাভ কৰিব বুলি উল্লেখ আছে। পৰবৰ্তী সময়ত পোৱা ১ লাখ টকাটো তেওঁলোকে সুদ বিহিন ভাৱে ঘূৰাব লাগিব আৰু চৰকাৰে ঠিক কৰিব যে বেংকক কিমান কিষ্টি দিব লাগিব। বহুসময়ত আমি লোন লোৱাৰ পিছত দেখো যে বেংকৰ উপদ্ৰৱ চলে, বেংকে হেচা দিয়ে, যাৰ কাৰণে আমাৰ চিভিল বেয়া হয়, এনেকুৱা কথাবিলাক আহি যায়। গতিকে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ জৰিয়তে প্ৰায় ২৫ হাজাৰ নিৰনুৱাক এই ধৰণে সহায় কৰাৰ কাৰণে আগবাঢ়িছে। আমি Advantage Assam আৰম্ভ কৰিছিলো তাত বুনিয়াদী কথাবিলাক আলোচনা হৈছিল, আমি তাত অংশ গ্ৰহণ কৰিছিলো। দেশ-বিদেশৰ বহুত উদ্যোগপতি, ৰাষ্ট্ৰপ্ৰধান সকল আহিছিল। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু উদ্যোগ মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়াই ব্যাপক আৰু বিস্তৃীৰ্ণৰূপত ইয়াত অনুষ্ঠিত কৰিবৰ বাবে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰ বিলাকত ইতিমধ্যে গৈছে। ৰাষ্ট্ৰ বিলাকত গৈ ৰাষ্ট্ৰপ্ৰধান সকলক নিমন্ত্ৰণ জনোৱা হৈছে, উদ্যোগপতি সকলক নিমন্ত্ৰণ জনোৱা হৈছে আৰু অসমৰ নিবনুৱা সকলক আমি কেনেকৈ সংস্থাপন দিব পাৰো তাৰ কাৰণে তেওঁলোকে কি বিনয়োগ কৰিব পাৰে, কি ধৰণে সংস্থাপন দিব পাৰো সেই গোটেই কথাখিনি খুব বৈজ্ঞানিক দৃষ্টিভংগীৰে তেওঁলোকে আলোচনা কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে আমি ইয়াৰ কাৰণে সাক্ষী হৈ ৰ'ম। Advantage 2.0 আমি সকলোৱে আৰু কেইদিন পাছতে ইয়াত অংশগ্ৰহণ কৰাৰ সুবিধা পাম আৰু দেশ-বিদেশৰ পৰা বিভিন্ন উদ্যোগপতিসকল আহিব। ইতিমধ্যে হাইড্ৰ-কাৰ্বনৰ ক্ষেত্ৰত হওঁক, semi conductor ৰ ক্ষেত্ৰতে হওঁক, পৰ্য্যটন উদ্যোগৰ ক্ষেত্ৰতে হওঁক, micro ৰ পৰা ডাঙৰ উদ্যোগলৈকে আমি কেনেকৈ কৰিব পাৰো গোটেই কথাখিনি উদ্যোগ বিভাগৰ জৰিয়তে NDA চৰকাৰে ধুনীয়াকৈ কৰ্ম আঁচনি গ্ৰহণ কৰিছে। সভাপতি মহোদয়, আমি জানো যে অসম এখন কৃষি প্ৰধান ৰাজ্য। কিন্তু বতৰৰ বাবেই হওঁক বা অন্য কাৰণতেই হওঁক, আমি পৰ্য্যাপ্ত কৃষি উৎপাদন কৰিব পৰা নাই। তথাপিও আমি দুখীয়া লোক সকল যাতে ভোকত নাথাকে, দুবেলা-দুমুঠি যাতে তেওঁলোকে খাই থাকিব পাৰে তাৰবাবে প্ৰধান মন্ত্ৰী গৰীব কল্যাণ যোজনাৰ জৰিয়তে ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে প্ৰায় ৬৭ লাখ ৰেচন কাৰ্ড অসমত বিতৰণ কৰা হৈছে আৰু প্ৰায় ২.২৯ কোটি ব্যক্তি ইয়াৰ পৰা উপকৃত হৈছে। মই জনাত ৩ কোটি ৪০ লাখ জনসাধাৰণ হ'ব। তাৰ ভিতৰত ২. ২৯ কোটি ব্যক্তিয়ে ইতিমধ্যে ৫ কেজিকৈ বিনীমূলীয়া ৰেচন পাবলৈ সমৰ্থ হৈছে। এইয়া নিশ্চয় দুখীয়াৰ প্ৰতি সমৰ্পিত আৰু মহানুভৱতাৰে নিদৰ্শন। মই তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এই ঐতিহাসিক কামৰ কাৰণে ৰাজ্যপাল ডাঙৰীয়াইও উল্লেখ কৰাৰ কাৰণে ধন্যবাদ জনাইছো। ৰেচন কাৰ্ড পালে কি হ'ব? ৰেচন কাৰ্ড যেতিয়া আমি শেহতীয়াভাৱে বিতৰণ কৰিবলৈ আগবাঢ়িলোঁ, তেতিয়া দেখিছো যে সকলোকে ৰেচন কাৰ্ড লাগে। এতিয়া ৰেচন কাৰ্ডৰ মহত্ব বুজি পাইছে। বহুতেই কৈছে আমাক ৰেচন নহ'লেও কাৰ্ডখন লাগে। এনেকুৱা এটা পৰিৱেশ আৰম্ভ হৈ গৈছে। এই ৰেচন কাৰ্ড ইতিমধ্যে যিসকলৰ ৰেচন কাৰ্ড থাকিব, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে class 1 ৰ পৰা কলেজলৈকে admission free পাব। Class 1 ৰ পৰা

কলেজলৈকে admission free পোৱাৰ লগে লগে আমি দেখিছো এতিয়া বিশেষকৈ চাহ বাগিছাৰ বিদ্যালয় বিলাকত ল'ৰা-ছোৱালীৰ সংখ্যা ইমান বাঢ়ি গৈছে। আমি এইটো বঢ়াব নোৱাৰাত পৰিছো। এইটো যদি ১৯৪৭ চনৰ পৰা, ১৯৫০ চনৰ পৰা হ'লহেঁতেন, তেতিয়াহ'লে সেইটো আজি IAS, IPS, UPSC পাছ কৰা ল'ৰা-ছোৱালী চাহ জনগোষ্ঠীৰ পৰা অসমত আজি আমি সৃষ্টি কৰিব পাৰিলোহেঁতেন আৰু আজি free admission পোৱাৰ কাৰণে আমাৰ চাহ বাগিছাৰ বিশেষকৈ ল'ৰা-ছোৱালী যথেষ্ট উপকৃত হৈছে। CM Ayushman Medical Card যিসকল হিতাধিকাৰীৰ হাতত যিসকল লোকৰ ৰেচন কাৰ্ড আছে, তেওঁলোকে CM Ayushman Medical Card য'ত ৫ লাখ টকা পাব। এই ৫ লাখ টকাত কি কি বেমাৰৰ কাৰণে উপকৃত হ'ব গোটেই কথাখিনি খুব ধুনীয়াকৈ লিখা আছে। প্ৰায় ১২ টা বেমাৰ আৰু সৰু-সুৰা প্ৰায় ১২-১৪ শ বেমাৰ এনেকৈ তাত উপকৃত হ'ব। এই কথাখিনি আমি নিশ্চয় স্বীকাৰ কৰিব লাগিব যে এই কাৰ্ডৰ জৰিয়তে বিশেষকৈ চৰকাৰী মেডিকেল চলি আছে যদিও ব্যক্তিগত খণ্ডতো লাগু হৈছিল কিবা কাৰণত এইটো বন্ধ হৈ আছে। মই ভাৱো যে, ব্যক্তিগত খণ্ডত থকা নাৰ্চি হ'ম বিলাকত যাতে পুনৰ ব্যৱহাৰ কৰে বা লাগু হয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। অৰুণোদয়ৰ কথা ক'লোৱেই, ৰেচন কাৰ্ড থাকিলে অৰুণোদয় পাবই। ইতিমধ্যে আমি দেখিছো যে প্ৰায় ৩৭ লাখ অৰুণোদয় যেতিয়া দিব নিশ্চয় আমি ৰেচন কাৰ্ডৰ ওপৰত depend কৰিম। LPG Gas (Liquid Petroleum Gas) দুখীয়া মানুহ, কৃষক শ্ৰমিকে বুজি পোৱা নাছিল যে এই গেছ আমি কেনেকৈ পাম? ইমান পইচা আমাৰ হাতত নাই। এই ব্যৱস্থাটো যেতিয়া মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে যেতিয়া আনিলে, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ইয়াক সাৱলীনভাৱত ৰূপায়ণ কৰিবলৈ যেতিয়া নিৰ্দেশ দিলে এই কাৰণে চাহ বাগিছাৰ লাইনৰ সাধাৰণ শ্ৰমিক বুধুৱা মানুহৰ ঘৰতো গেছ পাব। এগৰাকী ডাক্তৰক মই লগ পাইছিলো তেওঁ এটা observation report দিছিলে, এগৰাকী পুৰুষ বা এগৰাকী ব্যক্তিয়ে ৪ শ চিগাৰেট খালে কিমান ধোৱা খায়, এগৰাকী মাতৃয়ে এঘণ্টাত চৌকাত কাম কৰিলে কিমান কাৰ্বন খাব লাগে, ইমান ধোৱা খাব লাগে এই মাতৃ গৰাকী কেচা খৰিৰ ধোৱা খায় আমাৰ খাদ্য বনাই আজি ইয়ালৈ পঠিয়াইছে, সেই মাতৃ গৰাকী জীৱনৰ প্ৰতি কেনেকৈ আমি দায়বন্ধতাৰে কথা কওঁ, নিশ্চয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অনুভৱ কৰিলে যিটো ইতিমধ্যে আমাৰ মাজত এই আঁচনিখন ৰূপায়ণ হৈ আছে। চাহ বাগিছাৰ Model School, বাগিছাৰ চৰমাইন বুলি ১৯৫১ চনত এখন আইন আছিল। কথাই প্ৰতি বাগিছাৰ চৰমাইন আৰু চৰমেট। NDA চৰকাৰ অহাৰ পিছত প্ৰথম বাৰৰ বাবে চাহ বাগিছাত পোনপটীয়াভাৱে চৰকাৰী Model School আৰম্ভ হ'ল। এই স্কুল বিলাকৰ শিক্ষা ব্যৱস্থাৰ অন্তৰত যিমানবিলাক dropout student আছিল সকলো dropout student আজি আহিব ধৰিলে কেৱল এইটোৱে নহয়। মই শ্ৰীমতী অজন্তা বাইদেউক ধন্যবাদ জনাব লাগিব যে, শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যাবৰ কাৰণে প্ৰথমে অঙ্গনবাড়ীৰ পৰা আমি আৰম্ভ কৰিব লাগিব। কাৰণ আমাৰ টকা-পইচা নাই যে আমি play school ত দিব লাগে বা অন্যান্য ব্যক্তিগত স্কুলত পঠিয়াব পাৰো। এই মডেল অঙ্গনবাড়ীৰ জৰিয়তে ২৫ লাখ কৈ পইচা যেতিয়া আমি মুকলি কৰিছো তাক দেখিলে এনেকুৱা এটা পৰিৱেশ যিটো পৰিৱেশৰ জৰিয়তে আমি নিজে আপ্লুত হৈছো যে ছবিয়েও কথা কয়। কি ধুনীয়া ধুনীয়া ছবি আঁকিছে, কি ধুনীয়া কথা কৈছে, গীতে মাতে। আজি বুনিয়াদী শিক্ষাত অ, আ, ক, খ A, B, C, D শিকাবলৈ আৰম্ভ কৰিছে। ৭ খনকৈ নতুন বিশ্ববিদ্যালয় নিৰ্মাণৰ কাম চলি আছে। ৮ খনকৈ মহাবিদ্যালয় নিৰ্মাণৰ কাম চলি আছে। কথাৰে নহয় বন্ধু, কামেৰে পৰিচয়, এই কথাটো মাননীয় মুখামন্ত্ৰী ডাঙৰীয়াই প্ৰমাণ

কৰি দিছে। আমি লোকসভা নিৰ্বাচনৰ আগতে কৈছিলো মেট্ৰিক পাছ কৰা, admission লোৱা আমি ছাত্ৰী  সকলক নিযুত মইনা দিম। ইতিমধ্যে নিযুত মইনাৰ পইচাখিনি দিয়া হ'ল। স্কুটী দিয়াৰ কথা আছিল, প্ৰায় ৩৫ হাজাৰ ৭ শ ৭০ গৰকী ছাত্ৰ-ছাত্ৰীক স্কুটী দিবলৈ সমৰ্থ হ'লো। Admission free কৰা হ'ল, ৰেহাই দিয়া হ'ল, জলপানী দিয়া হ'ল uniform free কৰা হ'ল। চাইকেল প্ৰায় ২৬ হাজাৰ ৯ শ ছাত্ৰ-ছাত্ৰীক দিয়া হ'ল। বসুন্ধৰা ৩ ৰ জৰিয়তে খিলঞ্জীয়া ভূমিহীন মানুহক মাটিৰ আৱণ্টন দিবলৈ চেষ্টা কৰা হৈছে। মই মাননীয় সদস্য শ্ৰীৰূপক শৰ্মা ডাঙৰীয়াই উত্থাপন কৰা এই কৃতজ্ঞতাসূচক প্ৰস্তাৱক মই পূৰ্ণ সমৰ্থন জনাই মই  ভাৱো সদনে নিশ্চয় স্বীকাৰ কৰিব, এই ধৰণে কাম কৰি গ'লে এটা দীৰ্ঘম্যাদী আঁচনিলৈ মুখ্যমন্ত্ৰী মহোদয়ে যিধৰণে কাম কৰে, সকলোৰে আহক আমি একেলগে সহযোগ কৰো, আমি একেলগে কাম কৰো আৰু অসমক ভাৰতবৰ্ষৰ অন্যতম  ৫ খন ৰাজ্যৰ ভিতৰত যাতে ৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰো তাৰ কাৰণে আমি চেষ্টা কৰিম সভাপতি মহোদয়, এই বিষয়ত মোক ক'বলৈ দিয়াৰ কাৰণে মই পুনৰবাৰ ধন্যবাদ জনাই মোৰ ক'বলগীয়াখিনি সামৰণি মাৰিলো ধন্যবাদ।

**শ্ৰী কৃষ্ণ কমল তাঁতী (ৰঙাপাৰা)** ঃ মাননীয় LOP (Leader of the Opposition) শ্ৰী দেৱব্ৰত শইকীয়া। আপোনালোকৰ পাৰ্টীৰ সময় ৮ মিনিট।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা বিৰোধী দলৰ দলপতি** ঃ অসমৰ মাননীয় ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্য ডাঙৰীয়াৰ যি ভাষণ বাজেট অধিৰেশনৰ প্ৰথম দিনা আমাৰ বিধান সভাত গ্ৰহণ কৰাৰ বাবে  প্ৰস্তাৱ আহিছে, এই প্ৰস্তাৱত আমি কেতবোৰ সংশোধনী আগবঢ়াইছো আৰু এই সংশোধনীসমূহ সহ সৈতে ভাষণ গৃহীত হয়, তাৰবাবে আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। মহোদয়, প্ৰায় ৭০  পৃষ্ঠাৰ বক্তব্য ৰাখিছে আৰু নিশ্চিতভাৱে চৰকাৰে যোৱা সময়চোৱাত যিখিনি কাম কৰিছে, সেইখিনি ইয়াত উল্লেখ কৰা হৈছে আৰু যিখিনি কৰিবলৈ থাকি গ'ল, সেইখিনি আমি উল্লেখ কৰিব বিচাৰিছো। যিহেতু ১০ বছৰৰ বাবে শাসক পক্ষই এটা vision document দিছিল BJP ৰ আৰু এই BJP ৰ vision document অনুসৰি কাম কৰিবলৈ হ'লে যিহেতু পূঁজি আৱণ্টন লাগিব. এই বাজেটখনেই হৈছে যোৱা ১০ বছৰৰ BJP চৰকাৰৰ অন্তিম বাজেট আৰু সেইগতিকে ইয়াৰ যোগেদি আমি কামখিনি এটা বিশ্লেষণো কৰিব লাগিব আৰু এৰি অহাৰ কামখিনিৰ বাবেও আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মহোদয়, প্ৰথমেই অসমীয়া ভাষা ধ্ৰুপদী ভাষা হোৱাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী, মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিয়া হ'ল তাৰ লগত যিসকলে কাম কৰিছিল, অসম সাহিত্য সভাৰ সেই সময়ৰ সভাপতি শ্ৰীকুলধৰ শইকীয়া, শ্ৰীভূঁএগ্ৰা ডাঙৰীয়া আৰু অন্য সকলকো ধন্যবাদ প্ৰাত্ৰ  কৰিবলৈ অনুৰোধ জনাইছো।

মাননীয় সভাপতি ডাঙৰীয়া,   দ্বিতীয়তে, ঘোষণা হোৱাৰ পিছতেই যদি আমি কাম কৰি নাযাওঁ, তেনেহ'লে কেনেকৈ সংৰক্ষণ কৰা হ'ব, শ্ৰী বৃদ্ধি কৰা হ'ব আৰু  ধ্ৰুপদী ভাষা হ'লেও ই কিমানদূৰ আমাৰ বাবে আগবাঢ়ি যাবলৈ সুবিধা দিব সেই কথাটো চিন্তনীয়। সেয়েহে  অসম চুক্তিৰ আধাৰত অসমৰ জাতীয় অনুষ্ঠান হিচাপে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা স্থাপন কৰা হৈছিল। এই সংস্থাটোৱে বিভিন্ন বিশ্ববিদ্যালয়ৰ লগত চুক্তি কৰিছে, সংস্কৃত ভাষাই হওক বা অসমীয়া ভাষাৰ উত্তৰণৰ বাবে কাম কৰি আহিছে। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে এই অনুষ্ঠানটোৰ পোন্ধৰ গৰাকী কৰ্মচাৰীয়ে এতিয়াও তেওঁলোকে কামৰ বাবে পাবলগীয়া এঘাৰ মাহতকৈ অধিক  দৰমহা পোৱা নাই। আমি জানো যে যিখিনি মানুহে কাম কৰে সকলোৱে নিষ্ঠাৰে কাম কৰিবলৈ হ'লে তেওঁলোকক incentive লাগে। বৰ্তমান মাৰ্কেট ব্যৱস্থাত দৰমহাটোৱেই incentive আৰু

দৰমহা নহ'লে তেওঁলোকে কেনেকৈ ভালকৈ কাম কৰিব পাৰিব? চৰকাৰৰ যিসমূহ অনুষ্ঠানে বিপ্লৱ শৰ্মাৰ আয়োগে অসম চুক্তিৰ বাবে যি কৰিছিল, সেই গৱেষণা-প্ৰতিষ্ঠানৰ উন্নীতকৰণৰ বাবে অভিলাসী আঁচনিৰ ক্ষেত্ৰতো পৰামৰ্শ আগবঢ়াইছিল। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও তাৰে বহুত খিনি আঁচনি ৰূপায়ণ হ'ব বুলি কৈ আছে। সেয়েহে চৰকাৰে যাতে অসম চুক্তি ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। ২০২৪-২৫ চনৰ বিত্তীয় অনুদান আজিকোপতি চৰকাৰীভাৱে লাভ কৰা নাই, তাৰ বাবেও ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনাইছো। তৃতীয়তে, মহোদয়, ১৬ নম্বৰ পৃষ্ঠাত আমাৰ উদ্যোগৰ বিষয়ে উল্লেখ আছে আৰু এই ক্ষেত্ৰত মই এটা বাতৰি ক'ব বিচাৰিছো যে উজনি অসমৰ স্বীকৃতি প্ৰাপ্ত মুগা শিল্প যাক GI Tag ও দিয়া হৈছে। কিন্তু বৰ্তমান বিভিন্ন কাৰণ বশতঃ হস্ততাঁত বস্ত্ৰ শিল্পই হওঁক, মুগা শিল্পই হওঁক সংকটত। আনকি আমাৰ অসমীয়া মানুহৰ গামোছা খনো সংকটত। যাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা লোৱা নাই। আপোনাৰো নিশ্চয় অভিজ্ঞতা হ'ব যেতিয়া আমাক কোনো অনুষ্ঠানত আদৰণি জনায়, অতি লাজ লগা ভাৱে মেচিনত তৈয়াৰ কৰা সৰু গামোছা এখনেৰে আদৰিব বিচাৰে আৰু এইটোৱে নিশ্চয় চৰকাৰী যি আইন আছিল যে অসমত বাহিৰা গামোছা দিয়া নহ'ব, এই আইনক উলংঘা কৰা হৈছে, তাৰ ফলত যিসকল শিপিনী আছে তেওঁলোক বঞ্চিত হৈছে। এতিয়া একমাত্ৰ সমৰ্থ আঁচনিটো চলি আছে, অন্য কোনো আঁচনি নাই। সেয়েহে এই থলুৱা উদ্যোগ ৰক্ষা কৰিবলৈ চৰকাৰে যাতে আৰু আঁচনি লয়, তাৰ বাবে মই অনুৰোধ জনাইছো। 'মুগাৰ পৰিৱৰ্তে পশ্চিমবঙ্গ, কৰ্ণাটকৰ সূতাৰে চলিছে অসমৰ তাঁত শাল' বুলি এটা বাতৰি প্ৰকাশ পাইছিল। ঠিক তেনেকৈ উদ্যোগীকৰণৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছে, Advantage-2 অনা হৈছে। কিন্তু বেংকবিলাকে নিবনুৱা যুৱক-যুৱতীসকলৰ ক্ষেত্ৰত যিধৰণে অনুদান আগবঢ়াব লাগে, সেই ক্ষেত্ৰত বেংকৰ গাফিলতি আহিছে যে 'PMEGP ৰ অধীনত চৰকাৰৰ বাঁছনিভুক্ত প্ৰকল্পলৈ বেংকৰ নাই সঁহাৰি, ৬৭ শতাংশ নিবনুৱাৰ ঋণৰ আবেদন নাকচ' তাৰ এটা বাতৰি প্ৰকাশ হৈছিল। কেইদিনমান পূৰ্বে মই পঢ়িবলৈ পাইছিলো যে মুখ্য সচিব আৰু অন্যসকলক লৈ এই বিষয়ে পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছে। যিহেতু নিবনুৱাৰ সংখ্যা ৩৫ লাখৰ ওপৰত বুলি আজিৰ বাতৰি কাকতত প্ৰকাশ পাইছে, সেয়েহে তেখেত সকলে চৰকাৰী চাকৰিও যেনেধৰণে পাব লাগে নিশ্চিতভাৱে নাপাব। গতিকে এনেকুৱা ধৰণৰ আত্মনিৰ্ভৰ হ'ব পৰা কামসমূহৰ বাবে যাতে সকলোৱে সহযোগিতা আগবঢ়ায়, তাৰ বাবেও যাতে বিশেষ ব্যৱস্থা লয়। এই ভাষণৰ ৭১ নম্বৰ পৃষ্ঠাটো মই নাপালো। সেয়েহে মই এইখিনি দিবলৈ অনুৰোধ কৰিছো।

তেনেকৈ মহোদয়, ১৩ নম্বৰ পৃষ্ঠাত ঝুমুৰৰ বিষয়ে দিয়া হৈছে আৰু ঝুমুৰৰ ওপৰত এইবাৰ বিশেষভাৱে প্ৰস্তুতি চলোৱা হৈছে। এইটো নিশ্চিতভাৱে আনন্দ আৰু গৌৰৱৰ কথা। কিন্তু আজিৰ বাতৰিকাকত এখনত প্ৰকাশ পাইছে যে ঝুমুৰত যাব লাগে কাৰণে দুগৰাকী হায়াৰ চেকেণ্ডাৰীত পঢ়ি থকা ছাত্ৰীৰ দেউতাকে পৰামৰ্শ দিছে যে যিহেতু ৱৰ্ল্ড ৰেকৰ্ড এবাৰহে আহিব, গতিকে পঢ়া-শুনা পিছৰ বছৰলৈ ৰাখিব দিছে। পঢ়া-শুনাৰ বাবে ইচ্ছা থাকিলেও মহোদয়, ৪১৯ খন বাগিচাৰ প্ৰাথমিক বিদ্যালয়ত স্থায়ী শিক্ষক নাই। শ্ৰম আয়ুক্তৰ বৈঠকত উপস্থিত নাথাকিল বিভিন্নজন। ২০২৩ চনৰ ২ মে' তাৰিখে শ্ৰমিক সংঘ, কৰ্মচাৰী সংঘ, চাহ কোম্পানীৰ প্ৰতিনিধি, অসম চৰকাৰৰ শ্ৰম বিভাগৰ চুক্তিও এতিয়া উলংঘন হৈ আছে। আমাৰ শ্ৰম মন্ত্ৰীৰ গৃহ জিলা, তিনিচুকীয়াৰ শুকান পুখুৰী বাগিচাৰ শিক্ষক সকলে অনশন কৰিছে। এইটো কেনেকৈ সমাধান কৰা হ'ব? অনুৰূপ ধৰণে- চৰাইদেউ নাহৰগুৰী বাগিচাৰ যি মডেল স্কুল আছে, সেই মডেল স্কুলৰ

শিক্ষক সকলৰ সৌজন্যত চৰকাৰী নিৰ্দ্দেশ অনুসৰি উইদ্ৰ কৰাৰ বাবে তাত এটা বিষম পৰিস্থিতিৰ সৃষ্টি হৈছিল। য'ত মডেল স্কুলখন বাগিচাত হোৱা বাবে তাত বাগিচাৰ ভাল ভাল ল'ৰা-ছোৱালীসকলে উজ্জ্বল ভৱিষ্যতৰ বাবে পঢ়া-শুনা কৰি আছিল। তেখেত সকলৰ কথাখিনিও কেনেকৈ সমাধান কৰিব পৰা যায় এই ক্ষেত্ৰত পূৰ্ণাঙ্গ বাজেটত আমি প্ৰতিশ্ৰুতি পাম বুলি মই মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰিছো। ঠিক তেনেকৈ মহোদয়, যোৱা বছৰৰ এটা প্ৰতিবেদনত কোৱা হৈছিল যে চৰকাৰী হিচাপ মতে বিদ্যালয়ৰ বাহিৰৰ ৰাজ্যৰ ৬৩ হাজাৰ ৮৪৮ জন শিশু, অসম চৰকাৰৰ সহযোগিতাত অসমীয়া মাধ্যমৰ বিভিন্ন স্কুলৰ বিষয়ে এটা তথ্য প্ৰথমেই উলিয়াই তাত কোৱা হৈছে যে ১ ৰ পৰা ৯ নম্বৰ সংখ্যালৈকে ১২.৬ শতাংশ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে চিনি নাপায়। ১১ ৰ পৰা ৯৯ নম্বৰ সংখ্যালৈকে ৩৬.২ শতাংশ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে চিনি নাপায়, অষ্টম শ্ৰেণীৰ ২৪.২ শতাংশইহে জানে পাঠ্যক্ৰমৰ হৰণ-পূৰণৰ অংক। পঞ্চম শ্ৰেণীৰ ১২ শতাংশইহে পাঠ্যক্ৰমৰ হৰণ অংক। অষ্টম শ্ৰেণীৰ ৩৬ শতাংশই নাজানে বিয়োগ অংক। এনেকুৱা ধৰণৰ বিভিন্ন ধৰণৰ তথ্য যিখিনি নিশ্চিতভাৱে সত্য। কাৰণ মই ও মোৰ সমষ্টিৰ বিদ্যালয়সমূহলৈ যাও, তেতিয়া ল'ৰা-ছোৱালীবিলাকক কিবা এটা পঢ়িবলৈ দিলে তেওঁলোকে খুব সুন্দৰকৈ মুখস্থ কৰি পঢ়িব পাৰে। কিন্তু তেওঁলোকক তাৰ অৰ্থবোৰ সুধিলে অসমীয়াই হওঁক বা ইংৰাজীয়েই হওক তেওঁলোকে শব্দৰ অৰ্থ নাজানে। এনেকৈ তেখেত সকলে Parroting কৰি পঢ়া-শুনা কৰিলে যে ভৱিষ্যত উজ্জ্বল নহ'ব, তেওঁলোকে নিশ্চিতভাৱে উপলব্ধি কৰা উচিত। চৰকাৰে ইয়াৰ বাবে পদক্ষেপ লোৱা উচিত। এই কথাখিনিও ৰাজ্যপাল মহোদয়ৰ ভাষণত আহিব বুলি মই আশা কৰিছো। মহোদয়, অনুৰূপ ধৰণে Paddy Procurement অৰ্থাৎ ধান ক্ৰয় কৰা বা সৰিয়হঁ ক্ৰয় কৰা এটা ভাল চৰকাৰী আঁচনি। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কেইটামান সংস্থাই Paddy Procurement টো কৰিবলৈ ইচ্ছা কৰা নাই। যাৰ ফলত Paddy Procurement Centre কমি গৈছে। যিটো টাৰ্গেট আছে, সেই টাৰ্গেট অনুসৰি ধান ক্ৰয় কৰিব পৰা নাই আৰু বহুত কৃষকে এতিয়াও ৰেজিষ্টাৰ কৰিব পৰা নাই। এই গোটেইবিলাক আসোঁৱাহ দূৰ কৰাৰ বাবে যদি পদক্ষেপ উল্লেখ থাকিলে হয় তেতিয়াহ'লে নিশ্চিতভাৱে আৰু অধিক বাজেট অহা ৰাজ্যপাল মহোদয়ৰ অভি ভাষণত আমি চৰকাৰৰ কাম-কাজত সমৰ্থন কৰিব পৰাকৈ আভাস পালোহেঁতেন।

**সভাপতি ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, অকনমান সময় মই মোৰ বন্ধুসকলৰ পৰা ল'ব বিচাৰিছো। ধান ক্ৰয়ৰ নিচিনাকৈ আমি অন্য এটা বিষয় পাইছো যে আৰ্ছেনিকৰ প্ৰভাৱ পৰিছে। তিতাবৰৰ ধানৰ বিষয়ে আমি সকলোৱে জানো। তাত আমাৰ Rice Research Institute এ ৫২ টাতকৈও অধিক চাউলৰ প্ৰকাৰ উলিয়াইছে। অসমখন তৃতীয় ৰাজ্য য'ত নেকি আৰ্ছেনিক আছে বুলি কোৱা হৈছে আৰু ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেছি আৰ্ছেনিক থকা ৰজ্য। সেয়েহে খোৱা পানীৰ সমস্যা আৰু স্বাস্থ্যৰ সমস্যাও হৈছে। এতিয়া তিতাবৰৰ অসম কৃষি বিদ্যালয়ৰ দুবছৰৰ এটা গৱেষণা মৰ্ম্মে বাতৰি এটা প্ৰকাশ পাইছে যে ধানত যিহেতু আৰ্ছেনিক আহিছে ইয়াৰ ফলত যিবোৰ বেমাৰ আমি হ'ব বুলি ভৱা নাছিলো যেনে- কিড্নী লিভাৰত এতিয়া কেঞ্চাৰ হ'ব পৰাৰ সম্ভাৱনা আছে আৰু এইবিলাক হ'লে আয়ুষ্মান কাৰ্ডখনে যে কাম নকৰে আমি সেই কথাটো সকলোৱে উপলব্ধি কৰো। গতিকে এইবোৰ কেনেকৈ প্ৰতিৰোধ কৰিব পৰা যায় তাৰ ব্যৱস্থা আগন্তুক বাজেটত পাম বুলি আশা কৰিছো। ৰাজ্যপাল মহোদয়ৰ

ভাষণত এইবিলাক আভাস পোৱা হ'লে নিশ্চিতভাৱে আমি আনন্দিত হ'লো হয়। শেষত মই এটা কথা কৈ সামৰিব বিচাৰিছো যে অসম চুক্তিৰ ৰূপায়ণৰ বাবে কেন্দ্ৰক হেঁচা দিয়া নাই ৰাজ্যই। এই কথাটো কোনো সাধাৰণ মানুহে কোৱা নাই। আজি দুদিনমান পূৰ্বে সদৌ অসম ছাত্ৰ সন্থাৰ লগত অসম চৰকাৰ আলোচনাত বহিছিল। গোৱালপাৰাৰ বাগুৱানৰ এটা অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় শ্বহীদ দিৱসত অসমৰ ছাত্ৰ সন্থাৰ নেতা উৎপল শৰ্মাই মন্তব্য কৰিছে। এইটো দুৰ্ভাগ্যজনক কথা। অসম চুক্তি আৰু তাৰ অধীনত বিদেশী নাগৰিকৰ সমস্যা সমাধান, আমাৰ ৬ য় নং দফা, ৫ নং দফা, বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন গ্ৰহণ আদি এই গোটেইখিনি আগন্তুক সময়ত কৰিবলৈ আৰু এই বিষয়ে ইয়াত সংশোধনী আনি উল্লেখ কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**সভাপতি ঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা সুশান্ত বৰগোহাঁই।

**শ্ৰী সুশান্ত বৰগোহাঁই, বিধায়ক (থাওৰা) ঃ** মাননীয় সভাপতি মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ, এই প্ৰস্তাৱৰ ওপৰত সংগতি ৰাখি কেইটামান কথা আগবঢ়াব বিচাৰিছো। বিশেষকৈ, মহামহিম ৰাজ্যপাল ডাঙৰীয়াৰ কোকৰাঝাৰত যি অভিভাষণ আছিল, সেই অভিভাষণে আমাক দুটা পৰিৱেশৰ কথা মনত পেলাই দিছে। আমাৰ প্ৰথম বক্তা ৰূপক শৰ্মা ডাঙৰীয়াই কৈছে যে কোকৰাঝাৰত মহামহিম ৰাজ্যপাল মহোদয়ৰ অভিভাষণৰ যি পৰিৱেশ সেই পৰিবেশে অসমখনৰ শান্তি উন্নয়নৰ পৰিৱেশ সূচাইছে। দ্বিতীয়তে, অভিভাষণত বহুখিনি কথা সন্নিবিষ্ট কৰা আছে যিখিনি কথা হয়তো আমাৰ পৰৱৰ্তী বহু বক্তাই ব্যক্ত কৰিব। কেইটামান কথা আমি অতি সন্তোষিতভাৱে আজি বিধান সভাৰ মজিয়াত ক'ব বিচাৰো যে অসমত এসময়ত নিবনুৱা সমস্যাক লৈ প্ৰায় সকলোখিনি নাগৰিকেই চিন্তিত হৈ আছিল । এটা সময়ত চৰকাৰী চাকৰিক বাদ দি বেলেগ কোনো সংস্থাপনৰ পৰিৱেশ নথকাৰ বাবে আমাৰ বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে বাহিৰত পঢ়িবলৈ গৈ অসমলৈ ঘূৰি অহাৰ পৰিৱেশ নাছিল আৰু ইয়াত এনেধৰণৰ কোনো উদ্যোগ নথকাৰ বাবে তেওঁলোকে বাহিৰতে থাকি গৈছিল। তাৰ বাবে দুখন ঘৰত খেলিমেলি হৈছিল। ল'ৰা-ছোৱালীয়েও বাহিৰত থাকে আৰু মাক-দেউতাকেও ঘৰত অকলশৰীয়াকৈ থাকিব লাগে। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৃষ্টিসম্পন্ন চিন্তা-ধাৰা আৰু progressive planningৰ ফলত অসমে Semi-conductor ৰ নিচিনা উদ্যোগ পাইছে। আমি আশা কৰিছো Advantage Assam-2.0 ৰ যোগেৰে এনেধৰণৰ বহুখিনি বহুজাতিক কোম্পানী আহিব যাৰ জৰিয়তে আমাৰ যিসকল মেধা নিবনুৱা বা skilled workers আছে সকলোৱে কামৰ সুবিধা পাব আৰু অসমৰ অৰ্থনীতি আগবাঢ়ি যাব।

ইয়াৰ লগতে উজনি অসমত NH-37 ৰ বিষয়টো চিন্তাৰ বিষয় আছিল। NH-37 ক লৈ বহু সময়ত বহুত ৰাজনীতি কৰা দেখা পোৱা গৈছিল। যোৰহাট পাৰ হৈ শিৱসাগৰ, মৰাণ, ডিব্ৰুগড় যাবলৈ হ'লে এই অঞ্চলৰ যাতায়তৰ বাবে চিন্তিত হ'বলগীয়া হয় আৰু বহুত কষ্টৰে যাবলগীয়া হয় কিন্তু যোৱা চাৰি-পাঁচ মাহত দেখা পোৱা গৈছে যে এটিয়া আগৰ পৰিৱেশতকৈ যথেষ্টখিনি ভাল হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰী ডাঙৰীয়াক লগ পাই যেতিয়া এই কথাবোৰ উত্থাপন কৰিলে তাৰ পিছত এই বিভাগটোৱে খুব সুন্দৰভাৱে আৰু হয়তো ৪-৫ টা মাহৰ ভিতৰত বাকীখিনি কাম সম্পূৰ্ণ কৰিব। উজনিলৈ যাতায়ত কৰোতে আমি যিখিনি কষ্ট পাইছিলো সেইখিনি নাইকিয়া হ'ব।

আনহাতে, আমাৰ start-up business, MSME ৰ বিষয়ে এসময়ত কোনো এখন চৰকাৰে মন দিয়া নাছিল। কেন্দ্ৰীয় চৰকাৰে বহুখিনি আঁচনি দিয়ে। কিন্তু, ৰাজ্য চৰকাৰৰ সামাজিক,

অৰ্থনৈতিক পৰিৱেশ আৰু চৰকাৰখনৰ এনে ধৰণৰ start-up project বিলাকক তেওঁলোকে encourage নকৰাৰ বাবে বহুখিনি সময়ত বহুখিনি মানুহ থাকি যায়। যোৱা সময়চোৱাত দেখিবলৈ পোৱা গৈছিল যে ‘অসম গৌৰৱ, অসম বৈভৱ’ৰ যোগেৰে নতুন প্ৰজন্মৰ উদ্যোগীসকলক যেতিয়া recognition দিবলৈ আৰম্ভ কৰিলো তেতিয়া লাহে লাহে বহুখিনি অঞ্চলত start-up project আৰম্ভ হৈছে আৰু তাকে দেখি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ‘মুখ্যমন্ত্ৰীৰ আত্ম-নিৰ্ভৰ অসম আঁচনি’ৰ যোগেৰে যিসকলে অসমৰ অৰ্থনীতিত সহযোগ কৰিব বিচাৰে বা অৰ্থনৈতিক ভাৱে আগবঢ়াব বিচাৰে সেইসকলক উৎসাহী কৰি ভৱিষ্যতে MSME industry ৰ লগত তেওঁলোকৰ যোগসূত্ৰ স্থাপন কৰিব পাৰে তাৰ এটা ডাঙৰ আঁচনি লৈছে। মই ভাৱো অনাগত দিনবোৰত আমাৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এই আঁচনিসমূহে আমাক যথেষ্ট প্ৰভাৱ পেলাব।

সভাপতি মহোদয়, পৃথিৱীৰ ভিতৰত উৰ্বৰ মাটি বুলিলে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাটি one of the very fertile land. এই fertile মাটিখিনি আমি কেনেধৰণে আগবঢ়াব পাৰিম, কেনেধৰণে আমাৰ ইয়াত agricultural product উৎপাদন কৰিব পাৰিম, বাহিৰৰ বজাৰৰ লগত আমি কেনেধৰণে connectivity কৰিব পাৰিম, তাৰ ওপৰত কাম আমাৰ চৰকাৰখনে আৰম্ভ কৰিছে। যোৱা সময়ছোৱাত আমাৰ শিৱসাগৰতে উৎপাদন হোৱা নেমু টেঙা, ৰঙালাও আদি বহিঃৰাজ্য আৰু বিদেশলৈ ৰপ্তানি কৰাৰ বাবে সুবিধা পাইছে। উৰহী আদিও আমি লণ্ডনলৈ ৰপ্তানি কৰিব পাৰিছো। ব্যক্তিগতভাৱে কৰা কামবোৰৰ বাবে যেতিয়া চৰকাৰে তেওঁলোকক সুবিধা কৰি দিয়ে তেতিয়া গ্ৰাম্য কৃষি অৰ্থনৈতিক বিকাশৰ বাবে কাম কৰা হয় আৰু আমাৰ কৃষি অৰ্থনীতিৰ লগত জড়িত যিবোৰ গাঁৱৰ পৰিয়াল আছে, সেই পৰিয়ালবোৰেও অৰ্থনৈতিক ভাৱে স্বাৱলম্বন হোৱাৰ সুযোগ পায়। এই ক্ষেত্ৰৰ লগতে আমি এইবাৰ দেখিলো যে যোৱা সময়ছোৱাত, যদি মই উদাহৰণ লওঁ, মোৰ সমষ্টিতে এখন ষ্টেডিয়াম মাননীয় মুখ্যমন্ত্ৰী আৰু ক্ৰীড়া মন্ত্ৰীৰ ডাঙৰীয়াৰ প্ৰচেষ্টাত আমি পালো। ৰাইছাই ষ্টেডিয়ামখনৰ কাম এতিয়া প্ৰায় ৮০% সম্পূৰ্ণ হৈছে। ২০% হ’বলৈ আছে। কিন্তু এই ষ্টেডিয়ামখন হোৱাৰ কাৰণে দেখিলো যে এইবাৰ National Games ত আমাৰ সমষ্টিৰ তিনিজনে পদক লাভ কৰিবলৈ সক্ষম হৈছে। এই পদক লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে আমাৰ নতুন শিক্ষা নীতিত খেলৰ ওপৰত গুৰুত্ব দিয়া হৈছে। যিসকল খেলুৱৈয়ে National Games ত পদক পাব সেই সকলক চৰকাৰে যিহেতু চাকৰি দিয়াৰ এটা ব্যৱস্থা কৰিছে, আমি ভাৱো যে এনেদৰে খেলৰ যোগেদিও গাওঁ বিলাকত খেলৰ যি প্ৰতিভা আছে, সেই প্ৰতিভা বিলাকক আমাৰ এই চৰকাৰখনে উলিয়াই নিয়াৰ ক্ষেত্ৰত যিখিনি কাম আৰু পৰিকল্পনা কৰিছে সেইয়া সুদূৰ প্ৰসাৰী হ’ব আৰু আমাৰ খেলুৱৈ সকলে আমাক নিশ্চিত ভাৱে গৌৰৱান্বিত কৰিব পাৰিব।

**মাননীয় সভাপতিঃ** চমুৱাই কওঁক।

**শ্ৰী সুশান্ত বৰগোঁহাই (থাওৰা) ঃ** হয়। আমি দেখিছো যে এটা সময়ত বানপানী আহিলে আমাৰ বুকু ধপ ধপ কৰে । কাৰণ সেই সময়ত বানপানীৰ লগত যুঁজিবলৈ আমাৰ তেনে কোনো ব্যৱস্থা নাছিল। কিন্তু, যোৱা সময় চোৱাত আমি দেখিলো যে বানপানী অহাৰ লগে লগে বা বানপানী অহাৰ সময়চোৱাত চৰকাৰী ভাৱে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যেতিয়াই Flood Drill ৰ বাবে পইচাবোৰ DCৰ ওচৰত থাকে, তেতিয়া immediate যি breach হয় বা তেনেকুৱা ধৰণৰ পৰিৱেশ হয়, তেতিয়া আমি আমাৰ মথাউৰিবিলাক সুৰক্ষিত কৰিব পাৰো আৰু আমাৰ পৰিয়ালৰ মাটি-সম্পত্তি যথেষ্টভাৱে সুৰক্ষিত কৰিব পাৰো।

এতিয়া Urban Developmentৰ যোগেদি আমাৰ নগৰ অঞ্চলতো যথেষ্টখিনি কাম হৈছে। আমি আশা কৰিছো যিহেতু নগৰ অঞ্চলসমূহে আমাৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত আমাৰ অঞ্চলৰ বহুখিনি employment generate কৰাত সুবিধা দিয়ে, আমি যাতে ভৱিষ্যতে এই নগৰ অঞ্চলবিলাকতো  আৰু কাম কৰি, আন নগৰ অঞ্চলবিলাকেও যাতে employment generate কৰিব পাৰে বা অৰ্থনৈতিক উন্নয়ন কৰাৰ ক্ষেত্ৰত আমাৰ যাতে পৰিৱেশ তৈয়াৰ কৰিব পাৰে তাৰ কামখিনি কৰিব পাৰিম বুলি আমি আশা কৰিছো......... interruptions.......

**মাননীয় সভাপতিঃ** Please try to conclude.

**শ্ৰী সুশান্ত বৰগোঁহাই (থাওৰা) ঃ** মই আৰু বেছি সময় নকওঁ। আমাৰ আন সহযোগীসকলো আছে। মোক ধন্যবাদ সূচক প্ৰস্তাৱৰ সপক্ষে ক'বলৈ সুবিধা দিয়াৰ বাবে মই সভাপতি মহোদয়কে প্ৰমুখ্য কৰি আমাৰ দলপতিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু এইখিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় সভাপতি মহোদয়, ৰাজ্যপাল মহোদয়ে যিটো ভাষণ কোকৰঝাৰত সিদিনা প্ৰদান কৰিলে, আমি দেখিলো এই ভাষণৰ জৰিয়তে ৰাজ্য চৰকাৰৰ ব্যৰ্থতা ঢাকি চৰকাৰক উদ্ধাৰ কৰাৰ কাৰণে তেখেতে কিছুমান পৰিকল্পিতভাৱে কথাবিলাক ৰাখিলে যাতে ৰাজ্য চৰকাৰৰ ব্যৰ্থতা ঢাকিব পৰা যায়। ৰাজ্যপাল মহোদয়ৰ ভাষণত ভয়ংকৰভাৱে অসমৰ যিটো বাস্তৱ প্ৰতিচ্ছবি বা বৰ্তমান যিটো অৰ্থনৈতিক দুৰ্দশা আৰু ধাৰ-ঋণ কৰি যেনেকৈ ৰাজ্যখন চলাব লগীয়া হৈছে, সেই কথাটো একেবাৰে সম্পূৰ্ণৰূপে ঢাকি দিয়া হ'ল। অসমত যে বৰ্তমান বিত্তীয় অৱস্থা চৰকাৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ কাৰণে মূল্যবৃদ্ধি আৰু বিভিন্ন আঁচনি, বিভিন্ন সমস্যা সমাধানত চৰকাৰে পুঁজি যোগান ধৰিব পৰা নাই, অসম বিধান সভাত আমি যেতিয়া প্ৰশ্ন উত্থাপন কৰো, তেতিয়া প্ৰায়বিলাক প্ৰশ্নৰ উত্তৰত পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব বুলি বছৰে বছৰে কোৱা হয় কিন্তু আজিলৈকে পুঁজিৰ ব্যৱস্থা কৰিব পৰা নাই। ধাৰ-ঋণ কৰি কোনোমতে চৰকাৰে চলাই আছে। এই কথাটো কিন্তু ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত গোপন ৰাখিলে। তেখেত অৱশ্যে চৰকাৰৰ প্ৰতি মৰমিয়াল। গতিকে চৰকাৰক উদ্ধাৰ কৰাৰ কাৰণে তেখেতৰ এইটো প্ৰচেষ্টা থাকিবই। তাৰ লগতে আমি দেখিলো যে ৰাজ্যখনত বৰ্তমান যিটো law & order situation, এই বিষয়ত কিন্তু তেখেতে ইয়াত উল্লেখ নকৰিলে। বৰ্তমান ধৰ্ষণ-হত্যাৰ ইমান ঘটনা হৈ আছে। যোৱা ছয় মাহত হাজাৰতকৈ বেছি এনেধৰণৰ ঘটনা অসমত হৈ গ'ল। যোৱা কেইবামাহ ধৰি গুৱাহাটী মহানগৰীত বহু হত্যাকাণ্ড হৈ আছে। ধাৰাবাহিক ভাৱে বাতৰি চালে, য'তে ত'তে মৰাশ, হোটেলৰ কক্ষত, ৰাস্তাৰ কাষত মৰাশ পৰি থকা আদি গ'ম পাব। এই কথাবিলাক কিন্তু ৰাজ্যপালৰ ভাষণত ভয়ংকৰ ভাৱে গোপন কৰা হ'ল। সভাপতি মহোদয়, বৰ্তমান সময়ত এইখন চৰকাৰে পক্ষপাতিত্বমূলকভাৱে কাম-কাজ চলাই আছে। মই এটা সমষ্টিৰ বিধায়ক আৰু এই সমষ্টিটোৰ মালিক বুলি যদি মই ভাৱো আৰু এই সমষ্টিৰ সকলো মাটি-বাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ মইয়ে মালিক, মই যাক বিচাৰো, মোৰ মতে সকলো কাম হ'ব নোৱাৰে। আজি এই চৰকাৰখন নিৰ্বাচিত চৰকাৰ, চৰাকৰে যদি ভাৱে সমগ্ৰ অসমৰ ভূমিৰ মালিক আমি, সকলো সম্পত্তিৰ মালিক আমি, যাক ভাল পাওঁ তাক দিম, যাক বেয়া পাওঁ তাক বঞ্চিত কৰিম, এইটো হ'ব নোৱাৰে। চৰকাৰ কোনো ব্যক্তিগত সম্পত্তিৰ মালিক হ'ব নোৱাৰে। যোৱা কিছুদিনত যিখিনি উচ্ছেদ কৰা হ'ল, দেখা গ'ল এইখন অসমত চৰ-চাপৰিৰ ভূমিত গাওঁ বোৱাই লৈ যায় আৰু তাত কিছুমান

চাপৰিৰ সৃষ্টি হয়। সেয়েহে তাত গৰাখহনীয়াত ভূমিহীন মানুহে আশ্ৰয় লৈছিল। সেই মানুহবিলাকে ৭০-৮০ বছৰ ধৰি তাত থকাৰ পিছতো উচ্ছেদ কৰা হ'ল একমাত্ৰ এই কাৰণে তেওঁলোক চৰকাৰৰ হিংসাৰ বলি হ'ল, আক্ৰোশৰ বলি হ'ল, তেওঁলোকক মানুহ হিচাপে গণ্য কৰ নহ'ল। এই লোকসকল ক'ত থাকিব, তেওঁলোকৰ ল'ৰা-ছোৱালী কেনেকৈ জীয়াই থাকিব এই কথাবিলাক চৰকাৰে কোনো বিবেচনা নকৰিলে, একমাত্ৰ চৰকাৰে তেওঁলোকক ভাল নাপায়, তেওঁলোকৰ প্ৰতি হিংসা আছে। সেই কাৰণে তেওঁলোকৰ মানৱ অধিকাৰ উলংঘা কৰি থকা হৈছে। এই কথাটো মই এই কাৰণে কৈছো বনাঞ্চলৰ নামত অধ্যক্ষ মহোদয় মই দেখিছো নগাওঁ জিলাৰ কথা যদি কওঁ বৰঘূলী অঞ্চলত, গোৰবন্ধা অঞ্চল লাটুমাৰী চৰ, গণেষ্ঠপুৰ তেনেকুৱা বিভিন্ন ঠাইত যিসকল ৬০-৭০ বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকক উচ্ছেদ কৰিলে। চৰকাৰে ভাল নোপোৱাৰ বাবে এই জনগোষ্ঠীটোক উচ্ছেদ কৰা হৈছে। তেওঁলোকক বিপদত ৰখাটো চৰকাৰে বিচাৰে। সেই ঠাই বিলাকত ২০-৩০ বছৰ আগতে স্কুল-কলেজ, হস্পিতাল, অংগনবাড়ী কেন্দ্ৰত এইবিলাক কৰা হৈছিল যদিও ভাঙি পেলোৱা হ'ল। এইবিলাক সকলো চৰকাৰে বনাইছিল। চৰকাৰে বনোৱা স্কুল বিলাক চৰকাৰে ভাঙিলে। তাত কৌটি কৌটি টকা খৰছ হৈছিল। এই প্ৰশ্নটোৰ উত্তৰ বন বিভাগে দিব লাগিব কিয়নো যদিহে বন বিভাগৰ মাটিত চৰকাৰে অবৈধভাৱে স্কুল নিৰ্মাণ কৰিছিল। তেতিয়া কিয় বাধা আৰোপ কৰা নাছিল। তেতিয়া কিয় আপত্তি কৰা নাছিল যে আপোনালোকে বন বিভাগৰ মাটিত স্কুল পাতিব নোৱাৰে। এনেধৰণৰ অৰাজকতা পৃথিৱীৰ কোনো দেশত সৃষ্টি হোৱা নাই। এইখন অসমত এনেকুৱা অৰাজকতা কিয়, কিয় চৰকাৰে চৰকাৰী অনুষ্ঠান ভাঙিব, ইয়াৰ উত্তৰ কিন্তু লাগি। ইয়াৰ সদোত্তৰ এই সদনৰ মজিয়াত বিচাৰিছো সভাপতি মহোদয়। আজি ৰাজ্যপালৰ ভাষণত আটাইতকৈ যিটো ভয়াৱহ সমস্যা গৰাখহনীয়া তাৰ কিন্তু কোনো প্ৰতিচ্ছবি ৰাজ্যপালৰ ভাষণত আমি নেদেখিলো। আমাৰ নগাওঁ জিলাৰ গৰুবন্ধা, বৰগুলী, মোৱামাৰী, নোৱোৱামুখ, বজক্ষেত্ৰী ঠিক সেইদৰে মৰিগাওঁ জিলাত টেঙাগুৰি বুঢ়াগাওঁ অঞ্চলত কিমান শ নদীৰ বুকুত বিলীন হ'ল, আজিও গৰাখহনীয়া চলি আছে এই চৰকাৰে কিন্তু গৰাখহনীয়া কেনেকৈ প্ৰতিৰোধ কৰিব, হাজাৰ হাজাৰ পৰিয়াল তাৰ পৰা অঘৰী হৈছে, তেওঁলোক ভূমিহীন হৈছে, এই লোক সকলক কেনেকৈ সংস্থাপন কৰিব, তাৰ এটা শব্দ ৰাজ্যপালৰ ভাষণত নাই, গতিকে এই ৰাজ্যপালে কেৱল চৰকাৰক ৰক্ষা কৰিলে নহ'ব আমি বিচাৰো বাস্তৱ প্ৰতিচ্ছবিটো তাত আহিব লাগিছিল। মাননীয় সভাপতি মহোদয় আজি ওমৰাংছুত যিটো কয়লাখনিত আবদ্ধ হৈ কিমান শ্ৰমিক তাত মৃত্যুমুখত পৰিল, অসহায় ভাৱে আমি চাই থাকিলো। এই চৰকাৰে তেওঁলোকক উদ্ধাৰ কৰিব নোৱাৰিলে, এনেকৈ শ্ৰমিক সকলৰ নিৰাপত্তা নোহোৱা হৈছে, যি সকল খাতি খোৱা লোক তেওঁলোক আজি এনেদৰে বনৰীয়া জন্তুৰ দৰে মৃত্যুমুখত পৰিবলগীয়া হৈছে, এই চৰকাৰে কিন্তু তেওঁলোকক উদ্ধাৰ কৰিব পৰা নাই। চৰকাৰৰ কোনো বাস্তৱ সন্মত প্ৰতিফলন দেখা নাই, যিটো কথা ৰাজ্যপালৰ ভাষণত কিন্তু উল্লেখ নকৰিলে। মাননীয় সভাপতি মহোদয়, আমি দেখিছো বহু লোকে আজি আত্মহত্যা কৰিছে, আনকি শাসকীয় দলৰ মণ্ডল, বি জে পি ৰ সভাপতি ও আত্মহত্যা কৰিছে। এনেকুৱা বহুত ঘটনা হৈছে। তেওঁলোকে যি খাব নাপায় মূল্যবৃদ্ধিৰ চেপাত কোঙা হৈ আত্মহত্যা কৰিছে, পৰিয়াল চলাব নোৱাৰে, শাসকীয় দলৰ মণ্ডল আৰু মণ্ডলৰ বিষয়ববীয়াও কৰিছে। গতিকে এইখন এখন খোদাবিহীন ৰাজ্য গঠনৰ চৰকাৰৰ যিটো আৰু FDC goal বিলাক আমি achieve কৰিব নোৱাৰিলো। গতিকে এই ভয়াবহ দৃশ্য বিলাক কিয় ৰাজ্যপালৰ ভাষণত নাই, মাননীয় সভাপতি মহোদয়, আমি দেখিছো ইয়াত যিটো ভূমিক ৰাইজক দিয়াৰ ক্ষেত্ৰত চৰকাৰে কিন্তু

মালিকীস্বত্তৰ দৰে কাম কৰি আছে। সমগ্ৰ অসমত ভূমিৰ ক্ষেত্ৰত এই চৰকাৰে এনেকৈ কাম কৰি আছে । আমি দেখিছো যে মিছন বসুন্ধৰা ১ গ'ল, ২ য় গ'ল, ৩ য় গ'ল, কিন্তু এজনো সংখ্যালঘু মুছলমান লোকে যি নেকি ৭৫ বছৰৰ নথি-পত্ৰ দি আবেদন কৰিছিল। তথাপিও কিন্তু এজনো ভূমিহীন সংখ্যালঘু লোকক মাটি নিদিলে। চৰকাৰে এনেকুৱা দেখুৱাইছে যে অসমৰ মাটি তেওঁলোকৰ পৈতৃক সম্পত্তি, ব্যক্তিগত মাটি, তেওঁলোকে যাক দিব বিচাৰে, তেওঁকহে দিব। তেওঁলোকে যিসকলক ভাল পাই, তেখেতসকলক দিব আৰু যিসকলক ভাল নাপায়, তেওঁলোকক নিদিব। এনে মালিকীস্বত্বৰ ভাৰধাৰক তীব্ৰ বিৰোধীতা কৰিছো। চৰকাৰ অসমৰ সকলো সম্পত্তিৰ মালিক নহয়, মাত্ৰ সংবিধান মতে পাঁচ বছৰৰ কাৰণে ৰাজ্যখন চলাই নিয়াৰ বাবে ৰাইজে তেওঁলোকক নিৰ্বাচন কৰিছে। কিন্তু বসুন্ধৰা আঁচনিৰ জৰিয়তে এজনো সংখ্যালঘু মানুহক ভূমি দিয়া নহ'ল, তাৰ উত্তৰ আমি পবিত্ৰ সদনত বিচাৰিছো।

সভাপতি মহোদয়, অসমৰ যিসকল ট্ৰাইবেল লোক আছে, সেইদিনা কোকৰাঝাৰত আলোচনা হৈছে, তাৰ লগতে minority সম্প্ৰদায়ৰ মাজত নিৰনুবা সমস্যাৰ ভয়ৰহতা, উচ্চ শিক্ষাৰ ক্ষেত্ৰত তেওঁলোক যিমান প্ৰতিবন্ধকতাৰ সন্মুখীন হৈ আছে, এই ক্ষেত্ৰত চৰকাৰে একো এটা পদক্ষেপ লোৱা নেদেখিলো। আজি চাওঁক, minority welfare ৰ নামত সমান্য টকা দিয়া, য'ত ৬ টা ধৰ্মৰ লোক আছে, য'ত অকল মুছলমান লোকে নহয়। প্ৰায় ডেৰ কোটিমান minority লোক আছে, তাৰ কাৰণে কম হলেও ২০০০ - ৩০০০ কোটি টকা বাজেটত ধৰিব লাগে। ইয়াত সামন্য ৮০-১০০ কোটি টকাহে বাজেটত ধৰা হয়। সেইখিনি টকাৰে আধাতকৈ বেছি খৰছ কৰিবই নোৱাৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল minority welfare department ৰ প্ৰত্যেক জিলাত এটা কাৰ্য্যলয় আৰু জিলা পৰ্য্যায়ৰ বিষয়া নিয়োগ কৰাৰ কথা আমি কৈছিলো। যিবিলাক MSDP ৰ আঁচনি ৬, ৭ বছৰ আগৰ পৰা দিয়া হৈছিল সেই বিলাকৰ UC য়ে চৰকাৰে ল'ব পৰা নাই। তাৰ পিছত এইটোৰ নাম সলনি কৰি PMJBK নামেৰে যিবিলাক টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছিল আজিলৈকে চৰকাৰে UC ল'ব পৰা নাই। যাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিবলগীয়া টকাৰ পৰা বঞ্চিত হৈ আছে। গতিকে এই চৰকাৰে যদি ভালকৈ কাম বিলাক আদায় কৰিব নোৱাৰে, প্ৰত্যেক জিলাত এজনকৈ minority welfare বিষয়া আৰু আমি বাৰে বাৰে কৈ আছো যে একোটাকৈ কাৰ্য্যালয় দিয়াৰ বাবে।

চৰ উন্নয়ন বিভাগত আজি কোনো টকাই নাই, চৰকাৰে এই কাম বিলাক কৰা নাই। চৰকাৰে ইয়াত দুমখীয়া নীতি অৱলম্বন কৰি আছে। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে কথা বিলাক ক'ব বিচাৰো যে স্ববকা স্বাথ, স্ববকা বিকাশ কেৱল মুখত থাকিলে নহ'ব, এইটো প্ৰকৃতাৰ্থ ৰূপায়ন হ'ব লাগিব। কিচি কা বিকাশ, কিচি কা বিনাশ, এই নীতি কিন্তু আমি কেতিয়াও মানি ল'ব নোৱাৰো। কিচি কা বিকাশ, কিচি কা বিনাশ, আজি চৰকাৰে এই যিটো সুত্ৰত কাম কৰি আছে, আমি তাৰ তীব্ৰ বিৰোধিতা কৰিছো। আমি বিচাৰিছো স্ববকা স্বাথ, স্ববকা বিকাশ, এই নীতি আপোনালোকে সঁচাকৈ বাস্তৱ ক্ষেত্ৰত কৰি দেখুৱাওক নহলে অকল কথাৰ ফুলঝাৰীৰে ৰাজ্য নচলে আৰু বিভিন্ন ধৰ্মালম্বী যিটো অসমৰ জনসংখ্যা প্ৰায় ৫০ শতাংশ জনসংখ্যাক যদি উপেক্ষা কৰি, বঞ্চিত কিছু লোকক সন্তুষ্ট কৰি ভোট লৈ আকৌ চৰকাৰ কৰিব, নিশ্চয় ৰাজ্যৰ কল্যাণ নহ'ব। এটা সময়ত আপোনালোকে অভিশপ্ত হ'ব। আমি দেখিছো এই চৰকাৰ খন কিছুমান অদৰকাৰী কথাটো বহুত সময় নষ্ট কৰে। যেনে আমি miniority ক উচ্ছেদ কৰিলো, মছজিদ ভাঙি দিলো, মাদ্ৰাছা ভাঙি দিলো, কাজি প্ৰথা বিলোপ কৰি দিলো, এনেকুৱা কথা-বতৰা কৈ। এনেবোৰ কাৰ্য

কৰি ভাবিছে যে এটা অংশৰ লোক যিসকল উগ্ৰ সম্প্ৰদায়িক তেওঁলোকে ভাল পাব, সদায় আমাক সমৰ্থন কৰি যাব, লাগিলে ভোকত থাকিব,মুল্য বৃদ্ধিত কোঙা হৈ যাব, যদি বস্তু কিনিবও নোৱাৰে, তেতিয়াও আমাক ভোট দিব। এই miniority মানুহক আমি ক্ষতি কৰিছো, তেওঁলোকক বিপদত পেলাইছো। এই যে এটা নীতিৰে চৰকাৰ আগবাঢ়ি আছে, miniority মানুহক আমি বিপদত পেলালে তেওঁলোকৰ বিৰুদ্ধে আমি আইন প্ৰনয়ন কৰি, তেওঁলোকক যিমানে বিপদত পেলাম, এটা জনগোষ্ঠীৰ কিছুমান লোক আমাৰ readymade ভোটাৰ worker হৈ থাকিব। আমাক সদায় ভোট দিব, এনেকুৱা কৰিলে কেতিয়াও জনকল্যাণ হ'ব নোৱাৰে।

মাননীয় সভাপতিমহোদয়, গতিকে এই কথাবিলাক আশা কৰিছিলো যে ৰাজ্যপাল মহোদয় অসমৰ মুৰব্বী হিচাপে তেখেতৰ ভাষণত কথাবিলাক উল্লেখ কৰিব আৰু অসমত বাস্তৱ প্ৰতিচ্ছবি বিলাক তেখেতৰ ভাষণৰ জৰিয়তে এই কথাবিলাক উদঙাই দিব যাতে অসমবাসীয়ে দেখা পাই যে অসমৰ চৰকাৰ ক'ত ক'ত বিফল আৰু তেওঁলোকে কেনেকৈ দুমুখীয়া নীতিৰে তেওঁলোকে অসমখন চলাই আছে আৰু কেনেকৈ কোন কোন জনগোষ্ঠীক টাৰ্গেট কৰি কৰি লৈছে। এই জনগোষ্ঠীক ক্ষতিগ্ৰস্ত কৰি তেওঁলোকে অন্য জনগোষ্ঠীৰ ভোট পাব, এই নীতিৰ বিৰুদ্ধে যাতে এটা জনমত তৈয়াৰ কৰিব পৰা যায়, ৰাজ্যপাল মহোদয়ে কথাবিলাক আঙুলিয়াই দিব বুলি আমি আশা কৰিছিলো। কিন্তু তেওঁলোকে এই কামবিলাক কৰা নাই। আজি আমি যিটো adjournment motion আনিছিলো, যোৱা দুই তিনি মাহত আমি দেখিছিলো যে অসমৰ পৰা শতাধিক লোকক বৰপেটা জিলাৰ পৰা এদিনতে ২৮ জন লোকক ধৰি নি detention camp ত ৰখা হৈছে। সেই লোক সকলৰ পিতৃ মাতৃ ভাৰতীয়। তেওঁলোকৰ ভোটাৰ লিষ্টত নাম আছে। তেওঁলোক ভাৰতীয় নাগৰিক। তেওঁলোকৰ বায়েক ভনীয়েক ভাৰতীয় নাগৰিক। তাৰে মাজতে তেওঁলোক হঠাৎ বিদেশী। হঠাৎ তেওঁৰ নামত notice. ২০ টা document ৰ ১৫ টাই যেনে- Pan Card, Voter card, Driving License,পঞ্চায়ত চাৰ্টিফিকেট আদি সকলো document তে পিতৃ-মাতৃৰ নাম থাকে। তাৰ পাছত foreigner's tribunal ত এশাৰী লিখি দিয়ে যে- He or She could not establish relationship with projected father.এনেকুৱা ধৰণৰ বাক্য লিখি দি foreigner's tribunal য়ে বলপূৰ্বকভাৱে তেওঁলোকক বিদেশী বনায়। এনেকুৱা ধৰণৰ যি মানৱ অধিকাৰ উলংঘা কৰা হৈছে, সেই কথাবিলাক কিন্তু ৰাজ্যপালৰ ভাষণত স্পষ্ট হোৱা নাই। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনতে আমি দেখিছিলো যে এই প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল। তেতিয়া আমি ভাবিছিলো যে কংগ্ৰেছ চৰকাৰে যেতিয়া minority ৰ বিৰুদ্ধে এনেকুৱা ধৰণৰ foreigner's tribunal বনাই বলপূৰ্বকভাৱে minority মানুহক বিদেশী সজোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল, ভাৱিছিলো BJP চৰকাৰ আহি ইয়াৰ পৰিৱৰ্তন আনিব কিন্তু BJP চৰকাৰেও আহি একেই নীতি প্ৰৱৰ্তণ কৰি আছে। গতিকে কংগ্ৰেছ, BJP ৰ মাজত পাৰ্থক্য ক'ত? এই কথাটো আমাক লাগে। এই কথাটো সদনত স্পষ্ট হ'ব লাগে। -----হুলস্থুল------

(Hon'ble Deputy Speaker on the Chair)

মাননীয় উপাধ্যক্ষ ঃ Please conclude.

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে আমাৰ কথাটো হ'ল যে আমাৰ পাৰ্থক্যটো লাগে যে পূৰ্বৰ চৰকাৰৰ দিনত একেই নীতি কিয়? Minority ৰ বিৰুদ্ধে একেই নীতি কিয়, পাৰ্থক্য কিয় নাই?

------হুলস্থুল------

মাননীয় উপাধ্যক্ষ ঃ Please conclude.

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ঠিক আছে। মোৰ ১৫ মিনিট সময় আছিল। মোৰ সময় শেষ। কিন্তু এই দুই চৰকাৰৰ পাৰ্থক্য আমি সদনত পাম । এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ জনাইছো আপোনাক। যোৱা ১৭ তাৰিখে আমাৰ সতীৰ্থ এগৰাকী বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছিল, সেই প্ৰস্তাৱক সমৰ্থণত মোৰ একাষাৰ ক'বৰ কাৰণে সময় দিছিল। এটা উত্তপ্ত পৰিৱেশ সৃষ্টি হৈছিল। যিটো হ'বই কাৰণ পানীৰ লগত তেল নিমিলে। পানীৰ লগত তেল মিলাব খুজিলে উত্তপ্ত হ'বই। যিয়ে নহওক, ঠাণ্ডাও হৈছে সেইকাৰণে দু-আষাৰ ক'ব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ স্বনামধন্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এক মহান মন্ত্ৰৰে উৎসাহিত হৈ অনুপ্ৰাণিত হৈ তেখেতে দেশ সেৱাৰ কামত আগবাঢ়িছে আৰু এই মহান মন্ত্ৰ ফাকি হৈছে যে আমাৰ ৰাষ্ট্ৰীয় সেৱক সংঘৰ এইটো প্ৰাৰ্থনা আছে যে-মা মঙ্গলে পূৰ্ণভূমি তদাৰ্থে চকায়ো নমস্তে নমস্তে নমস্তে। অৰ্থ্যাৎ সেই পূৰ্ণভূমিত তোমাৰ মঙ্গলৰ বাবে মই মোৰ এই দেশ সমৰ্পণ কৰিছো আৰু তোমাক বাৰে বাবে প্ৰনাম জনাইছো। এই ভাৱনাৰে সমৰ্পিত চেতনাৰে তেখেতে আজি আগুৱাইছে আৰু তেনে পুৱাৰ পৰা গধূলিলৈকে প্ৰায় দিনটোত ১৮ ঘন্টা পৰ্য্যন্ত তেখেতে দেশ ৰাজ্যখনক আগুৱাই নিবৰ কাৰণে নিৰন্তৰ প্ৰচেষ্টাৰ প্ৰায়স অব্যাহত ৰাখিছে। যাৰকাৰণে আজি এখন বিকশিত অসমৰ স্বৰূপ আমাৰ দুচকুৰ আগত আমি দেখি গৈ আছো। এটা দিন আছিল আমাৰ সম্ভাৱনাক চিনি পোৱা নাছিলো। আমাৰ সম্পদকো চিনি পোৱা নাছিলো। কেবল মাত্ৰ আমাৰ বিৰুদ্ধে আমি দেখা পাইছিলো সন্মুখত অসহায় দুৰ্বলতা। কিন্তু এই গৰাকী মুখ্যমন্ত্ৰীৰ দিনত আমাৰ সমস্ত সম্ভাৱনা সম্পদলৈ তেখেতে ৰূপান্তৰ কৰিছে আৰু আমাৰ পূৰ্বৰ সেই মানসিক দুৰ্বলতাবিলাকক তেখেতে শক্তিলৈ ৰূপান্তৰ কৰি ৰাজ্যখনক বিকাশৰ বাটত আগুৱাই লৈ গৈছে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়া এই উন্নত অসম খনৰ যি স্বৰূপ, এই স্বৰূপখিনিয়ে মাত্ৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত উল্লেখ কৰা হৈছে আৰু যি মানুহে উন্নয়ণৰ সদায় বিৰোধিতা কৰি আহিছে, BJP চৰকাৰে কৰা ভাল কামবোৰৰো যিসকলে বিৰোধিতা কৰি আহিছে সেইসকলে আমাক বাৰে বাৰে এই সদনৰ মজিয়াত হওক বা বাহিৰত হওক তেওঁলোকে বিৰোধ ভাৱটো প্ৰকাশ কৰি আহিছে। কিন্তু আমাৰ কথাটো হ'ল যে আমি কাৰোবাৰ এই বিৰোধীতাক লৈ ব্যস্ত নাথাকো বা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া বা আমাৰ চৰকাৰখন ব্যস্ত নাথাকে। আমি সদায় উন্নয়ণৰ পথত আগুৱাই যাবৰ কাৰণে নিৰন্তৰ কাম কৰি আছো। একালত কংগ্ৰেছৰ যিবিলাক নীতি আছিল 'গৰিৱী হাটাও'যিটো আন্দোলন আছিল, সেই আন্দোলনটো কেবল নামতহে আছিল। তেওঁলোকে কামত লগোৱা নাছিল। 'গৰিৱী হাটাও' তেওঁলোকৰ মাত্ৰ Election slogan হে আছিল। কিন্তু এইখন চৰকাৰৰ দিনত গৰিৱী হাটাবৰ কাৰণে একেবাৰে বাগিছাত বাস কৰা ভিতৰৰ সেই শ্ৰমিকজনৰ পৰা আৰম্ভ কৰি গাৱঁৰ নিচিনা কৃষকজনৰ মঙ্গলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ধৰণৰ কাম কৰি গৈছে। যদি এইখন চৰকাৰৰ দিনত সৱকা সথ সৱকা বিকাশ টোৱে যদি সম্ভৱ আমাৰ মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই কোৱা অনুসাৰে কিসিকা বিকাস কিসিকা বিনাস, ইয়াত সম্ভৱ নহয় যিটো আপোনালোকৰ যৌথ চৰকাৰৰ দিনত সম্ভৱ হৈছিল। কংগ্ৰেছ আৰু আপোনালোকে যেতিয়া শাসন কৰিছিলে তেতিয়া আপোনালোকে মনত ৰাখিব, তেতিয়া

আপোনালোকে কেনেধৰণৰ সমাজত সামাজিক যিবিলাক আঁচনি কেনেধৰণে বিতৰণ কৰিছিল। আপোনালোকে দুখীয়া হ'লেও চোৰা নাছিল, আপোনালোকে নিজৰ কৰ্মীবিলাকক চাইছিল। নিজৰ কৰ্মীবিলাকক বাচনি কৰি আপোনালোকে কল্পতৰু ধন বিলাইছিল আৰু সেই সময়ৰ তেনেকুৰা ধৰণৰ অন্যায় কৰা মানুহে আজি এনেধৰণৰ কথা কোৱাৰ মানসিক সাহসেই থাকিব নালাগে। কিন্তু তথাপিও আজি আপোনালোকক জনাব খুজিছো যে এইখন চৰকাৰে সৰকা সাথ সৰকা বিকাশৰ কাম কৰিছে আৰু ভৱিষ্যতেও কৰি যাব। আমাৰ মনত কোনো ভেদভাৱ নাই আৰু আমি গাৱঁৰ মানুহৰ মঙ্গলৰ বাবে টাৰ্গেট চাই কাম কৰিছো। চাহ শ্ৰমিকক যেনেদৰে আগুৱাই লৈ যাব খুজিছো তেনেদৰে গাৱঁৰ মানুহকো আগুৱাই নিব খুজিছো আৰু হিন্দু মানুহৰ মঙ্গলৰ বাবে যেনেকুৰা কাম কৰিছো তেনেকুৰাই মুছলমান, শিখ, ঈশাই, জৈন, বৌদ্ধিষ্ট ধৰ্মৰ সকলো মানুহৰ মঙ্গলৰ বাবে কাম কৰিছো। কোনো এখন আঁচনিত আপোনালোকে ক'ব নোৱাৰে যে এই মানুহজনে অমুক ধৰ্মৰ হোৱা কাৰণে তেওঁক ইয়াৰ পৰা বিতাৰিত কৰা হৈছে। গতিকে ইমান ন্যায় সঙ্গতভাৱে কৰি থকা এখন ভাল কাম কৰি থকা চৰকাৰক কেৱল কৰিব লাগে কাৰণে যদি আপোনালোকে সমালোচনা কৰি থাকে মই ভাৱো ৰাইজে আপোনালোকক বেয়া পাব। গতিকে এই চৰকাৰখনক আপোনালোকে কিছু এটা পৰিৱেশ নিৰ্মাণ কৰি দিয়ক য'ত আমি আৰু ভাল কাম কৰিব পাৰো। আমাৰ মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া তেখেতে বনভূমিত বিতাৰণ মানুহ যে উচ্ছেদ কৰা হ'ল তাৰ কথা কৈছে। আপুনি এইটো ক'ব খুজিছে নেকি যে কাজিৰঙাত হাজাৰ হাজাৰ মানুহ আহি সোমাই কাজিৰঙা দখল কৰি ল'ব লাগে। অসমৰ খালী হৈ থকা মাটিবিলাক দখল কৰি ইয়াত খিলঞ্জীয়া মানুহকো উপদ্ৰৱ চলাব লাগে। সৌসিদিনা মৰিগাৱঁত কি হৈছে, এই কথাবিলাক আপোনালোকে মনত ৰাখে নে নাই? খিলঞ্জীয়া মানুহৰ অধিকাৰ আজি বিনষ্ট হৈ গৈছে। তাৰ কাৰণে আজি বাধ্য হৈ আমাৰ চৰকাৰখনে বনভূমিৰ পৰা বিভিন্ন বেদখলকাৰী সকলক উচ্ছেদ কৰিবলগীয়া হৈছে। তাত আপুনি বেয়া পায় লাভ নাই। আপোনালোকে কাজিৰঙাত ঘৰ বনাবৰ কাৰণে টিনপাত পৰ্য্যন্ত কিনি দিছিল। ৰাস্তা পৰ্য্যন্ত বনাই দিছিল। বিজুলী বাতি আপোনালোকৰ চৰকাৰৰ দিনত দিয়া হৈছিল। কংগ্ৰেছ আৰু আপোনালোকে যেতিয়া অসমত চৰকাৰ কৰি আছিল তেতিয়া আপোানালোকে কৰিছিল। এতিয়া আপোনালোকে পাহৰি নাযাব। এই বিলাক ইতিহাস লিখা আছে। গতিকে এনেধৰণৰ কথাবিলাক অন্তত আপোনালোকে মনত ৰাখি কথা ক'লে অসমৰ মানুহে শুনি ভাল পাব। আমি এনেদৰে কেতিয়াও বিদেশীক বা আমাৰ যিবিলাক বেদখলকাৰী মানুহক খিলঞ্জীয়াৰ অধিকাৰ কাঢ়ি লৈ যাব পৰাকৈ আমি কেতিয়াও এৰি দিব নোৱাৰো। আমাৰ অঙ্গীকাৰ আছিল যে অসমীয়া মানুহৰ জাতি-মাটি-ভেটিৰ অধিকাৰ ৰক্ষা কৰিবৰ কাৰণে ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ আহিছে। আমি এইবিলাক কাম কৰিবৰ বাবে কাকো ঠিকা দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া আপোনাৰ আৰু এক মিনিট সময় আছে।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** আজি কংগ্ৰেছ চৰকাৰৰ দিনত আপোনালোকে ষষ্ঠ অনুসূচী ৰাখিবৰ বাবে কি কাম? সদৌ অসম ছাত্ৰ সন্থাৰ আন্দোলনৰ সময়ত হোৱা যিখন অসম চুক্তি সেই চুক্তিখন ৰূপায়ণৰ বাবে আপোনালোকে কি কাম কৰিলে? চুক্তিৰ নেতা, শ্বহীদ হোৱা নেতাজনতো আপোনালোকৰ আছিল। আজি আপোনালোকে সেই শ্বহীদৰ স্মৃতি ৰক্ষা কৰিব নোৱাৰিলে। যাৰ কাৰণে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আজি পশ্চিম বৰাগাওঁত শ্বহীদৰ স্মৃতি জীয়াই ৰাখিবৰ কাৰণে নিৰ্মাণ কৰি থকা হৈছে। আপোনালোকে কি কাম কৰিলে? ৮৫৬ জন মানুহক

আপোনালোকৰ কংগ্ৰেছ চৰকাৰৰ দিনত হত্যা কৰিলে। আজি দেখিছো সেই হত্যাকাৰী মানুহবিলাকৰ লগত আজি অসমৰ বহু জাতীয়তাবাদী নেতাই সুৰত সুৰ মিলাই ৰাজনৈতিক মুনাফা আদায় কৰিবৰ বাবে চেষ্টা কৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইখন চৰকাৰে সৰ্ব্বাঙ্গীন বিকাশ আৰু উন্নয়নৰ কাৰণে কাম কৰিছে। অতি পিছপৰা আৰু দৰিদ্ৰ গাঁৱলীয়া সমষ্টিৰ মই বিধায়ক। এই খোৱাং বা মৰাণ সমষ্টিত যুগে যুগে বানপানী আছিল। যোৱা চাৰি বছৰ ধৰি মোৰ সমষ্টিত বানাপানী নাছিল। এটা এলেকা মই ইতিমধ্যে বানপানী মুক্ত কৰি পেলালো। যোৱাবাৰ হঠাৎ এটা অতি পানী হৈ আমাৰ খোৱাং অঞ্চলত বানাপানী হ'ল আজি সেইখিনি ৰোধ কৰিবৰ বাবে প্ৰায় ২৮ কোটি টকা অসম চৰকাৰৰ পৰা পাবলৈ মই সক্ষম হৈছো। গতিকে এইখন চৰকাৰক মই ধন্যবাদ জনাইছো। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এখন বিকশিত অসম হিচাপে অসমক নিৰ্মাণ কৰিবৰ কাৰণে যি প্ৰয়াস আৰু প্ৰযত্ন এইক্ষেত্ৰত আমি সদায় জাগ্ৰত প্ৰহৰী হিচাপে কাম কৰি গৈ থাকিম। এইক্ষেত্ৰত এটি বাক্যৰে মই মোৰ বক্তব্য সামৰণি মাৰিব বিচাৰিছো যে আজি আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক হকে-বিহকে, ইজনে-সিজনে যি-টি কৈ সমালোচনা কৰি ভাল পাওঁ। কিন্তু এটা কথা মই আপোনালোকক ক'ব খুজিছো যে এগৰকী অভিনেতাই আমাক মাত্ৰ ২-৩ ঘন্টা চিনেমা এখনত আনন্দ দিয়ে। আমি সেই অভিনেতাজনক প্ৰশংসা কৰি চেলিব্ৰেটি সজাই দিওঁ। এগৰকী খেলুৱৈয়ে ৬-৭ ঘন্টা খেলি যেতিয়া আমাৰ দেশলৈ সুনাম কঢ়িয়াই আনে তেতিয়া আমি তেখেতক আইক'ন সজাই দিওঁ। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে দিনটোৰ ১৭ ৰ পৰা ১৮ ঘন্টা কাম কৰি আমাৰ অসমখনক বিকশিত অসম কৰিবৰ বাবে আহোপুৰুষাৰ্থ কৰি আছে আৰু সেই ব্যক্তিজনক আমি কিয় আদৰ্শ পুৰুষ হিচাপে ল'ব নোৱাৰো। মই আশা কৰো এইগৰাকী মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিনত অসমখন বিকশিত অসম হ'ব আৰু অসমৰ দুখীয়া-দৰিদ্ৰ, বাগিচা, শ্ৰমিক গাওঁৰ কৃষক সকলোৰে দুখ মোচন হৈ আমি উন্নয়নৰ মুখ দেখিবলৈ পাম। ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী। আপোনাৰ সময় ১২ মিনিট।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, (দেৰগাওঁ সমষ্টি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ তত্বাৱধানত তথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সহযোগত এইবাৰৰ বাজেট অধিবেশন কোকৰাঝাৰত আৰম্ভ কৰি যি অভিলেখ সৃষ্টি কৰিলে তাৰবাবে প্ৰথমেই মই আপোনাক আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আচলতে বড়ো সমাজৰ লগত ভাঙি যাব খোজা সমন্বয়ৰ সেতুডাল আপুনি নিকপকপীয়া কৰিলে। আমি আশা কৰিছো অসমত আজিৰ পৰা প্ৰায় এক দশক আগত যি অৰাজক পৰিস্থিতি আছিল তাৰ অৱশান ঘটিছে। ইয়াৰ লগে লগে কোকাৰাঝাৰত অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ ৰাখিছিল সেই ভাষণত চৰকাৰৰ প্ৰতিচ্ছবি সমূহ দাঙি ধৰিছিল আৰু সেই ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই উত্থাপন কৰা ধন্যবাদসূচক .প্ৰস্তাৱটোত সমৰ্থন জনাই আমি ক'ব বিচাৰিছো যে অসমত উদ্যোগিকৰণৰ ক্ষেত্ৰত বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া দেৰে নিৰনুৱাসকলৰ সংস্থাপনৰ জৰিয়তে তথা বৃহৎ উদ্যোগ স্থাপনৰ সৈতে যাতে অসমখনক উদ্যোগিকৰণ কৰিব পৰা যায় তাৰবাবে Tata Bio-Electronic Limited ৰ লগত চুক্তি আৰু আলোচনা কৰি জাগীৰোদত যিটো Semi Conductor উদ্যোগৰ আধাৰশিলা স্থাপন কৰিলে এতিয়া সেইটোৰ কাম চলি আছে। ইয়াৰ জৰিয়তে অসম উদ্যোগৰ ক্ষেত্ৰত অনন্য ৰূপত আগবাঢ়ি যাব। যিটো চিন্তা আজিৰ পৰা ১০-১৫ বছৰৰ আগতে আমি কৰিব পৰা নাছিলো। কিন্তু বৰ্তমান পৰ্য্যায়ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ

নেতৃত্বত এইটো সম্ভৱ হৈ উঠিছে। ইয়াৰ জৰিয়তে প্ৰত্যক্ষভাৱে কমেও ১২-১৫ হাজাৰ নিৰনুৱাই নিযুক্তি লাভ কৰিব আৰু পৰোক্ষভাৱে প্ৰায় ২৫ হাজাৰতকৈও অধিক যুৱক-যুৱতীয়ে সংস্থাপনৰ সুবিধা লাভ কৰিবলৈ সুবিধা হ'ব। এনেধৰণৰ প্ৰজেক্টৰ জৰিয়তে অসমক আগবঢ়াই নিবলৈ হ'লে এই ব্যৱস্থা সমূহক আমি নিশ্চয় ধন্যবাদ জনাব লাগিব। হ'বলগীয়া Advantage Assam ৰ জৰিয়তে যদি আমি ভাৰতৰ বাহিৰৰ উদ্যোগপতিৰ উদ্যোগ সমূহ প্ৰতিষ্ঠা কৰাৰ বাবে আগভাগ ল'ব পাৰো তেতিয়াহ'লে আমাৰ এই কাৰ্য্যসূচী সমূহৰ অধিকভাৱে পৰিসৰ হ'ব বুলি আমি আশা কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই দূৰদৰ্শী প্ৰচেষ্টা সমূহক আমি আন্তৰিকতাৰে ধন্যবাদ জনাব লাগে।  আমাৰ এই বৃহৎ উদ্যোগ সমূহৰ উপৰিও যিখিনি ক্ষুদ্ৰ উদ্যোগ আছে সেইখিনিক যাতে আমি জীয়াই ৰাখিব পাৰো তাৰবাবেও কিছু ব্যৱস্থা ল'ব লাগিব। আমাৰ শুৱালকুছিৰ পাট সূতাৰ উদ্যোগ, সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগ আদি এনেধৰণৰ যিখিনি উদ্যোগ আছে সেইখিনিক আমি কিছু আৰ্থিক সাহাৰ্য্যৰ জৰিয়তে আগবঢ়াই নিব লাগিব যাতে আমাৰ এই থলুৱা শিল্প কৰ্মখিনিক আগবাঢ়ি যাব পাৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে উদ্যোগিকৰণৰ আঁচনিৰ জৰিয়তে এই ক্ষুদ্ৰ উদ্যোগ সমূহ আগবঢ়াই নিবলৈ প্ৰচেষ্টা হাতত লৈছে। ইয়াত পাট সূতাৰ উদ্যোগ, সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগ, এৰি সূতাৰ উদ্যোগ, মৃৎ শিল্প, বাঁহ-বেতৰ উদ্যোগ এই আটাইবোৰে যাতে সুন্দৰভাৱে আগবাঢ়ি যায় সেইটো আমি আশা কৰিছো। সাংস্কৃতিক দিশৰ ক্ষেত্ৰতো আমাৰ অসমখন অতি চহকী। বাৰেৰহণীয়া সংস্কৃতিৰে আমাৰ অসমখন ভৰপূৰ। বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন গীত-নৃত্যৰ সৈতে অসমৰ সংস্কৃতি অতি চহকী। এই সাংস্কৃতিক দিশটোক আজিলৈকে আগৰ কোনো চৰকাৰে এনেধৰণৰ আগুৱাই বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে চিন্তা কৰা নাছিল। কিন্তু এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এটা সুন্দৰ পৰিবেশত অসমৰ হিয়াৰ আমঠু বিহুক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰি অসমক বিশ্বৰ বুকুত নাম উজ্বলাবলৈ সক্ষম কৰি তুলিলে। ঠিক সেই একেদৰেই অসমৰ মাটিত আজিৰ পৰা প্ৰায় দুশ বছৰ আগতে অসম আহি সম্পুৰ্ণ অসমীয়া হৈ জীৱন নিৰ্বাহ কৰা তথা অসমৰ অৰ্থনৈতিক দিশত অসমক আগবঢ়াই লৈ যোৱা দুশ বছৰীয়া চাহ উদ্যোগক এটা অনন্য মাত্ৰা দিয়াৰ বাবে এই চাহ উদ্যোগৰ লগত জড়িত চাহ জনজাতিৰ লোক সকলক তেওঁলোকৰ জাতীয় সংস্কৃতি  ঝুমুৰ। এই ঝুমুৰ টুছু পুজা আৰু কৰম পুজাত তেওঁলোকে ব্যৱহাৰ কৰে, প্ৰদৰ্শন কৰে। এই ঝুমুৰ নৃত্যক অহা ২৪ তাৰিখে বিশ্বদৰবাৰলৈ লৈ যোৱাৰ বাবে যিটো পদক্ষেপ লৈছে, অতি আদৰণীয়। আমি চাহ শিল্পৰ লগত জড়িত এই মানুহখিনিক আজি প্ৰায় ৫০-৬০ বছৰে সদায়ে প্ৰতাৰনা কৰি থাকিলো। চাহ বাগানৰ মজদুৰ লাইনৰ ৰাস্তাবিলাক সদায়ে বোকা গছকি যাব লাগে। মজদুৰ লাইনৰ মানুহখিনিয়ে ৰাতিপুৱা ৮ বজাতে বাগানৰ কামলৈ ওলাই আহি আবেলি ৫ টা বজাত ঘৰ সোমাই তেওঁলোকে হাৰিয়া অকন খাই শুই থাকিব লগা অৱস্থা হৈছে। কিন্তু এতিয়া বাগানলৈ যাওঁক অধ্যক্ষ মহোদয়, আপুনি দেখিব তেওঁলোক আমাতকৈ বেছি সংস্কৃতিবান। তেখেত সকলে নিজৰ জীৱিকাৰ লগতে নিজৰ সংস্কৃতিত আগবঢ়াই নিয়াৰ বাবে আহোপুৰুষাৰ্থ কৰিছে। ধৰ্মৰ ক্ষেত্ৰটো আমি দেখিবলৈ পাইছো, তেখেত সকলে ধৰ্মক সুন্দৰ ভাবে আমাতকৈ অধিক তৎপৰতাৰে ধাৰ্মিক ভাবেৰে তেওঁলোকে ধৰ্মীয়  চিন্তা চৰ্চাও কৰিছে, আৰু আন্তঃগাঁথনি উন্নয়নৰ বিষয় বাগানত ইতিমধ্যে গেলা বোকা গচকি যোৱা লাইনৰ পথ বিলাক পকা হৈছে। প্ৰত্যেকখন বাগানে ১ কোটি কৈ টকা চৰকাৰী ভাবে পোৱাৰ পাছত অতি সুন্দৰ সুন্দৰ পথ তাত নিৰ্মাণ হৈছে। শিক্ষাৰ ক্ষেত্ৰত মডেল স্কুল নিৰ্মাণ হৈছে, য'ত বাগিচাৰ ল'ৰাই অগ্ৰাধিকাৰ ভিত্তিত শিক্ষিত হৈছে। ফুটবলৰ ক্ষেত্ৰত , বিভিন্ন ক্ৰিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী চাহ বাগিচা ফুটবল খেল প্ৰতিযোগিতাৰ জৰিয়তে

বাগানৰ অতি দক্ষ্য ফুটবল খেলুৱৈই সকলক আমি স্বীকৃতি দিব পাৰিছো, আৰু বাগানত লুকাই থকা প্ৰতিভা, সেই প্ৰতিভা সমূহ আমি উলিয়াই নিবলৈ সক্ষম হৈছো। মোৰ সমষ্টিৰ নেঘেৰিটিং বালিজান বাগিচাৰ যিটো মিৰ্ধা, ফুটবলৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁ পুৰস্কৃত হ'বলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে আমি বাগানৰ ভিতৰত লুকাই থকা প্ৰতিভা সমূহ, গাৱত লুকাই থকা প্ৰতিভা সমূহ আমি উলিয়াই আনিবলৈ সক্ষম হৈছো। এইখন চৰকাৰৰ দূৰদৰ্শী চিন্তাৰ ফলত আমি আগবঢ়াই নিবলৈ সক্ষম হৈছো। মই আশা কৰিছো যে এনে ধৰণে যদি অসমক আগুৱাই লৈ যোৱা যায়,অদূৰ ভৰিষ্যতে আমি অসমক ভাৰতৰ ভিতৰত ১ নং ৰাজ্য হিচাপে ঘোষণা কৰিবলৈ আৰু আমি নিশ্চয় সক্ষম হ'ম। এই ক্ষেত্ৰত আমাৰ মাননীয় চৰকাৰৰ নেতা মুখ্যমন্ত্ৰী মহোদয়ক নিশ্চয় ধন্যবাদ জনাব লাগিব। ইয়াৰ লগে লগে আন এটা বিষয় মই ক'ব বিচাৰিছো। সেই বিষয়টো হ'ল আমাৰ চৰকাৰ খনে জীৱনৰ প্ৰত্যেকটো স্তৰত যিমান বিলাক স্তৰ আছে সেই স্তৰৰ প্ৰত্যেকজন মানুহকে যাতে চৰকাৰী আঁচনিয়ে সামৰি লয়, তাৰ বাবে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে। একেবাৰে কণমানি শিশুটোৰ পৰা ৬ মহীয়া কেচুৱাটোৰ পৰা ডেকা, ছাত্ৰ, নিবনুৱা যুৱক যুৱতী, বৃদ্ধ প্ৰত্যেকটো স্তৰৰ মানুহখিনি সামৰি ল'ব পৰাকৈ আঁচনি ইতিমধ্যে গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত এটা কথা ক'ব লাগিব একেবাৰে অকনমানি শিশু ৬ মহীয়া শিশু, গৰ্ভৱতী মহিলাৰ পৰা ৬ বছৰৰলৈকে এই যিখিনি শিশু একোটা বাকচত,পাৰ গড়ালত তেওঁলোকক জীৱনৰ আদি পাঠ শিকোৱা হৈছে। সেই শিশু বিলাকক আমি ভৱিষ্যতৰ নাগৰিক হিচাবে যদি আগবঢ়াই নিব লাগে তেওঁলোকক এটা পৰিবেশ দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, সেই শিশু সকলক আমি আগবঢ়াই ভৱিষ্যতৰ নাগৰিক হিচাপে সৃষ্টি কৰিবলৈ হ'লে আমি তেওঁলোকক এটা ভাল পৰিবেশ দিব লাগিব। গতিকে এই চৰকাৰে মডেল অংগনাবাড়ী চেন্টাৰ নিৰ্মাণৰ জৰিয়তে ২৫ লাখ টকাৰ এক সুন্দৰ ঘৰ নিৰ্মাণ কৰি আমি তেওঁলোকক ভৱিষ্যতৰ নাগৰিক হিচাপে দাঙি ধৰিবলৈ আমাৰ চৰকাৰে ব্যৱস্থা লৈছে। সেই দৰে নিবনুৱা সকলক মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ জৰিয়তে যাতে নিজৰ ভৰিত নিজে ঠিয় হৈ নিজৰ জীৱিকা উপাৰ্জন কৰিব পাৰে তাৰ বাবে ২ লাখ পৰ্য্যন্ত লোণ দি তেওঁলোকে যাতে নিজাববীয়াকৈ আগবাঢ়ি যাব পাৰে তাৰ বাবেও সেই আঁচনি। ঠিক সেই একে দৰে মহিলা, ডিৰ্ভোচি মহিলা, অবিবাহিত মহিলা, বিধবা মহিলা তেওঁলোককো আগবঢ়াই নিবৰ বাবে অৰুনোদয় আঁচনিৰ জৰিয়তে মাহিলী ১২৫০ টকা কৈ যিটোৰ জৰিয়তে তেওঁ নিজৰ ঔষধ বা ভিটামিন জাতীয়, প্ৰটিন জাতীয় খাদ্য নিজে যাতে আহৰণ কৰিব পাৰে তাৰ ব্যৱস্থাৰ বাবে তেওঁলোকে এই অৰুনোদয়ৰ ৩.০ ৰ জৰিয়তে যিখিনি কাম আগবঢ়াই নিছে। জীৱনৰ প্ৰত্যেকটো স্তৰত এই আঁচনি সমূহে অসমক যথেষ্ট আগবঢ়াই লৈ যাব। সময়ৰ নাটনি হোৱাৰ বাবে থুলমুলকৈ এইখিনি কথাৰে মই মাননীয় ৰাজ্যপালৰ ধন্যবাদ সূচক প্ৰস্তাৱক সমৰ্থন জনাই সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ মিঃ নৰুল হুদা, আপোনাৰ সময় ৫ মিনিট আছে।

**শ্ৰী নুৰুল হুদা,** (ৰূপহী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ ৩৮ শতাংশ জনগোষ্ঠীৰে সমৃদ্ধ সংখ্যালঘু লোকৰ বাবে মাত্ৰ এটা শব্দ ব্যৱহাৰ কৰি যি বনান্যতাৰ পৰিচয় দিলে তাত আমি কেনেকৈ ধন্যবাদ জ্ঞাপন কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমি জানো ২০১১ চনত লোক পিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যা ৩৮ শতাংশ সংখ্যালঘু তাৰে ৩৪.২২ শতাংশ মুছলমান, ৩.৭ শতাংশ খ্ৰীষ্টিয়ান, ০.৮ শতাংশ জৈন, ০.২ শতাংশ বুদ্ধ এই সকলক লৈ ৩৮ শতাংশ সংখ্যালঘু জনসাধাৰণ আৰু ৰাজ্যপাল ডাঙৰীয়াৰ ৭২ পৃষ্ঠাৰ ভাষনত ৫৭, ৫৮ , ৫৯ পৃষ্ঠাত সামাজিক ন্যায় আৰু সংখ্যালঘু পৰিক্ৰমাৰ কথা ক'লৈ, কিন্তু এঠাইতো ক'তো সংখ্যালঘু

জন গোষ্ঠীৰ কল্যাণৰ কাৰণে কোনো আঁচনি বা কোনো শিতানৰ কথা উল্লেখ নকৰিলে। অধ্যক্ষ মহোদয় আমাৰ সংখ্যালঘু উন্নয়নৰ এখন বোৰ্ড আছে। সেই সংখ্যালঘু উন্নয় বোৰ্ডত ২০২২-২৩ বিত্তীয় বৰ্ষত তেতিয়া ১১কোটি ৪০ লাখ টকা Budget allocation দিছিল আৰু সেই Budget allocation মতে সেই বিভাগে proposal submit কৰিলে। কিন্তু এক টকাও sanction নিদিলে। ২০১৪-২৫ বৰ্ষটো এতিয়ালৈকে এক টকা এই বিভাগক sanction দিয়া হোৱা নাই। সংখ্যালঘু সম্প্ৰদায়টো শিক্ষা, স্বাস্থ্য আদিৰ ক্ষেত্ৰত অনুন্নত পিছ পৰা সম্প্ৰদায়, সেইটো আগবঢ়াই নিয়াৰ কাৰণে Minority Development Board কিন্তু এই Board ত কোনোধৰণৰ উন্নয়ন মুলক কামৰ ব্যৱস্থা নাই। চৰকাৰে কোনো ধৰনৰ বাজেট বা টকা নিদিয়ে। কেনেকৈ এই জাতিটোৰ উন্নয়ন হ'ব? আজি শিক্ষাৰ ক্ষেত্ৰত আমাৰ এই অনুন্নত পিছ পৰা জাতিটো আগবঢ়াই নিয়াৰ কাৰণে চৰকাৰে পদক্ষেপ ল'ব লাগে। মোৰ সমষ্টিতে দুখন মহাবিদ্যালয় আছে এখন ৰূপহী আৰু এখন জুৰীয়া মহাবিদ্যালয়। দুয়োখনতে মাত্ৰ কলা শাখাটো আছে। বাণিজ্য শাখা আৰু বিজ্ঞান শাখাও নাই। যিবিলাক আমাৰ ল'ৰা-ছোৱালী বিজ্ঞান আৰু বাণিজ্য শাখাত পঢ়াৰ কাৰণে সপোন দেখি আছে, সেই দুয়োটা শাখা নথকাৰ কাৰণে তেওঁলোকে পঢ়িব নোৱাৰে। শিক্ষাৰ ক্ষেত্ৰত বহুত পিছ পৰি আছে। গতিকে ২০২৩ চনত এই সদনতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে ৰূপহী মহাবিদ্যালয়ত বিজ্ঞান শাখাটো দিব বুলি। এতিয়া ২০২৫ চন হ'ল, কিন্তু আজিলৈকে বিজ্ঞান শাখা ৰূপহীত নাপালে। মই আপোনাৰ জৰিয়তে বিভাগক, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক তথা বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে ৰূপহী আৰু জুৰিয়া মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰু বাণিজ্য শাখা দুয়োটা শাখা, যাতে তিনিওটা শাখাতে আমাৰ মহাবিদ্যালয় সমূহ চলে আমাৰ নতুন ভৱিষ্যত প্ৰজন্ম সকলক যাতে সু শিক্ষাৰে শিক্ষিত কৰিব পাৰো। ২০২১ **চনত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে ৰূপহীহাট মহাবিদ্যালয়ত বিজ্ঞান শাখা দিব বুলি - তাৰ প্ৰচেচটো হ'ল, কিন্তু আজিলৈকে বিজ্ঞান শাখা নাপালে । মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে ৰূপহীহাট আৰু জুৰীয়া মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰু বাণিজ্য শাখা দুটাই দিব লাগে যাতে আমাৰ ভবিষ্যত প্ৰজন্মই দুয়োটা শাখাতে পঢ়িব পাৰে । তাৰ বাবে মই বিশেষ অনুৰোধ জনাইছো । আমাৰ যিবিলাক হায়াৰ চেকেণ্ডৰী স্কুল, এম ই স্কুল , এল পি স্কুল আছে এই স্কুলবিলাকত বিষয় শিক্ষক ছাত্ৰ অনুপাতে নথকা কাৰণে আমাৰ শিক্ষাৰ দিশটো বহুত পিছ পৰি আছে । গতিকে ছাত্ৰ ছাত্ৰীৰ অনুপাতে শিক্ষক নিযুক্তি তাৰ লগতে খালী পদসমূহত শিক্ষক নিযুক্তিৰ বাবে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো । স্বাস্থ্যৰ ক্ষেত্ৰতো চাৰ আমাৰ এনেকুৱা অৱস্থা। আমাৰ কছাৰী গাওঁ, পাহাৰীৰ পাৰ, দিনবৰী চাপৰী , এই তিনিটা পঞ্চায়ত আৰু এই তিনিটা পঞ্চায়ত এলেকাৰ পৰা পঞ্চাশ হাজাৰ জনসংখ্যা আছে। এই পঞ্চাশ হাজাৰ এলেকাৰ পৰা হেল্থ এণ্ড ৱেলনেচ চেন্টাৰ মাত্ৰ এটা আছে ছাৰ । তাত এজন চি এইচ ও দিছে - এদিন থাকিলে তিনি দিন নাথাকে । চিকিৎসাৰ কাৰণে ছয়-সাত কি.মি এলেকাৰ ভিতৰত কোনোধৰণৰ চিকিৎসালয় নাই । গতিকে আমি চৰকাৰক আবেদন দিছো আৰু আপোনাৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আমাৰ কালেৰিঙাত যিটো এই হেলথ্ এণ্ড ৱেলনেচ চেন্টাৰ আছে, সেইটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ উন্নীত কৰিব লাগে। আমাৰ এই তিনিখন গাওঁ পঞ্চায়ত এলেকাৰ পঞ্চাশ হাজাৰ জনসংখ্যাৰ চিকিৎসাৰ কাৰণে স্থায়ীভাৱে চিকিৎসক নাৰ্চ আৰু স্বাস্থ্যকৰ্মীক নিয়োগ কৰা হয় তাৰ কাৰণে মই অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, আমাৰ যিটো এম এচ ডি পি আঁচনি তাত এমপাৱাৰ কমিটিয়ে যিবিলাক আঁচনি হৈছিলে -২০১৬ ৰ পৰা ২০১৭ চনত মোৰ সমষ্টিত মুঠ ২৫৬ টা স্কীম লোৱা হৈছিলে । তাত**

প্ৰায়ভাগ স্কীম অসম্পূৰ্ণ হৈ ৰৈ গৈছে । কিছুমান আঁচনিৰ ধন আত্মসাৎ কৰিছে । গতিকে মোৰ সমষ্টিৰ এই ২৫৬ টা স্কীমৰ তদন্ত হ'ব লাগে। যিসকলে ধন আত্মসাৎ কৰিছে এইসকলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, আজি আমাৰ নাগৰিক সকলৰ যিটো ভূমিৰ অধিকাৰ সেই ভূমিৰ অধিকাৰৰ পৰা আমাৰ লোকসকলক বঞ্চিত কৰা হৈছে । মোৰ সমষ্টিত গৰুবন্ধা, বৰঘুলি, চুটিৰপাৰ, লাদিমাৰী, চিতলমাৰী , শিয়ালমাৰী চিতলমাৰী পথাৰ, ভাগাটাপু, হাৰীমাৰী, গণেশটাপু এইবিলাক ঠাইৰ পৰা ভাৰতৰ নাগৰিকসকলক উচ্ছেদ কৰা হৈছে আৰু তেওঁলোকে এতিয়ালৈকে কোনোধৰণৰ সংস্থাপন দিয়া হোৱা নাই । এই লোকসকলে গৃহহীন- অন্নহীন হৈ অঘৰীৰ নিচিনাকে থাকিব লগা হৈছে । আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰিছো । এই অসহায় লোকসকলক মাটি ভেটি দি, তেওঁলোকক যাতে স্থায়ী সংস্থাপন দিয়া হয় তাৰ কাৰণে মই বিনম্ৰভাৱে চৰকাৰক অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । শ্ৰীবিনোদ হাজৰিকা । আপোনাক ৭মিনিট দিয়া হৈছে ।

**শ্ৰীবিনোদ হাজৰিকা, (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰত অনুষ্ঠিত হোৱা এই বৰ্ষৰ বাজেট অধিবেশনত প্ৰথম দিনটিত মাননীয় মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ অভিভাষণত মই কৃতজ্ঞতা জনাই মনৰ কথা দুটামান কথা ক'ব বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনত প্ৰথম বাৰৰ কাৰণে বিধায়ক হিচাপে নিৰ্বাচিত হৈছিলো আৰু সেই সময়ত যি কেইজন আমি নিৰ্বাচিত হৈছিলো সেইদিনা ভয় আৰু শংকাত ভাগি পৰিছিলো। কাৰণ আমি মানুহক বহু প্ৰতিশ্ৰুতি দিছিলো । ৰাস্তা নিৰ্মাণ কৰিম , দলং নিৰ্মাণ কৰিম , বিজুলী এশ শতাংশ সম্পূৰ্ণ কৰিম। যেতিয়া আমি নিৰ্বাচিত হৈ আহিলো তাৰ পিচৰ পৰাই যেতিয়ালৈকে প্ৰথমখন বাজেট অধিবেশন নাপাওঁ সেই সময়ত আমাৰ টোপনি একেবাৰে অহা নাছিল । কাৰণ আমি ভয় আৰু সংকাত ভূগিব লগা হৈছিল আৰু তেতিয়া প্ৰথমখন বাজেট অধিবেশন অনুষ্ঠিত হৈছিল, আমাৰ সেই সময়ত সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰীত দায়িত্বত আছিল । সেই সময়ত মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিত্ত মন্ত্ৰী হিচাপে বাজেট দাখিল কৰিছিল । সেই সময়ত আমি দেখা পাইছিলো যে, আমাৰ সেই বাজেটত - ৰাস্তা পদূলি নিৰ্মাণৰ কাৰণে বহু হাজাৰ কোটি টকা ধাৰ্য্য কৰা হৈছিল । দেখা পাইছিলো যে, আমাৰ গাঁৱৰ শিক্ষাৰ ক্ষেত্ৰত গাওঁৰ কৃষকৰ পুত্ৰ কণ্যাই হওঁক বা চাহ বাগিছা - অঞ্চলৰ পুত্ৰ কন্যাই হওঁক তেওঁলোকে যাতে বিনামূলীয়াকৈ আমি এডমিশ্যন দিয়াৰ ব্যৱস্থা কৰিব পাৰো। হায়াৰ চেকেণ্ডৰী ফাৰ্ষ্ট ইয়েৰ , বিএ পাৰ্ট ৱানত এই বস্তুখিনি যেতিয়া পৰিস্কাৰ হৈছিল, তেতিয়া আমাৰ মনটো অলপ ভাল লাগিছিল আৰু সেই বাজেটত থকা কথাখিনি আমি গাওঁৰ মানুহৰ মাজলৈ লৈ গৈছিলো । অধ্যক্ষ মহোদয়, এই সময়ত গাওঁ আৰু বাগিছা অঞ্চলত প্ৰায় চল্লিছ শতাংশ ৰাস্তা পদূলি নাছিল। ইলেকট্ৰিফিকেশ্যন নাছিল প্ৰায় চল্লিছ শতাংশ । ৰাস্তা পদূলি যদি চাও যে অকল সেই সময়ৰ প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনা আঁচনিৰ অধীনত যিবিলাক ৰাস্তা পদূলি নিৰ্মাণ কৰিছে, তাতে সীমিত আছিল। আমাৰ চৰকাৰ হোৱাৰ পিচতে সেই সময়ৰ পৰা আমি ৰাস্তা পদূলি কাম ধাৰাবাহিকভাৱে আৰম্ভ কৰিছেলো । ২০২১ চনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই লোৱা প্ৰয়াস আৰু প্ৰচেষ্টাৰ কাৰণে বিশেষভাৱে গাওঁ অঞ্চলতে হওঁক , বাগিছা অঞ্চলতে হওঁক - সুকীয়া সুকীয়াকৈ- বহু আঁচনি ৰূপায়ণ কৰা হ'ল । ইয়াৰ ভিতৰত যদি আমি চাওঁ বাগিছাৰ মডেল হাইস্কুল আৰু সেই মডেল হাইস্কুলৰ লগতে মডেল অঙ্গনবাদী চেন্টাৰ , ৰাস্তা নিৰ্মাণৰ বাবে বাগিছা অঞ্চলত পুনৰ নিৰ্মাণৰ বাবে আমাক এক কোটি টকাকৈ প্ৰতিখন চাহ বাগিছাৰ কাৰণে ইতিমধ্যে

**তেখেতে আবন্টন দিছে। ইয়াৰ নিবিদা ইতিমধ্যে সম্পূৰ্ণ হৈছে। আৰু ইতিমধ্যে আমি তাৰ কাম আৰম্ভ কৰিছো। এতিয়া বাগিছা - আগৰ বাগিছা হৈ থকা নাই। আজি ত্ৰিশ বছৰ আগতে আমি যদি যাওঁ সেই বাগিছাবোৰত হায়াৰ চেকেণ্ডৰী পাচ কৰা, বিএ পাছ কৰা, ইউনিভাচিটিলৈ লৈ যোৱা বা তেনেকুৱা কোনো ছাত্ৰ ছাত্ৰী নাছিলে। কিন্তু এই সময়ত এতিয়া আমি যদি যাওঁ -প্ৰত্যেকটো লাইনতে মেট্ৰিক, এইচ এচ, ইউনিভাচিটিলৈকে যোৱা বহু ছাত্ৰ ছাত্ৰী ইতিমধ্যে তাত দেখা পোৱা যায়। আমাৰ চৰকাৰ অহাৰ পিচতে শিক্ষাৰ ব্যৱস্থাটো আগতে যথেষ্ট উন্নত কৰা হৈছে। স্বাস্থ্য ক্ষেত্ৰত যদি আমি চাওঁ, আমাৰ চৰকাৰ অহাৰ পিচতে আজিৰ দিনত কিমানখন মেডিকেল কলেজ হ'ল। কিন্তু তাৰ তুলনাত আগতে কিমানখন মেডিকেল কলেজ আছিল। সেই সময়ত আমাৰ ডিব্ৰুগড় জিলাত এখন একমাত্ৰ অসম চিকিৎসা মহাবিদ্যলয় আছিল। আৰু অসম চিকিৎসা মহাবিদ্যালয়ত যেতিয়া অপিডি হৈছিল তাত প্ৰায় ৪০০০ লৈকে অপিডিত পেচেন্ট আহিছিল। কাৰণ লক্ষিমপুৰৰ পৰা মানুহ আহিছিল, ধেমাজীৰ পৰা মানুহ আহিছিল, যোৰহাট, শিৱসাগৰৰ পৰা মানুহ আহে। এতিয়া লাহে লাহে তিনিচুকীয়া মেডিকেল কলেজ স্থাপন হ'ল, আমাৰ লক্ষিমপুৰত মেডিকেল কলেজৰ কাম আৰম্ভ কৰা হ'ল। ধেমাজীত কাম পূৰ্ণ গতিত চলি আছে। চৰাইদেউ- শিৱসাগৰ জিলাত এতিয়া কাম চলি আছে। সেই কাৰণে এতিয়া লাহে লাহে আমাৰ তাত ৰোগীৰ সমস্যাটো কমি গ'ল আৰু কমি যোৱাৰ কাৰণে চিকিৎসক সকলৰ ওপৰত যিটো হেঁচা পৰিছিল, সেইটো কমি গ'ল যাৰ বাবে তেওঁলোকে ৰোগী সকলক সময় দিব পৰা হৈছে। তাৰ কাৰণে এতিয়া আমাৰ অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় আগতকৈ বহু উন্নত হৈছে। এই কথা মই কোৱা নহয় সমগ্ৰ ডিব্ৰুগড়বাসী ৰাইজে আজি কৈছে। আগতে বাগিচাৰ চাহ শ্ৰমিকৰ বেমাৰ আজাৰ হ'লে বাগিছাৰ চিকিৎসালয়লৈ যায়। বাগিচাৰ চিকিৎসালয়ত মাত্ৰ দুটা ওষধ দিয়া হৈছিল আমি জানো। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰয়াস আৰু প্ৰচেষ্টাত এতিয়া বাগিছাত ঔষধৰ লগতে ৮০০ খন বাগিছাত এন এইচ আৰ এম আৰু মুখ্যমন্ত্ৰীৰ ফালৰ পৰা দুখনকৈ এম্বুলেন্স দিয়া হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জনাব লাগিব, লগতে আমাৰ মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াকো ধন্যবাদ আৰু কৃতজ্ঞতা জনাব লাগিব। কাৰণ মই লাহোৱাল সমষ্টিক প্ৰতিনিধিত্ব কৰিছো আৰু এই সমষ্টিটোক এটা সময়ত ৰহমহীয়াৰ গড়াখহনীয়াই যিটো অৱস্থা কৰিছিল, তাৰ বাবে চৌবিশ বছৰ অইল ফিল্ড বন্ধ হৈ আছিল তাত। আমি যেতিয়া মাননীয় মুখ্যমন্ত্ৰীক অবগত কৰিছিলো তেতিয়া মুখ্যমন্ত্ৰীয়ে তাত গৈ এশ শতাংশ কাম কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু ৰহমৰীয়া বাসীয়ে অইলফিল্ড খুলি দিছিল। আজি তাত গড়াখহনীয়াৰ কাম এশ শতাংশ সম্পূৰ্ণ হৈছে। মাননীয় প্ৰধান মন্ত্ৰী বিগত সময়ত তাত গৈছিল, তাত ইমানে এটা জংগী আন্দোলন হৈছিল দিল্লীৰ যন্তৰ মন্তৰলৈকে কপাঁই তুলিছিল। যোৱা সময় চোৱাত আমাৰ মৰমৰ বিহুক বিশ্ব দৰবাৰলৈ নিবলৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা ডাঙৰীয়া প্ৰয়াস আৰু প্ৰচেষ্টাৰ বাবে আমি বিহুক বিশ্ব দৰবাৰলৈ লৈ যোৱাত সফল হলো আৰু এই বছৰৰ ২৪ তাৰিখে ঝুমুৰক লৈ প্ৰয়াস চলোৱা হৈছে আৰু জিলা মাষ্টাৰ ট্ৰেইনাৰ দি জিলাভিত্তিত নাচনী ইত্যাদি নিৰ্ব্বাচন কৰা হৈছে।**

আমি বিশ্বদৰবাৰলৈ নিবলৈ সক্ষম হলো। এই বৰ্ষত ২৪ তাৰিখে মেগা ঝুমুৰক লৈ ইতিমধ্যে সমষ্টিভিত্তিত master trainer গৈ তেওঁলোক জিলা ভিত্তিতselection প্ৰক্ৰিয়া কৰি ঝুমুৰক বিশ্বদৰবাৰলৈ নিবৰ কাৰণে যাৱতীয়া ব্যৱস্থাখিনি অসম চৰকাৰৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰয়াস আৰু প্ৰচেষ্টাৰ কাৰণে হ'বলৈ সক্ষম হৈছে।

সেই কাৰণে মই ভাৱো যে সকলো জাতি, জনগোষ্ঠী, ভাষা, ভাষী, ধৰ্মাৱলম্বীলোকক লৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিধৰণে আগুৱাই নিয়াৰ কাৰণে দিনে নিশাই তেখেতে কাম কৰিছে, তেখেত সচাঁকৈ ধন্যবাদৰ পাত্ৰ। এতিয়া অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰয়াস আৰু প্ৰচেষ্টাৰ কাৰণে আমি আজি সৌভাগ্য আঁচনিৰ জৰিয়তে, দীনদয়াল উপাধ্যায় গ্ৰাম বৈদ্যুতিক যোঁজনাৰ আঁচনিৰ জৰিয়তে সমগ্ৰ গাঁও, বাগিছাত আমি ১০০ শতাংশ electricity সম্পূৰ্ণ কৰিলো। সেই কথা আজি আমি সকলোৰে গম পাইছো। আমি প্ৰতিজন শাসক বিৰোধী বিধায়কে বুকুত এবাৰ হাত দি ভাৰি চাওঁক যে বিগত সময়ত যেতিয়া চৰকাৰ বিলাক আছিল, সেই সময়ত ২৪ ঘন্টাৰ ভিতৰত ৩ ঘন্টা উজনিত electricity নাছিল, প্ৰায় ৪০ শতাংশৰ ঘৰত বিজুলী নাছিল, এনেকুৰা অৱস্থা আছিল। কিন্তু আজিৰ দিনত ২৪ ঘন্টা আমি বিজুলী পাবলৈ সক্ষম হৈছো।

সেয়ে মই অসম চৰকাৰৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো আৰু মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত মই সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰে আজি বক্তব্য নাৰাখে, তেখেতৰ ঠাইত সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই বক্তব্য ৰাখিব।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সমৰ্থনত যি প্ৰস্তাৱ আগবঢ়াইছে, মই তাৰ সমৰ্থন কৰিব নোৱাৰো, কিন্তু এটা কথা ঠিক মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ভাষণৰ আৰম্ভণিতে যি এষাৰ বাক্য কৈছে - একেলগে খোজ কাঢ়ক, একেলগে কথা পাতক,আপোনালোকৰ মনবোৰ সমলিত হওঁক, ঠিক যেনেকৈ সকলোৰে নিজৰ উদেশ্যত একত্ৰিত হৈছিল আৰু শেষত এটা শ্লোক কৈছিল সকলোৰে কল্যাণ আৰু সকলোৰে সু-স্বাস্থ্য আৰু মঙ্গলৰ বাবে, কথাখিনি অন্তৰ চুই যোৱা কথা। কিন্তু যদি ভিতৰত লক্ষ্য কৰা যায়, বা শাসকীয় পক্ষৰ বন্ধুসকলে যিখিনি কথা কৈছে, contradict কৰিব খোজা নাই, কিন্তু মৈ যোৱা কথা বিলাকহে আমি উপস্থাপন কৰিব বিচাৰিছো।

তেনেকৈ ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থা বিভাগৰ বিষয় যদি কোৱা যায় যে স্বাধীনতাৰ পিছত এতিয়ালৈকে প্ৰায় ৫০ লাখ মানুহ বিভিন্ন বানপানী, গৰাখহনীয়াত তেওঁলোকৰ সৰ্বশ্ৰান্ত হৈ গৃহহীন, ভূমিহীন হৈছে। সেই মানুহখিনিক এতিয়ালৈকে সংস্থাপন কৰা হোৱা নাই, বা সংস্থাপনৰ কাৰণে নিৰ্দিষ্টভাৱে তেওঁলোকক পৰিকল্পনা কৰা হোৱা নাই। আনকি বৰ্তমান পুনৰ সংস্থাপনৰ যিটো নীতি আছে, সেই নীতিত এই গোটেইখিনি মানুহক সাঙুৰি লোৱা হোৱা নাই। উদাহৰণ স্বৰূপে যদি লক্ষ্য কৰা যায় যে অকল চৰ অঞ্চলতে প্ৰায় ২০ লাখ মানুহ চৰকাৰী খাজ মাটিত বসবাস কৰে, অন্যান্য অঞ্চলত আৰু বহুত মানুহ বসবাস কৰে। কিন্তু এই যিটো পুনৰ সংস্থাপন নীতি,এই নীতিয়ে চৰকাৰী খাজ মাটিত বসবাস কৰা মানুহক সাঙুৰি নলয়, তেওঁলোকে কোনো ধৰণৰ বানপানী, গৰাখহনীয়াৰ বাবে চৰকাৰৰ ফালৰ পৰা ক্ষতিগ্ৰস্ত বা সাহাৰ্য্য নাপায়। আনকি কৃষি বিভাগ হওঁক বা যিকোনো বিভাগে হওঁক, তেওঁলোকক সাহাৰ্য্য দিব নোৱাৰে। গতিকে এই যিটোত ২০২০ চনৰ rehabilitation policy তাৰ সংশোধনৰ বাবে আপোনাৰ জৰিয়তে চৰকাৰলৈ মই দাবী উত্থাপন কৰিছো।

স্বাধীনতাৰ পিছত যিমান মানুহ ভূমিহীন হৈছে, তেওঁলোকে কৰবাত PRF ৰ মাটিত,

কৰোবাত PGR ৰ মাটিত বসবাস কৰিছে। আজিও অসমত বা গোৱালপাৰা জিলাতে ১৯৬০ চনৰ অক্টোবৰ মাহত PRF notify হ'ল। তাৰ পিছত বৰ্তমানলৈ দেখা গৈছে গোৱালপাৰা বা ইয়াৰ বৃহত্তৰ অঞ্চলত কেইবা হাজাৰ গাওঁ নিঃচিহ্ন হৈ গৈছে আৰু তাৰ পাৰত লাখ লাখ মানুহ গৃহহীন হৈ ওচৰতে থকা PRF ৰ মাটি বিলাকত বসবাস কৰিছে বা চৰকাৰী খাজ মাটিত বসবাস কৰিছে। কিছুদিন আগতে দেখা পাইছিলো যে চৰকাৰে কেবিনেটত সিদ্ধান্ত লৈ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ PRF ৰ মাটি de-notify কৰি, তাত revenue লৈ convert কৰি মানুহক আৱন্টন দিয়াৰ সিদ্ধান্ত লৈছে, মই চৰকাৰক এইটো ক্ষেত্ৰত ধন্যবাদ জনাইছোঁ। মই অনুৰোধ কৰিছো যে গোৱালপাৰা জিলাত যি ৪৭ টা PRF অঞ্চল আছে, ১৯৫৯ চনত notify হ'ল, য'ত নেকি গৃহহীন, ভূমিহীন মানুহবিলাকে নিজে নিজে সংস্থাপিত হৈছে, সেই অঞ্চলটোক de-notify কৰি revenue লৈ convert কৰি তাৰ লগত rehabilitate কৰাৰ ব্যৱস্থা কৰাৰ কাৰণে মই চৰকাৰক আবেদন জনাইছোঁ।

আজি সংখ্যালঘু উন্নয়ন বিভাগ, সামাজিক ন্যায় বিভাগৰ বিষয়ে আমাৰ দলীয় সতীৰ্থ এজনে কৈ গৈছে, এই ক্ষেত্ৰত দেখা পাইছো যে ভাৰত চৰকাৰে economically weaker section ৰ কাৰণে ১০ শতাংশ reservation in government service ত provide কৰিছিল, যিটো মহামান্য Supreme Court ত challenge হৈছিল, আৰু Supreme Court তে যিটো 10% reservation for the economically weaker section তাত uphold কৰি নিৰ্দেশনাও দিছিল। কিন্তু অসম চৰকাৰে ভাৰত চৰকাৰৰ এই নিৰ্দেশনাক scrap কৰি ৰাখিছে। মই আজি আপোনাৰ জৰিয়তে চৰকাৰক আবেদন কৰিম যিটো 10% reservation for the economically weaker section এইটো continue কৰাৰ কাৰণে allow কৰিব লাগে।

মহামান্য ৰাজ্যপালৰ ভাষণত অসমৰ সকলো জনগোষ্ঠীৰ কল্যাণৰ কাৰণে সকলোকে একেলগে লৈ চলাৰ যিটো নীতি, আনকি বি জে পিৰ যিটো নীতি স্ববকা স্বাথ, স্ববকা বিকাশৰ যি নীতি, থিক তেনেকুৱা কথা কৈ অসমত বিভিন্ন জাতি জনগোষ্ঠীৰ কাৰণে সুকীয়া সুকীয়া পৰিষদ আছে, 6th schedule ৰ বেলেগ আছে, আৰু ৩০ টাকৈ বেছি আছে উন্নয়ন পৰিষদ, আৰু Assam Minority Development Board বা তেওঁলোকে তেনেকুৱা লিখা এটা অনুষ্ঠান, কিন্তু যদি দেখা যায় যে প্ৰত্যেক বছৰে যিটো বাজেট আৱন্টনৰ ক্ষেত্ৰত বৈষম্য হোৱা দেখা পাওঁ। বিভিন্ন জনগোষ্ঠীৰ পৰিষদ বিলাকৰ বাৰ্ষিক বাজেট আৱন্টন, সেই তুলনাত অসমৰ সংখ্যালঘু উন্নয়ন বোৰ্ডৰ বাজেট যথেষ্ট পৰিমানে কম। আনকি সংখ্যালঘূ উন্নয়ন বিভাগৰ অধীনত Wakf board ৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ অভিযোগ পোৱা গৈছে। ২০১৩ চনত সদন সমিতিয়ো গঠন হৈছিল, সেই সদন সমিতিৰ report এতিয়ালৈকে implement নহ'ল বা গম নাপাওঁ। আনকি সেই সদন সমিতিত report দাখিল হ'ল, তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে কিন্তু enquiry ৰ কথাও ঘোষণা কৰিছিল। সেই enquiry টো কিন্তু এতিয়ালৈকে নহ'ল। যাৰ কাৰণে আজি কেইবা হাজাৰ বিঘা মাটি, সম্পত্তি, প্ৰায় কেইবা হাজাৰ কোটি ৰাজহ earning কৰা possibility থকা Assam Wakf Board ৰ সম্পত্তি বেদখলৰ কবলত, অন্যায় ভাৱে তাত দূৰ্নীতি হৈছে আৰু আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰিম যে সেই পূৰ্বৰ মুখ্যমন্ত্ৰীয়ে দিয়া enquiry এই চৰকাৰৰ দিনত সোনকালে কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত যোৱা ১৭ তাৰিখে কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিবেশনত মহামান্য ৰাজ্যপাল মহোদয়ে যি অভিভাষণ দাঙি ধৰিছিল, তাৰ প্ৰতি সমৰ্থন জনাই মাননীয় সদস্য শ্ৰীৰূপক শৰ্মাই যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিলে, তাৰ প্ৰতি সমৰ্থন জনাই, মই কথা কেইষাৰ ক'ব বিচাৰিছো।

মহামান্য ৰাজ্যপালৰ ভাষণত অসমৰ সামগ্ৰিক উন্নয়নৰ প্ৰতিছবি দাঙি ধৰিছে, আৰু বিশেষকৈ যিখিনি উন্নয়ন হৈছে, সেই উন্নয়ন বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত অসম যথেষ্ট আগুৱাই গৈছে। অসমৰ এটা বদনাম আছিল যে অসম লাহে লাহে শেষ। কিন্তু অসমৰ উন্নয়ন যি দ্ৰুতগতিত আগবাঢ়িছে, তাক দেখি সেই বদনামৰ পৰা আমি হাত সাৰিব পৰা ব্যৱস্থাখিনি লাভ কৰিছো। আমি দেখিছো যে মহামান্য ৰাজ্যপালৰ ভাষণত অসমৰ গোটেই বিভাগৰ সমূহৰ প্ৰতিচ্ছবি ওলাই পৰিছে, অসম কিমান দ্ৰুতগতিত আগবাঢ়িছে, কিমান পৰিবৰ্তন হৈছো, আমাৰ শিক্ষা, উদ্যোগ, স্বাস্থ্য আৰু অন্যান্য দিশত মানুহৰ জীৱন ধাৰণ কেনেকৈ পৰিৱৰ্তিত হৈছে, আমাৰ পিছপৰা জনগোষ্ঠীসমূহৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা লৈ এই জনগোষ্ঠীসমূহক আগুৱাই নিয়াৰ কাৰণে কাম কৰিছে, এই গোটেইখিনি কথাৰ প্ৰতিছবি আমি মহামান্য ৰাজ্যপালৰ ভাষণত দেখিবলৈ পাইছো।

ইয়াত গোটেইখিনি মই কবলৈ বিচৰা নাই। কিন্তু তেখেতৰ ভাষণত কেইটামান বিষয় মই আজি আপোনালোকৰ মাজত উল্লেখ কৰিব বিচাৰিছো। তেখেতৰ ভাষণত আমাৰ বি টি আৰৰ উন্নয়নৰ বিষয়ে চৰকাৰে কি কি কৰিছে, সেই কথাখিনি উল্লেখ কৰিছে যে যোৱা ২০২০ চনত যি চুক্তি হ'ল, সেই চুক্তিৰ পিছত যি বি টি আৰ গঠন হ'ল। ষষ্ঠ অনুসুচীৰ অধীনত আৰু BTR য়ে যোৱা চাৰিটা বছৰত যি কাম কৰিছিল, তেতিয়া অসম চৰকাৰে সেই কামসমূহ যদি আমি অলপ চাওঁ, আমাৰ যথেষ্ট পৰিৱৰ্তন হৈছে যে মাননীয় মুখ্যমন্ত্ৰীৰ অনুগ্ৰহত তেওঁলোকৰ তৎপৰতাত আমি যোৱা চাৰিটা বছৰত প্ৰায় ১১ শ কিলোমিটাৰ ৰাস্তা বনাবলৈ সক্ষম হৈছো। আমাৰ BTR অঞ্চলত সদ্যহতে University দুখন হ'বলৈ গৈ আছে, University এখনেই আছিল। ইতিমধ্যে আমাৰ BTR অঞ্চলত এখন মেডিকেল কলেজ আছিল। কিন্তু বৰ্তমান আৰু এখন মেডিকেল কলেজ নিৰ্মাণ হৈ আছে, হয়তো এবছৰৰ পিছত সম্পূৰ্ণ হ'ব। ধন্যবাদ দিছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক। তেখেতে যোৱা ১৭ তাৰিখে কোকৰাঝাৰত অনুষ্ঠিত আমাৰ বাজেট অধিৱেনত ঘোষণা কৰিছে যে, অতি সোনকালে ওডালগুৰিত এখন মেডিকেল কলেজ স্থাপন কৰা হ'ব। সেই কাৰণে তেখেতক মই BTR বাসী হিচাপে আৰু ওডালগুৰি সমষ্টিৰ বিধায়ক হিচাপে অশেষ আন্তৰিকতাৰে ধন্যবাদ দিছো। BTR অঞ্চল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰা অঞ্চল আৰু পিছপৰি থকাৰ কাৰণে আমি বিভিন্ন বিষয়ত পিছপৰি আছিলো আৰু সেই কাৰণে বৰ্তমান অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত এই অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগুৱাব পাৰে তাৰ কাৰণে তেখেতে কাম কৰি আছে আৰু সেই কাৰণে আমাৰ অঞ্চলত বিভিন্ন শিক্ষানুষ্ঠান গঢ়ি তুলিবলৈ তেখেতে চেষ্টা কৰিছে। ধন্যবাদ দিছো যে, ওডালগুৰিত আৰু এখন বড়োলেণ্ড বিশ্ববিদ্যালয় কেম্পাছ ইতিমধ্যে আৰম্ভণ হ'ব মোৰ ওডালগুৰি সমষ্টিত এখন Model Degree College ইতিমধ্যে নিৰ্মাণ হৈ আছে। অহা বছৰৰ পিছত ক্লাছ আৰম্ভ হ'ব। আমাৰ BTR অঞ্চলতে Sports University হ'বলৈ গৈ আছে। Central University Act খন হ'বলৈ গৈ আছে আৰু গোটেইখিনি অতি সোনকালে তেখেতে এই অঞ্চলত স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লৈছে। সেই কাৰণে এই অঞ্চলত

আমি শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগুৱাব পাৰিম এই কথাটো চিন্তা কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাম কৰি আছে আৰু সেই কাৰণে গোটেই কথাখিনি আমাৰ মহামান্য ৰাজ্যপালৰ বক্তব্যত ওলাই পৰিছে। সেই কাৰণে আমি ধন্যবাদ দিছো বিশেষকৈ আমাৰ নিচিনা পিছপৰা জনগোষ্ঠী কেনেকৈ আগুৱাব পাৰি, পিছপৰা অঞ্চলক কেনেকৈ আগুৱাব পাৰে তাৰ কাৰণে তেখেতে যিখিনি কাম কৰিছে, তাৰ কাৰণে আমি সঁচাকৈ আনন্দিত হৈছো। ইয়াৰ উপৰিও তেখেতৰ বক্তব্যত আৰু এটা উল্লেখ কৰা বিষয় মই ক'ব বিচাৰিছো যে বিশেষকৈ আমাৰ অসমৰ যি দুশ বছৰীয়া চাহ উদ্যোগ তাৰ লগত জড়িত যি জনগোষ্ঠী তেখেত সকলৰ সামগ্ৰিক উন্নয়নৰ কাৰণে অসম চৰকাৰে যথেষ্ট কাম কৰি আছে। আমি দেখিছো যে এই অঞ্চলৰ কাম কৰা আমাৰ বনুৱা জনগোষ্ঠীৰ শিক্ষা আৰু আৰ্থ-সামাজিক দিশত যথেষ্ট পিছপৰা। সেই কাৰণে এই জনগোষ্ঠীটো আগুৱাই নিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া মুখ্যমন্ত্ৰীৰ আসনত অধীস্থিত হোৱাৰ লগে লগে আমাৰ চাহ বাগিছা সমূহত Model School ৰ নিৰ্মাণৰ এটা সিদ্ধান্ত লৈছে আৰু সেইমতে ইতিমধ্যে ১০০ খন হাইস্কুল বাগান সমূহত নিৰ্মাণ কৰা হ'ল আৰু ৯৩ খন স্কুল বনাবৰ কাৰণে এতিয়াও যো-জা চলি আছে। ইতিমধ্যে নিৰ্মাণৰ কাম চলি আছে আৰু এইখিনি সম্পন্ন হৈ গ'লে অন্তত আমাৰ চাহ বনুৱা ভাই-ভনীসকল যথেষ্ট শিক্ষিত হ'ব। তেখেতসকলৰ ল'ৰা-ছোৱালী আগুৱাই আহিব আৰু শিক্ষা-দীক্ষাত আগবাঢ়ি গ'লে বিভিন্ন দিশত আগবাঢ়িব পাৰিব আৰু এই জনগোষ্ঠীটোৰ যি সংস্কৃতি, তেওঁলোকৰ ভাষা-সংস্কৃতি, তেওঁলোকৰ পৰম্পৰা জীয়াই ৰাখিবৰ কাৰণে এই চৰকাৰে পাহৰি যোৱা নাই। তেওঁলোকৰ যি সংস্কৃতি ঝুমুৰ বিশ্ব দৰবাৰত নিবৰ কাৰণে অহা ২৪ তাৰিখে ৮ হাজাৰ ঝুমুৰ নাচনী সকলক লৈ গুৱাহাটীত প্ৰদৰ্শন কৰাৰ এটা ব্যৱস্থা লৈছে। ইয়াৰ জৰিয়তে অন্তত বিশ্বৰ দৰবাৰত অসমৰ চাহ বাগিচাত কাম কৰা বনুৱাসকল যি সংস্কৃতি আছে, তেখেতসকলৰ চিনাকী বিশ্ব দৰবাৰত প্ৰচাৰ কৰিবৰ কাৰণে এই প্ৰচেষ্টাত আমি পিছপৰা জনগোষ্ঠী এটাক চাহ বনুৱা ভাই-ভনী সকলক যি আগুৱাই নিবৰ কাৰণে আমাৰ অসম চৰকাৰে চেষ্টা কৰিছে সেই কাৰণে ধন্যবাদ দিছো। আমি জানো যে চাহ জনগোষ্ঠীৰ ভাই-ভনী সকলৰ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যাবৰ কাৰণে বিভিন্ন scholarship দিয়াৰ ব্যৱস্থা কৰিছে আৰু বৰ্তমান এই জনগোষ্ঠীটোৱে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি গৈছে। আমি আশা কৰো এই জনগোষ্ঠীটোৱে অহা কেইবছৰত অসম চৰকাৰৰ যি প্ৰচেষ্টা, সেইমতে যদি গৈ থাকে, অন্তত অসমৰ অন্যান্য উন্নত জনগোষ্ঠীৰ লগত সমকক্ষ হৈ তেওঁলোকে আগবাঢ়ি যাব পাৰিব। বিশেষকৈ আমাৰ মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা আৰু এটা দিশক ক'ব বিচাৰিছো, সেইটো হ'ল মহিলা সকলক সৱলীকৰণ। অসম চৰকাৰে মহিলাসকলৰ সৱলীকৰণৰ কাৰণে বিভিন্ন আঁচনি লৈছে বিশেষকৈ আমি জানো যে, সমাজত মহিলা সকলক বাদ দি, নাৰী জাতিক বাদ দি এখন সমাজ আগবাঢ়ি যাব নোৱাৰে। কাৰণ এটা পৰিয়াল বা এখন সমাজত পুৰুষ আৰু মহিলাই একেলগে কাম কৰিলে আগুৱাই যাব পাৰে আৰু সেই কাৰণে মহিলাসকল যেতিয়ালৈকে শিক্ষিত নহয়, আৰ্থ-সামাজিক দিশত আগবাঢ়ি যাব নোৱাৰে, তেতিয়া সেই সমাজখন পিছপৰি থাকে। এই কথাখিনি দৃষ্টি ৰাখি অসম চৰকাৰে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই মহিলাসকলক কেনেকৈ আৰ্থিকভাৱে আৰু কেনেকৈ তেখেতসকলক শৈক্ষিক ভাৱে আগুৱাই নিব পাৰে, কেনেকৈ সৱলীকৰণ কৰিব পাৰে এই কথাখিনি দৃষ্টি ৰাখি বিভিন্ন আঁচনি লৈছে। এই আঁচনিসমূহ ভিতৰত আমি প্ৰথমে ক'ব লাগিব যে, অৰুণোদয় আঁচনিৰ জৰিয়তে মহিলা সকলক আৰ্থিক ভাৱে সৱল কৰাৰ যি প্ৰচেষ্টা সম্পন্ন হৈছে তাৰ উপৰিও লাখপতি

মহিলা ইত্যাদি আঁচনি আছে, মহিলা আত্মনিৰ্ভৰশীল নাৰী এইখিনি আঁচনি আছে। লগতে মুখ্যমন্ত্রী মহিলা উদ্যমিতা আঁচনি, আৰু এই সকলো আঁচনিৰ জৰিয়তে মহিলাসকলে কাৰো ওপৰত নিৰ্ভৰ নকৰাকৈ আৰ্থিকভাৱে সৱল কৰাৰ কাৰণে যি প্ৰচেষ্টা চলি আছে মই আশা কৰো এই আঁচনিৰ জৰিয়তে মহিলাসকল আৰ্থিকভাৱে স্ব-নিৰ্ভৰশীল হ'ব পাৰিব আৰু পৰিয়ালক, সমাজক আগুৱাই নিয়াৰ ক্ষেত্ৰত তেওঁলোকে নিজকে এটা সৱল দক্ষতা দেখুৱাব পাৰিব। সেই কাৰণে এই গোটেই বিষয়টোৰ কাৰণে মহামান্য ৰাজ্যপাল মহোদয়ক ধন্যবাদ দিছো, লগতে অসমৰ মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ দিছো যে এনেকুৱা বিভিন্ন আঁচনিৰ জৰিয়তে অসমক আৰ্থ-সামজিকভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত তেখেত সকলে যিখিনি কাম কৰিছে আৰু এইখিনি কথাৰ কাৰণে আজি মহামান্য ৰাজ্যপালৰ বক্তব্যৰ যি প্ৰস্তাৱ তাৰ প্ৰতি সমৰ্থন জনাই মই এইখিনি বক্তব্য ৰাখিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সন্মানীয় সদন, আমাৰ বহুকেইজন বক্তা আছে। সেই কাৰণে আজি দুই-তিনিজনে শেষ কৰিলে কালিলৈ অলপ adjust হ'ব। এইক্ষেত্ৰত আপোনালোকে কি ক'ব? আজি আমাৰ শেষ হৈছে, কিন্তু যি বক্তা আছে দুই-তিনিজন, ১৫-২০ মিনিত আমি শেষ কৰি ল'ম। শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় ৰাজ্যপালৰ ভাষণত মোক দুআষাৰ ক'ব দিয়াৰ কাৰণে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। প্ৰথমতে মই যি শ্ৰীৰশি দ মণ্ডলে কৈ গৈছে যে একেলগে খোজ কাঢ়ক, একেলগে কথা পাতক যিটো উদ্ধৃতি সেই কথাটো আমাৰ ৰাজ্যখনত প্ৰতিফলিত হোৱা নাই। কাৰণ সকলো জাতি-জনগোষ্ঠীৰ ধৰ্মৰ লোকে একেলগে আগবাঢ়ি যাব পৰা নাই আৰু ঠিক তেনেকৈ বিৰোধী দলৰ বিধায়ক সকলৰ ক্ষেত্ৰতো আমি একেলগে যাব পৰা নাই অন্য সমষ্টিৰ নিচিনাকৈ। যি নহওঁক যে আজি আমাৰ ভাষণৰ বিৰোধিতা কৰি ভাষণ দিছো যদিও কিছুমান ভাল কথা চৰকাৰৰ মই কিন্তু সমৰ্থন কৰিম। উদাহৰণ স্বৰূপে আমাৰ প্ৰশাসনিক দক্ষতা আৰু নাগৰিক খিনিৰ শাসন ব্যৱস্থা বৃদ্ধিৰ বাবে চৰকাৰে যিটো ২৯ পৃষ্ঠাত দিছে, ২০২৪ চনৰ ৪ অক্টোবৰত ৩৯ খন সম জিলা গঠন কৰিছে তাত মই ধন্যবাদ জনাইছো। কিন্তু এইখিনিতে মই এটা ইয়াৰ বিৰোধিতা কৰিম যে শেষ পৃষ্ঠাত ৰাজ্যপাল মহোদয়ে যিটো কথা ক'লে যে, সমজিলাৰ লগতে এই পদক্ষেপ সমূহৰ জৰিয়তে অসমৰ সকলো অঞ্চলক সমগুৰুত্ব আৰু উপযুক্তভাৱে সম্পদ লাভ কৰা নিশ্চিতভাৱে সৰ্বাঙ্গীন দিশৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ প্ৰতীয়মান কৰিছে। মই এটা কথা ক'বলৈ বিচাৰিছো যে আজি সম জিলা গঠন কৰিছে, ভাল হৈছে। কিন্তু, অসম চৰকাৰে ১৩-০৯-২০২৪ তাৰিখে কেবিনেট সিদ্ধান্ত মৰ্মে Reorganisation of existing Revenue Circle excluding those in Sixth Scedule areas into 105 no of Revenue Circle co- terminus with the Assam Legislative Assembly সম জিলা ইতিমধ্যে চৰকাৰে গঠন কৰিব বুলি কৈছে। কিন্তু মই এটা কথা বুজি নাপালো যে যিখিনি Revenue Circle আছিল সেইখিনি কিয় এটালৈ গুছি গ'ল মই এইখন কেবিনেট মেম'ৰেণ্ডাম আনিছো। ইয়াত ৩৪ খন Revenue Circle বন্ধ কৰি দিয়া হ'ব বুলি কৈছে। মোৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগত, আমগুৰি সমষ্টি আৰু বহু সমষ্টিত আন্দোলন হৈছে। মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আজি ইয়াত উপস্থিত আছে। তেখেতৰ সমষ্টিৰ দুটা ৰাজহ চক্ৰ পশ্চিম নলবাৰী আৰু বানেকুছি বন্ধ হৈ গৈছে। আজি মুকালমুৱাৰ মাটিৰ সীমা নিৰ্ধাৰণ কৰিবলৈ মণ্ডল বিচাৰি টিহুলৈ যাব লাগিব। বৰভাগৰ মানুহে মাটিৰ কাম কৰিবলৈ টিহু আৰু নলবাৰী দুটা সমষ্টি পাৰ হৈ বৰক্ষেত্ৰীলৈ যাব লাগিব। মাটিৰ সমস্যা অতি ডাঙৰ সমস্যা। প্ৰত্যেকজন মানুহে

SDC বা Block Office ৰ লগত যোগাযোগত থাকিব লাগে। এইক্ষেত্ৰত বহুত অসুবিধা হ'ব। মই এই সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয় তথা চৰকাৰক আহ্বান জনাইছো যে ৰাজহ চক্ৰ বন্ধ কৰাৰ সিদ্ধান্ত বাতিল কৰিব লাগে। Co- treminus ক্ষেত্ৰত এইটো হ'ব লাগে, সম জিলা ঠিকে আছে। কিন্তু ৰাজহ চক্ৰ বা জিলাৰ ক্ষেত্ৰত যিখিনি থাকিব, Delimitationৰ পাছত যিখিনি গাওঁ আহিলে, সেইখিনি ইয়াত অন্তৰ্ভুক্ত হ'ব। উদাহৰণস্বৰূপে মোৰ বৰক্ষেত্ৰীত ১০৬ খন গাওঁ আৰু বৰভাগত ৬০ গাওঁ আছিল। Delimitation ৰ পাছত নলবাৰীৰ পৰা ৬ খন গাওঁ ঘগ্ৰাপাৰত সোমাল। সৰ্থেবাৰীৰ পৰা ৫ খন গাওঁ বৰক্ষেত্ৰীত সোমাইছে। মই দুটা ৰাজহ চক্ৰ থকাত কিবা আপত্তি থাকিব লাগে বুলি নাভাৱো। য'ত সম জিলা হৈছে তাত Head quarter এটা এখন জিলাত হ'ব। মানুহ তালৈ কামৰ বাবে যাব। কিন্তু, ৰাজহ চক্ৰৰ ক্ষেত্ৰত এইটো অতি অসুবিধা হ'ব। মই ভাৱো যে এই সিদ্ধান্তটো পৰিহাৰ কৰিব লাগে। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত আন কেইটামান কথাও কৈছে। তেওঁ কৈছে যে চৰকাৰে বহু মথাউৰি নিৰ্মাণ কৰিছে। বৰভাগৰ আটাইতকৈ ডাঙৰ সমস্যা বানপানীৰ বিষয়ে মই মাননীয় মন্ত্ৰী পীযুষ হাজৰিকাদেৱৰ লগতে এই সদনত বহুবাৰ কৈছো। মাননীয় মন্ত্ৰী মহোদয়ে Borbhag Drainage Development Scheme নিজেও পৰিদৰ্শন কৰিছিল আৰু তাত এটা শ্লুইছ গেট নিৰ্মাণ কৰিব বুলি কথা দিছিল। কিন্তু আজিলৈ সেইয়া নিৰ্মাণ হৈ নুঠিল। মাননীয় মন্ত্ৰী মহোদয়ে শ্লুইছ গেটখন অতি শীঘ্ৰে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে।মই কেৱল বৰভাগেই নহয়, অসমৰ যিমান ৰাজহ চক্ৰ নাইকিয়া কৰাৰ সিদ্ধান্ত লৈছে সেই সিদ্ধান্তটো মাননীয় সদনৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক পৰিহাৰ কৰিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে আজি ৩:০০ বজাত Advantage Assamৰ এখন মিটিং আছে। সেয়েহে আজি সদন আৰু বঢ়াব নালাগে বুলি কৈছে। কালিলৈ বহু ক'বলগীয়া বক্তা আছে। আজি কেৱল ১২ জনেহে কৈছে। কালিলৈ ৩০ জনে ক'বলৈ আছে। কাইলৈ সদন পিছবেলালৈ যাব লাগিব। মাননীয় মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে। 'The Assam Right to Public Services (Amendment ) Bill, 2025" এতিয়া Supplementary আহিব। ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হৈছে- Under the provision of Article 207 (1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of 'The Assam Right to Public Services (Amendment ) Bill, 2025" in the Assam Legislative Assembly. মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Right to Public Services (Amendment ) Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-

বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়',

যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, অনুমতি প্ৰদান কৰা হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ অনুমতি সাপেক্ষে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Right to Public Services (Amendment ) Bill, 2025" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** সদন ২০২৫ চনৰ ২০ ফেব্ৰুৱাৰীলৈ অৰ্থাৎ অহাকালি ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।